● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

## দিগ্‌দৰ্শন

মাই সকলোৰে স্থান ল'ব পাৰে; কিন্তু মাৰ স্থান আন কোনেও ল'ব নোৱাৰে।



**গুলজাৰ**
*গীতিকাৰ-চিত্ৰ পৰিচালক*


৭ ২৮ দিনত ১০৮ দেশলৈ বিয়পিল অ'মিক্ৰন
১৫ প্ৰথম টেষ্টত ৰাহানেৰ স্থান অনিশ্চয়তাত
৪ সাম্প্ৰতিক সময়ত বিদ্বৎ সমাজৰ ভূমিকা

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৭৯তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ৯ পুহ ১৪২৮ ভাস্কৰাব্দ ২৫ ডিচেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 25 December 2021 মূল্য ঃ ৯.০০ টকা

■ দেশত সংক্ৰমণ বৃদ্ধি কৰ'নাৰ নতুন প্ৰজাতিৰ ■ সান্ধ্য আইন জাৰিৰে কঠোৰ বিধি বলৱৎ বহুকেইখন ৰাজ্যত ■ তেলেংগানাত ১০ দিনৰ তলাবন্ধ ■ বৰদিনতো সতৰ্কতা

# অ'মিক্ৰন ঃ পুনৰ সান্ধ্য আইন-তলাবন্ধ

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২৪ ডিচেম্বৰ ঃ** ভাৰতত ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনত আক্ৰান্তৰ সংখ্যা আজি ৩৫৮ জনলৈ বৃদ্ধি পালে। দেশৰ ১৭খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলত বৰ্তমানলৈকে অ'মিক্ৰন আক্ৰান্তক চিনাক্ত কৰা হৈছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, ক'ভিডৰ নতুন প্ৰজাতিত সংক্ৰমিত হোৱা ৰোগীসকলৰ ১১৪ জনে ইতিমধ্যে আৰোগ্য লাভ কৰি ঘৰলৈ উভতি গৈছে। বৰ্তমানে দেশৰ বিভিন্ন ৰাজ্যত ২৪৪ জন সক্ৰিয় অ'মিক্ৰন আক্ৰান্ত চিকিৎসাধীন হৈ আছে। দেশৰ ভিতৰতে সৰ্বাধিক ৮৮ জন অ'মিক্ৰন আক্ৰান্তক চিনাক্ত কৰা হৈছে মহাৰাষ্ট্ৰত। আনহাতে, আজিলৈকে দিল্লীত ৬৭, তেলেংগানাত ৩৮, তামিলনাডুত ৩৪, কৰ্ণাটকত ৩১, ১০ পৃষ্ঠাত চাওক





## কানপুৰৰ ব্যৱসায়ীৰ গৃহত উদ্ধাৰ নগদ ১৫০ কোটি টকা



■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২৪ ডিচেম্বৰ ঃ** উত্তৰ প্ৰদেশৰ কানপুৰৰ ব্যৱসায়ী পীযুষ জৈনৰ ঘৰত কৰ বিভাগৰ অভিযানত উদ্ধাৰ হ'ল নগদ ১৫০ কোটি টকা। সুগন্ধী প্ৰস্তুতকাৰক ১০ পৃষ্ঠাত চাওক



বৰ্ধিত অচলাৱস্থা-হুলস্থুলীয়া পৰিবেশত উদ্বিগ্ন বিৰলা ■ আলোচনা অবিহনেই আইন প্ৰণয়ন

## মৰ্যাদা হ্ৰাস পাইছে সদনৰ ঃ আক্ষেপ অধ্যক্ষৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৪ ডিচেম্বৰ ঃ** দেশৰ সংসদ আৰু ৰাজ্যৰ বিধানসভাসমূহত হোৱা হুলস্থুল পূৰ্বপৰিকল্পিত অচলাৱস্থাক লৈ উদ্বেগ প্ৰকাশ কৰিলে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই। আজিৰ অসম বিধানসভাক সম্বোধন কৰি অধ্যক্ষ বিৰলাই কয়, 'যি ধৰণে সদনৰ ভিতৰত মৰ্যাদা আৰু ভদ্ৰতা হ্ৰাস পাবলৈ ধৰিছে, সেয়া এক উদ্বেগৰ কাৰণ। আমি সকলোৱে সন্মিলিতভাৱে ইয়াকে লৈ চিন্তা কৰিব লাগিব। সদনৰ প্ৰক্ৰিয়া ব্যাহত কৰাটো সাংবিধানিক আৰু মূলবোধৰ ফালৰ পৰা শুদ্ধ নহয়। বহু সময়ত এনে বাধা-বিঘিনিসমূহ স্বতঃস্ফূৰ্ত নহয়, বৰঞ্চ পূৰ্বপৰিকল্পিত। আমাৰ গণতান্ত্ৰিক প্ৰতিষ্ঠানত এই ধৰণৰ আচৰণ অধিক চিন্তনীয়।' এইদৰে কয় অধ্যক্ষ বিৰলাই। তেওঁ কয় যে সংসদ-বিধানসভা চৰ্চা আৰু বিতৰ্কৰ মন্দিৰ হ'ব লাগে; কিন্তু স্বাধীনতাৰ ৭৫ বছৰ পাছত দেশে ইয়াৰ পৰিস্থিতিক লৈ চিন্তা কৰিবলগীয়া হৈছে। জনপ্ৰতিনিধিসকলৰ এই ক্ষেত্ৰত বৃহৎ দায়িত্ব আছে বুলি উল্লেখ কৰি তেওঁ ১০ পৃষ্ঠাত চাওক

## নিয়োগ মেলা পৰিচালনাত গাফিলতি, মন্ত্ৰী পাটোৱাৰীক ধমক

### মুখ্যমন্ত্ৰীৰ সকীয়নিৰ পাছতে শ্ৰম আৰু নিয়োগ বিভাগৰ সহযোগী সঞ্চালক, সহকাৰী সঞ্চালকক নিলম্বন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৪ ডিচেম্বৰ ঃ** নিবনুৱাৰ নিযুক্তিৰ নামত নিয়োগ মেলা পাতি ল'ৰা-ধেমালি কৰা দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ দুই শীৰ্ষ বিষয়াক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ধমকত নিলম্বিত কৰিবলৈ বাধ্য হ'ল মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী। ৰাজ্যৰ হেজাৰ হেজাৰ শিক্ষিত নিবনুৱাৰ বাবে চূড়ান্ত অব্যৱস্থাপনাৰে নিয়োগ মেলা অনুষ্ঠিত কৰি ৰাজহুৱা ধনৰ শৰাধ কৰা বিভাগীয় মন্ত্ৰী পাটোৱাৰীৰ ওপৰত খৰ্গহস্ত হৈছে মুখ্যমন্ত্ৰী ড° শৰ্মা। বাতৰি কাকতত কোনো ধৰণৰ বিজ্ঞাপন অবিহনে এনে নিয়োগ মেলা অনুষ্ঠিত নকৰিবলৈ মন্ত্ৰীজনক আজি মুখ্যমন্ত্ৰীয়ে সকীয়াই দিয়ে। কালিৰ চূড়ান্ত ১০ পৃষ্ঠাত চাওক

## লাহৰীজানত পুনৰ উচ্ছেদ অভিযান, খণ্ডযুদ্ধৰ সূত্ৰপাত



**অগ্ৰদূত বাৰ্তা**
**বোকাজান, ২৪ ডিচেম্বৰ ঃ** কাৰ্বি আংলং জিলাৰ অসম-নগালেণ্ড সীমান্তৰ লাহৰীজানৰ দুদু কল'নীত চলিল পুনৰ বৃহৎ উচ্ছেদ অভিযান। কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ অধীনৰ এই ভূমিৰ পৰা দুটা পৰ্যায়ত বেদখল উচ্ছেদ কৰে ১০ পৃষ্ঠাত চাওক




## শক্তিখণ্ডলৈ ৮৭২৭ কোটিৰ অনুমোদন কেবিনেটৰ

### 'আপোন গৃহ' আঁচনিলৈ ১৩০ কোটিৰ সাহায্য

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৪ ডিচেম্বৰ ঃ** ৰাজ্যৰ শক্তি খণ্ডক পুনৰুজ্জীৱিত কৰিবলৈ অসম কেবিনেটে আজি একাধিক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। এনে সিদ্ধান্ত অনুসৰি, ৰাজ্যৰ শক্তিখণ্ডৰ কোম্পানীসমূহক ১০ পৃষ্ঠাত চাওক

## ডিব্ৰু কলেজৰ নিৰ্বাচনত প্ৰচণ্ড সংঘৰ্ষত চাৰিজন আছু কৰ্মী আহত

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২৪ ডিচেম্বৰ ঃ** ডিব্ৰুগড়ৰ ঐতিহ্যমণ্ডিত ডিব্ৰু মহাবিদ্যালয়ত ছাত্ৰ একতা সভাৰ নিৰ্বাচনত দুদল ছাত্ৰৰ প্ৰচণ্ড সংঘৰ্ষত তেজেৰে ৰাঙলী হয় মহাবিদ্যালয় চৌহদ।। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ ফলাফল ঘোষণাৰ সময়তে দুই ছাত্ৰ ১০ পৃষ্ঠাত চাওক

## ট্ৰাকে মহটিয়ালে স্কুটীক, দুই ভগ্নীৰ থিতাতে মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**মৰাণ, ২৪ ডিচেম্বৰ ঃ** চৰাইদেউ জিলাৰ মৰাণহাট আৰক্ষী থানাৰ অন্তৰ্গত ঝলমত ৩৭ নম্বৰ ঘাইপথত আজি দিনৰ ১১-৩০ বজাত এক ভয়াৱহ পথ দুৰ্ঘটনা সংঘটিত হয়। এখন ৰেগনাৰ গাড়ীক অতিক্ৰম ১০ পৃষ্ঠাত চাওক






| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৫° | ১২° |
| ডিব্ৰুগড় | ২৪° | ১২° |
| দিল্লী | ২১° | ১০° |
| কলকাতা | ২৫° | ১৫° |
| মুম্বাই | ২৭° | ২১° |
| চেন্নাই | ২৯° | ২২° |
| বাংগালুৰু | ২৮° | ১৩° |
| শ্বিলং | ১৪° | ০৬° |

*২৪ ডিচেম্বৰ, ২০২১*



দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৫ ডিচেম্বৰ, ২০২১ শনিবাৰ পৃষ্ঠা তিনি

# ঢেকিয়াজুলিত নৱ বিবাহিতা মহিলাৰ ৰহস্যজনক মৃত্যু ঃ হত্যাৰ অভিযোগ

**হত্যাকাৰীক গ্ৰেপ্তাৰৰ দাবীত থানা ঘেৰাও-ঘাইপথ অৱৰোধ**

অগ্ৰদূত বাৰ্তা

**শিঙৰী, ২৪ ডিচেম্বৰ ঃ** এগৰাকী নৱ বিবাহিতাৰ ৰহস্যজনক মৃত্যুক কেন্দ্ৰ কৰি ঢেকিয়াজুলিত আজি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। নৱ বিবাহিতা মহিলাগৰাকীক স্বামী আৰু তেওঁৰ পৰিয়ালে পৰিকল্পিতভাৱে হত্যা কৰাৰ অভিযোগ তুলি স্থানীয় লোকসকলে *ছয় পৃষ্ঠাত চাওক*

## সোঁতৰ বিপৰীতে



# প্ৰশাসনৰ জাননীত উল্লেখ নাই তাৰিখ ■ শংকিত বহুতো পৰিয়াল

# হোজাই বালিৰাম পথাৰত ৩২১ বিঘা চৰকাৰী ভূমিত উচ্ছেদৰ জাননী



অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ২৪ ডিচেম্বৰ ঃ** লামডিং সংৰক্ষিত বনাঞ্চলৰ পাছত এইবাৰ পুনৰ হোজাইৰ আন এখন গাঁৱত উচ্ছেদ চলাবলৈ প্ৰস্তুতি চলাইছে জিলা প্ৰশাসনে। হোজাই ৰাজহ চক্ৰৰ অন্তৰ্গত যমুনামুখৰ নিকটৱৰ্তী বালিৰাম পথাৰ গাঁৱৰ ৩২১ বিঘা গ্ৰেজিং ৰিজাৰ্ভত উচ্ছেদ চলাবলৈ যো-জা চলাইছে হোজাই জিলা প্ৰশাসনে। যোৱা ১৬ ডিচেম্বৰৰ এই গাঁওখনৰ বিভিন্ন বৈদ্যুতিক খুঁটা আৰু গছত হোজাই ৰাজহ চক্ৰ বিষয়াৰ স্বাক্ষৰিত উচ্ছেদৰ জাননী আঁৰি দিয়া হৈছে। জাননীখনত কোনো ধৰণৰ দিন-তাৰিখ উল্লেখ নকৰাকৈ ১১৭ *ছয় পৃষ্ঠাত চাওক*

# চাপৰ চাহ বাগিচাত আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় স্থাপনত বাধা

অগ্ৰদূত বাৰ্তা

**চাপৰ, ২৪ ডিচেম্বৰ ঃ** ৰাজ্যৰ ১১৯খন চাহ বাগিচাত আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় নিৰ্মাণৰ বাবে অসম চৰকাৰে লোৱা পদক্ষেপৰ অংশ অনুসৰি যোৱা ২০২০ৰ দুই নৱেম্বৰত চাপৰ চাহ বাগিচাৰ বিৰচা মুণ্ডা ষ্টেডিয়ামৰ সমীপত বিলাসীপাৰা পূব সমষ্টিৰ তদানীন্তন বিধায়ক অশোক কুমাৰ সিংঘীয়ে ধুবুৰীৰ উপায়ুক্তৰ উপস্থিতিত বিদ্যালয় নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিছিল। কিন্তু আধাৰশিলা স্থাপনৰ পাছৰে পৰা চাপৰ চাহ বাগিচা কৰ্তৃপক্ষই ৰহস্যজনক কাৰণত উক্ত স্থানত বিদ্যালয় নিৰ্মাণত বাৰম্বাৰ বাধা দি থকাত লোক নিৰ্মাণ বিভাগ তথা সংশ্লিষ্ট ঠিকাদাৰজনে কোটিটকীয়া *ছয় পৃষ্ঠাত চাওক*

# বন সুৰক্ষাকৰ্মীৰ গুলিত নিহত শিশুৰ পৰিয়ালক উপযুক্ত ক্ষতিপূৰণ নিদিয়াৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

**বকো, ২৪ ডিচেম্বৰ ঃ** যোৱা ১০ ডিচেম্বৰত বন্যহস্তীক খেদিবলৈ বন সুৰক্ষাকৰ্মীয়ে কৰা গুলিচালনাত বকোৰ তিনি নম্বৰ দক্ষিণ চেখাদাৰিৰ আৰ্বি দৈমাৰী নামৰ দুবছৰীয়া কণমানি এগৰাকী নিহত হৈছিল। সমান্তৰালভাৱে মাতৃ মালবিকা দৈমাৰী গুলিবিদ্ধ হৈ জিএমচিএইছত চিকিৎসাধীন হৈ আছে। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে উচিত পদক্ষেপ লোৱা নাই বুলি অভিযোগ উত্থাপন কৰিছে বকোৰ বিধায়িকা নন্দিতা দাসে। দল-সংগঠনে পৰিয়ালক উপযুক্ত ক্ষতিপূৰণ দিয়াৰ লগতে উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনোৱাৰ পাছতো ৰাজ্য চৰকাৰে উপযুক্ত ব্যৱস্থা গ্ৰহণ নকৰাত ক্ষোভ প্ৰকাশ কৰিছে বিধায়কগৰাকীয়ে। দুৰ্ভগীয়া পৰিয়ালটোৱে পৰ্যাপ্ত ক্ষতিপূৰণ পোৱা নাই বুলি উল্লেখ কৰি তেওঁ কয় যে কণমানিগৰাকী প্ৰাকৃতিকভাৱে *ছয় পৃষ্ঠাত চাওক*

# শিশু সাহিত্যিক ৰথীন্দ্ৰনাথ গোস্বামীক ‘অকণিৰ অসমীয়া শিশু সাহিত্য বঁটা’ প্ৰদান

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২৪ ডিচেম্বৰ ঃ** তিনিটা দশকৰো অধিক কাল অসমীয়া শিশু সাহিত্যৰ ভঁৰাললৈ অনবদ্য অবদান আগবঢ়োৱা বিশিষ্ট লেখক, শিশু সাহিত্যিক তথা বিশিষ্ট ভূতত্ত্ব বিজ্ঞানী ৰথীন্দ্ৰনাথ গোস্বামীক আজি তেজপুৰত ২০২১ৰ ‘অসমীয়া শিশু সাহিত্য বঁটা’ আনুষ্ঠানিকভাৱে প্ৰদান কৰে অকণিৰ সাহিত্য সভাই। তেজপুৰ সাহিত্য সভা ভৱনত বহুসংখ্যক শিশু কিশোৰ তথা ৰাইজৰ অংশগ্ৰহণেৰে অনুষ্ঠিত সভাত পৌৰোহিত্য কৰে অকণি সাহিত্য সভাৰ সভাপতি পংকজ বৰুৱাই। ৰাজ্যখনৰ শিশুসকলৰ সাহিত্য চৰ্চাক গুৰুত্ব আৰোপ কৰি অহা অকণিৰ সাহিত্য সভাই প্ৰদান কৰা এই বঁটা গ্ৰহণ কৰি অতি আনন্দিত হোৱা বুলি নিজৰ অনুভৱ *ছয় পৃষ্ঠাত চাওক*

# কৃষ্ণাইৰ ৰাজধানী এক্সপ্ৰেছৰ আৰ্হিৰ বিদ্যালয়ে দৃষ্টি আকৰ্ষণ কৰিছে ৰাইজৰ



অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ২৪ ডিচেম্বৰ ঃ** গোৱালপাৰা জিলাৰ মাটিয়া শিক্ষা খণ্ডৰ অন্তৰ্গত কৃষ্ণাই আশুডুবি প্ৰাথমিক বিদ্যালয়খন সম্প্ৰতি শৈক্ষিক মহলত আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। এই আকৰ্ষণৰ মূলতে হৈছে বিদ্যালয়খনৰ দৃষ্টিনন্দন সাজসজ্জা। ‘ৰাজধানী এক্সপ্ৰেছ’ ৰেলগাড়ীৰ আৰ্হিত সজোৱা গোৱালপাৰাৰ এই চৰকাৰী বিদ্যালয়খন এতিয়া সকলোৰে বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। শেহতীয়াকৈ ছ’চিয়েল মিডিয়াতো চৰ্চিত *ছয় পৃষ্ঠাত চাওক*

## ■ দৰংবাসী শোকস্তব্ধ ■ দল-সংগঠনৰ শোক প্ৰকাশ

# সাহিত্য একাডেমীৰ অনুবাদ বঁটাপ্ৰাপক ‘দৰং ৰত্ন’ প্ৰভাত শৰ্মা শাস্ত্ৰীৰ বিয়োগ

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা



**মঙলদৈ, ২৪ ডিচেম্বৰ ঃ** অসমৰ সাহিত্য আৰু শিক্ষা জগতৰ পুৰোধা ব্যক্তি, সাহিত্য একাডেমীৰ অনুবাদ বঁটাপ্ৰাপক, ‘দৰং ৰত্ন’ সংস্কৃত পণ্ডিত প্ৰভাত শৰ্মা শাস্ত্ৰী (৯৩)ৰ আজি বিয়লি বাৰ্ধক্যজনিত কাৰণত মঙলদৈৰ বামুণপাৰাৰ নিজ বাসভৱনত মৃত্যু হয়। তেওঁৰ মৃত্যুত সমগ্ৰ দৰং জিলাতে শোকৰ ছাঁ পৰিছে। সংস্কৃত সাহিত্যৰ অগাধ পণ্ডিত, অত্যন্ত বিনয়ী, সপ্ৰতিভ, সদালাপী আৰু ঈৰ্ষণীয় ব্যক্তিত্বৰ অধিকাৰী এইজন ‘দৰং গৌৰৱে’ পাতিদৰং বাণীবিনোদিনী টোলৰ পৰা ১৯৪৫তে মধ্য পৰীক্ষাত ভুৱন-প্ৰতিমা বৃত্তিসহ অসমৰ ভিতৰতে প্ৰথম স্থান দখল কৰি উত্তীৰ্ণ হৈছিল যদিও তেওঁ এই টোলীয় শিক্ষা গ্ৰহণতে ক্ষান্ত নাথাকি নলবাৰী সংস্কৃত মহাবিদ্যালয়ৰ পৰা ১৯৪৭ত শাস্ত্ৰী পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত একক আৰু নিৰলস সাধনাৰে অনানুষ্ঠানিক পৰীক্ষাৰ্থীৰূপে এটাৰ পাছত আনটো পৰীক্ষাত সফলতা অৰ্জন কৰি অৱশেষত ১৯৬৫ত সংস্কৃত বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ১৯৪৭ত দলগাঁও হাইস্কুলত শিক্ষকতাৰে কৰ্মজীৱনৰ পাতনি মেলা অজাতশত্ৰু, মিতভাষী আৰু পৰহিতৈষী পণ্ডিত প্ৰবৰ শাস্ত্ৰীয়ে পৰৱৰ্তীকালত একাধিক হাইস্কুল আৰু উচ্চতৰ মাধ্যমিকত শিক্ষকতাৰ অন্তত মঙলদৈ মহাবিদ্যালয়ত সুদীৰ্ঘকাল (১৯৬৭-১৯৮৯) অধ্যাপনাৰ অভিজ্ঞতাৰে ১৯৮৫ত মঙলদৈ ছোৱালী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰে। ১৯৯৪ত অৱসৰ লোৱাৰ *ছয় পৃষ্ঠাত চাওক*

# বৰালিমাৰী বজাৰত গুদামৰ পৰা বৃহৎ পৰিমাণৰ চোৰাং চাউল জব্দ



অগ্ৰদূত বাৰ্তা

**ভূৰাগাঁও, ২৪ ডিচেম্বৰ ঃ** মৰিগাঁও জিলাখন এতিয়া চুৰি চাউলৰ বৃহৎ ঘাটিত পৰিণত হৈছে। মৰিগাঁৱৰ খান্দাজানত আজি কিছুদিনৰ আগত বৃহৎ পৰিমাণৰ চোৰাং চাউল জব্দৰ প্ৰতিক্ৰিয়া মাৰ নাযাওঁতেই পুনৰ আজি বৰালিমাৰী বজাৰত থকা এটা গুদামৰ পৰা ভূৰাগাঁও আৰক্ষীৰ সহযোগত মৰিগাঁও যোগান বিভাগে স্থানীয় দণ্ডাধীশৰ উপস্থিতিত ৩০ কুইণ্টল ৬০ *ছয় পৃষ্ঠাত চাওক*



দৈনিক অগ্ৰদূত

গুৱাহাটী শনিবাৰ ৯ পুহ ১৪২৮ ভাস্কৰাব্দ ২৫ ডিচেম্বৰ ২০২১



# ইতিবাচক পৰিৱৰ্তন

দেশৰ প্ৰতিৰক্ষা তথা সেনা বাহিনীত মহিলাৰ বাবে এক ইতিবাচক পৰিৱেশৰ সৃষ্টি হ'ল। কেন্দ্ৰীয় লোকসেৱা আয়োগ (ইউ পি এছ চি)-এ অনুষ্ঠিত কৰা ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা একাডেমী (এন ডি এ)ৰ লিখিত প্ৰৱেশ পৰীক্ষাত প্ৰথমবাৰৰ বাবে দেশত মহিলা প্ৰাৰ্থীয়ে অৱতীৰ্ণ হোৱাৰ সুযোগ লাভ কৰি সকলোকে চমকিত কৰিলে। লিখিত পৰীক্ষাৰ ফলাফলত প্ৰথম ১০টা স্থানৰ ছটা স্থান দখল কৰিলে মহিলা প্ৰাৰ্থীয়ে। এন ডি এৰ প্ৰৱেশ পৰীক্ষাত প্ৰথম স্থান দখল কৰিছে নিভা ভাৰতীয়ে। একেদৰে তৃতীয় আৰু চতুৰ্থ স্থান দখল কৰিলে ক্ৰমে পূৰ্ণিমা কুমাৰী আৰু মনীষা পেটেল। মহিলা প্ৰাৰ্থীয়ে এন ডি এৰ লিখিত পৰীক্ষাত সৰ্বাধিক শীৰ্ষ স্থান দখল কৰাই নহয়, উত্তীৰ্ণ হোৱা মুঠ ৮,০০৯ প্ৰাৰ্থীৰ মাজত যথেষ্ট সংখ্যক মহিলা আছে। উল্লেখ্য যে এইবাৰৰ এন ডি এৰ নামভৰ্তিৰ পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে প্ৰায় পাঁচ লাখ প্ৰাৰ্থীয়ে আবেদন কৰিছিল আৰু ইয়াৰে ১.৭ লাখ আছিল মহিলা প্ৰাৰ্থী। এন ডি এৰ পৰীক্ষাত মহিলা প্ৰাৰ্থীৰ এনে সফলতাই দেশৰ প্ৰতিৰক্ষাৰ ক্ষেত্ৰত এক নতুন দিগন্তৰ সূচনা কৰাৰ সময়তে ভাৰতীয় সেনাবাহিনীত মহিলাৰ সৱলীকৰণৰ আন এক সুখবৰ দিলে দেশৰ অৰ্ধ-সামৰিক বাহিনীয়ে। অহা জানুৱাৰীৰ পৰা দেশৰ একাংশ ভি আই পি ব্যক্তিৰ সুৰক্ষাত নিয়োজিত হ'ব মহিলা কমাণ্ডো। অৰ্ধ-সামৰিক বাহিনীৰ মুখপাত্ৰই জনোৱা অনুসৰি, প্ৰথমবাৰলৈ ভাৰতত 'জেড্' আৰু 'জেড্ প্লাছ' শ্ৰেণীৰ নিৰাপত্তা ব্যৱস্থাত সেৱা আগবঢ়াব মহিলা কমাণ্ডোৱে। ইতিমধ্যে ইয়াৰ বাবে ৩২ গৰাকী মহিলা কমাণ্ডোক বিশেষভাৱে প্ৰশিক্ষণ দি সাজু কৰি তোলা হৈছে। প্ৰথম পৰ্যায়ত কংগ্ৰেছৰ সভাপতি ছোনিয়া গান্ধী, সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ভদ্ৰা, প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ পত্নী গুৰচৰণ কৌৰক মহিলা কমাণ্ডোৰ নিৰাপত্তা প্ৰদানৰ কথা সেনাই বিবেচনা কৰিছে। ইমানদিনে দেশৰ ভি আই পিৰ নিৰাপত্তাত কেৱল পুৰুষক নিয়োগ কৰা হৈছিল, কিন্তু জানুৱাৰীৰ পৰা এই দায়িত্বত মহিলা কমাণ্ডোও নিয়োজিত হ'ব। দেশৰ প্ৰতিৰক্ষা আৰু সেনা বাহিনীত মহিলাই এইদৰে গুৰুত্ব লাভ কৰাটো আদৰণীয়।

এন ডি এত মহিলাৰ প্ৰথম প্ৰৱেশ যিদৰে দেশৰ সামৰিক ইতিহাসৰ এক নতুন অধ্যায়, একেদৰে 'জেড্' আৰু 'জেড্ প্লাছ' নিৰাপত্তা বাহিনীত মহিলা কমাণ্ডোৰ অন্তৰ্ভুক্তিকৰণো উল্লেখনীয় পদক্ষেপ; কিন্তু দেশৰ সামৰিক বাহিনীত মহিলাসকলে এই সুযোগ লাভ কৰিবলৈ স্বাধীনতাৰ পাছতো সাত দশক অপেক্ষা কৰিব লগা হ'ল। বিশেষকৈ এন ডি এত প্ৰৱেশৰ এই সুযোগ মহিলাসকলে ন্যায়ালয়ৰ হস্তক্ষেপতহে লাভ কৰিবলৈ সফল হ'ল। এন ডি এত মহিলাৰ প্ৰৱেশৰ অধিকাৰ দাবীৰে এখন আবেদন উচ্চতম ন্যায়ালয়ত দাখিল কৰা হৈছিল আৰু সৰ্বোচ্চ ন্যায়ালয়ে বিচাৰ চলাই দেশৰ মহিলাক এন ডি এৰ প্ৰৱেশ পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ অধিকাৰ প্ৰদান কৰিছিল। এই গোচৰৰ শুনানিৰ সময়ত মহিলাসকলক ইমানদিনে এন ডি এৰ পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ পৰা বঞ্চিত কৰি ৰখাৰ বাবে দেশৰ সেনা বাহিনীক উচ্চতম ন্যায়ালয়ে ভৰ্ৎসনাও কৰিছিল। আদালতৰ নিৰ্দেশৰ ভিত্তিতে যোৱা ১৪ নৱেম্বৰত এন ডি এৰ দ্বিতীয়টো প্ৰৱেশ পৰীক্ষা দেশজুৰি অনুষ্ঠিত হৈছিল আৰু প্ৰথমবাৰলৈ এই পৰীক্ষাত অৱতীৰ্ণ হৈ দেশৰ যুৱতীসকলে বিশেষ সফলতা লাভ কৰিলে। লিখিত পৰীক্ষাৰ পাছত এতিয়া নিয়োগ পৰ্বৰ বাবে সাক্ষাৎকাৰৰ জৰিয়তে প্ৰাৰ্থীৰ চূড়ান্ত নিৰ্বাচন কৰা হ'ব। এন ডি এৰ পৰীক্ষাত প্ৰথমবাৰতে ১.৭ লাখ যুৱতী প্ৰাৰ্থীয়ে অৱতীৰ্ণ হোৱাৰ প্ৰতি লক্ষ্য ৰাখিলেই বুজিব পাৰি আমাৰ দেশৰ যুৱতীসকলে সামৰিক সেৱা তথা দেশসেৱাৰ স'তে জড়িত হ'বলৈ কিমান আগ্ৰহী। আগন্তুক সময়ত যে এন ডি এৰ পৰীক্ষাত অংশ লোৱা যুৱতীৰ সংখ্যা অধিক বৃদ্ধি পাব, সেয়া সহজে অনুমেয়; কিন্তু দেশসেৱাৰ প্ৰতি অত্যুৎসাহী এইসকল যুৱতীক সুদীৰ্ঘ কাল এন ডি এত প্ৰৱেশৰ অধিকাৰৰ পৰা বঞ্চিত ৰখা হৈছিল।

আন সকলোবোৰ ক্ষেত্ৰৰ দৰে দেশৰ সামৰিক ক্ষেত্ৰখনতো মহিলাই সম অধিকাৰ লাভ কৰাটো এখন আধুনিক গণতান্ত্ৰিক ৰাষ্ট্ৰত অতি জৰুৰী। ন্যায়ালয়ৰ হস্তক্ষেপত হ'লেও মহিলাসকলে প্ৰতিৰক্ষা আৰু সেনা বিভাগত অৱশেষত পুৰুষৰ সমানে সুযোগ লাভৰ পথ প্ৰশস্ত হৈছে আৰু আশাৰ বতৰা এয়ে যে সুযোগ লাভ কৰা মহিলাসকলে ইতিমধ্যে দেশৰ প্ৰতিৰক্ষাত নিজৰ দক্ষতা আৰু যোগ্যতাৰ প্ৰমাণ দাঙি ধৰিছে। এন ডি এৰ প্ৰৱেশ পৰীক্ষাত প্ৰথমবাৰ অংশ লৈ মহিলা প্ৰাৰ্থীয়ে যিদৰে নিজৰ যোগ্যতাৰ প্ৰমাণ দিলে, তাৰ পৰাই বুজিব পাৰি যে সামৰিক ক্ষেত্ৰখনত নেতৃত্ব বহন কৰিবলৈ ভাৰতীয় নাৰী সকলো দিশৰে পৰা সক্ষম; প্ৰয়োজন মাথোঁ সুযোগৰহে।

# সাম্প্ৰতিক সময়ত বিদ্বৎ সমাজৰ ভূমিকা

## সন্ত্ৰাসবাদীৰ মনত গান্ধীবাদৰ স্থান নাই; বোমা-বাৰুদ, পিষ্টল-মেচিন গানৰহে চাহিদা

অলপতে বিশিষ্ট সমাজকৰ্মী ইৰম শৰ্মিলা চানুৱে সুধী সমাজলৈ আহ্বান জনাইছে, 'সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন, ১৯৫৮ (AFSPA) খনৰ বিৰুদ্ধে সংঘৱদ্ধভাৱে প্ৰত্যাহ্বান জনাবলৈ এয়াই উপযুক্ত সময়।' এটা সাক্ষাৎকাৰত তেওঁ আঙুলিয়াই দিছে যে নগালেণ্ডৰ 'মন' জিলাত ১৪ জনকৈ অসামৰিক লোক সশস্ত্ৰ বাহিনীৰ গুলিত নিহত হোৱাৰ পাছত উত্তৰ-পূৰ্বাঞ্চলৰ একাধিক ৰাজ্যই আইনখন প্ৰত্যাহাৰ কৰিবলৈ দাবী জনাইছে, একাংশ সচেতন নাগৰিকেও তালৈ সমৰ্থন দিছে। শৰ্মিলাই আৰু কৈছে, নিজৰ দেশৰ লোককে দমন কৰিবলৈ ৰচিত আইনখন চৰকাৰে বাতিল কৰিলেহে গণতন্ত্ৰৰ প্ৰকৃত প্ৰমূল্য ৰক্ষা পৰিব (ডি টাইমছ অৱ ইণ্ডিয়া, ২০/১২/২১)।

'আফস্পা'ৰ বিৰুদ্ধে শৰ্মিলাৰ এই স্থিতি নতুন নহয়। ২০০০ত পশ্চিম ইম্ফলৰ এখন গাঁৱত সেনাই দহজনকৈ নিৰীহ লোকক সন্ত্ৰাসবাদী বুলি সন্দেহ কৰি হত্যা কৰিছিল। তাৰে প্ৰতিবাদত তেওঁ আৰম্ভ কৰিছিল 'আফস্পা' বাতিলৰ দাবীত আমৰণ অনশন। বিশ্বৰ ভিতৰতে সুদীৰ্ঘ কালৰ অনশনকাৰীৰূপে তেওঁ অভিলেখ ৰচিলে। ২০১৬ত অনশন ভংগ কৰি শৰ্মিলাই ২০১৭ৰ বিধানসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিল, 'আফস্পা' বাতিলৰ বিষয়টো ৰাজনৈতিকভাৱে উত্থাপন কৰিবলৈ। পিছে নিৰ্বাচনত তেওঁ শোচনীয় পৰাজয় বৰণ কৰিবলগীয়াত পৰিল। তেতিয়াৰে পৰা ৰাজহুৱা জীৱন ত্যাগ কৰি শৰ্মিলা চানুৱে বাংগালুৰুত পৰিয়ালৰ স'তে সুখে-সন্তোষে বাস কৰি আছে।

মণিপুৰৰ জনগণে শৰ্মিলালৈ ৰাজনৈতিক সমৰ্থন নিদিলে কিয়? 'আফস্পা'ই সাধাৰণ লোকৰ জীৱন অসুৰক্ষিত কৰি তুলিছে সঁচা, কিন্তু ৰাজ্যখনত সন্ত্ৰাসবাদী কাৰ্যকলাপে শান্তিপ্ৰিয় নাগৰিকৰ জীৱন দুৰ্বিষহ কৰি তোলাটো বাস্তৱ সত্য। শৰ্মিলা চানু সৰুৰে পৰা গান্ধীবাদত বিশ্বাসী; কিন্তু সন্ত্ৰাসবাদীৰ মনত গান্ধীবাদৰ স্থান নাই; বোমা-বাৰুদ, পিষ্টল-মেচিন গানৰহে চাহিদা। তদুপৰি সন্ত্ৰাসবাদীহঁতক গণতান্ত্ৰিক প্ৰমূল্য আঁকোৱালি ল'বলৈ শৰ্মিলাই কোনো দিনে আহ্বান জনোৱা নাই। এতেকে শৰ্মিলাৰ দমনমূলক আইনখনৰ বিৰোধিতা প্ৰশংসনীয় হ'লেও সামাজিক শান্তি স্থাপনৰ দিশত তেওঁৰ উদ্যম অপ্ৰাসংগিক হৈয়েই ৰ'ল। কাৰণ তেওঁ সন্ত্ৰাসবাদীয়ে কৰা নিৰ্বিচাৰ হত্যা, অপহৰণ, বোমা বিস্ফোৰণ আদিৰ প্ৰতিবাদ কৰা নাই। তেওঁৰ কৃতিত্ব অনশনৰ অভিলেখতে সীমিত থাকিল।

বিগত ছটা দশকতকৈও অধিক কাল ধৰি ভাৰতৰ বিভিন্ন প্ৰান্তত 'অশান্ত অঞ্চল'ৰ পৰিস্থিতি চম্ভালিবলৈ 'আফস্পা'ৰ প্ৰয়োগ কৰি থকা হৈছে; আইনখনৰ বলত সুৰক্ষা বাহিনীৰ লোকে আতিশয্য চলোৱাৰ অলেখ উদাহৰণ আছে; সহস্ৰাধিক লোকৰ মৃত্যু ঘটা বুলিও বিভিন্ন প্ৰতিবেদনত প্ৰকাশ পাইছে। সেইবুলি চৰকাৰে 'আফস্পা' প্ৰত্যাহাৰ



কৰিব পাৰিব বুলি পোনছাটেই ক'ব নোৱাৰি। কাৰণ সন্ত্ৰাসবাদী কাৰ্যকলাপৰ অন্ত পৰা নাই।


মূলতঃ উত্তৰ-পূৰ্বাঞ্চলত নগা বিদ্ৰোহীৰ বিচ্ছিন্নতাবাদী কাৰ্যকলাপ প্ৰতিৰোধ কৰিবলৈকে ১৯৫৮ত তদানীন্তন নেহৰু চৰকাৰে 'আফস্পা' প্ৰণয়ন কৰিছিল। তাৰ পাছৰে পৰা ইখনৰ পাছত সিখন চৰকাৰে অন্যান্য প্ৰান্ততো সন্ত্ৰাসবাদী অধ্যুষিত অঞ্চলক 'উপদ্ৰুত অঞ্চল'ৰূপে চিহ্নিত কৰি আইনখন প্ৰণয়ন কৰি আহিছে। এইটো সঁচা যে বিদেশী আক্ৰমণকাৰীৰ বিৰুদ্ধে যুঁজিবলৈ গঠন কৰা বাহিনীটোৱে একাংশ বিচ্ছিন্নতাবাদী ভাৰতীয়ৰ বিৰুদ্ধে অস্ত্ৰ হাতত তুলি ল'বলগীয়াটো যথাৰ্থতে বেদনাদায়ক।

পিছে 'তোমালোকৰ ভৱিষ্যৎ সুৰক্ষিত ৰাখিবলৈ আমি আমাৰ বৰ্তমান উছৰ্গা কৰিবলৈ সংকল্পবদ্ধ' বহিনীটোৰ লোকক অসামৰিক আদালতৰ হস্তক্ষেপৰ পৰা মুক্ত ৰাখিবলৈ বিশেষ আইনৰ প্ৰয়োজন, সেইটোও অস্বীকাৰ কৰিব নোৱাৰি। অন্যথা সৈনিকসকলে হত্যাৰ অভিযোগত অভিযুক্ত হৈ জীৱনটো আদালতলৈ তাঁত-বাতি কাঢ়িয়েই কটাব লাগিব। তদুপৰি সেনাৰ বিৰুদ্ধে সাক্ষ্য দিবলৈ সাধাৰণ লোক গ'লেও সন্ত্ৰাসবাদীৰ বিৰুদ্ধে জবানবন্দী দিবলৈ কোনো নোলায়, সেইটো নিশ্চিত। এই প্ৰসংগতে উল্লেখযোগ্য যে 'মন'ত সংঘটিত হৃদয় বিদাৰক ঘটনাটোত নিহতসকলৰ অধিকাংশই আছিল সেনাৰ ছাউনীত আক্ৰমণ চলাবলৈ যোৱা লোক।

প্ৰশ্ন উঠে, এনে জটিল পৰিস্থিতিত বিদ্বৎ সমাজৰ ভূমিকা কি? নক'লেও হয় যে বিভিন্ন স্বাৰ্থ জড়িত মহলে একো একোটা পৰিস্থিতিৰ বিশ্লেষণ কৰে নিজস্ব লাভ-লোকচানৰ দৃষ্টিৰে। সাম্প্ৰতিক কালৰ সামাজিক-সাংস্কৃতিক স্থিতি যথাৰ্থতে জটিল; এনে অৱস্থাত বিদ্বৎ সমাজে পৰিস্থিতিৰ যথাযথ বিশ্লেষণ কৰি জনসাধাৰণক বাট দেখুওৱাৰ প্ৰয়াস চলাব পাৰে। শেহতীয়াকৈ সমাজত হিংসাৰ পৰিৱেশ গঢ়ি উঠিব লাগিছে সেইটোও লক্ষ্যণীয়। গণপ্ৰহাৰৰ ঘটনা ক্ৰমান্বয়ে বৃদ্ধি পাইছে। অথচ গণপ্ৰহাৰত লিপ্ত অপৰাধীৰ বিৰুদ্ধে আদালতত সাক্ষ্য দিবলৈ যোৱা লোকৰো অভাৱ।

অলপতে যোৰহাটৰ মাজ মজিয়াত সকলোৰে চকুৰ সন্মুখতে ছাত্ৰনেতা অনিমেষক বৃদ্ধ মাতাল লোক এজনে নিজৰ উদণ্ড পুত্ৰৰ হতুৱাই হত্যা কৰিলে। অথচ এতিয়া বাতৰি ওলাইছে, সাহসী সাক্ষীৰ অভাৱত মূল অভিযুক্ত সাৰি যাবও পাৰে; তাকে লৈ আছুৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল ভট্টাচাৰ্যই ক্ষোভ প্ৰকাশ কৰিও দাবী জনাইছে, আৰক্ষীয়ে অভিযুক্তৰ বিৰুদ্ধে পানী নসৰকা 'ছাৰ্জশ্বিট' দাখিল কৰিবই লাগিব। আৰক্ষীয়েও কৈছে— সাক্ষীৰ পৰিচয় গোপনে ৰখা হ'ব, সাক্ষ্যদানত ভয়ৰ কাৰণ নাই।

পিছে অপৰাধীৰ প্ৰতি ভয়ৰ ভাব সঞ্চাৰিত নোহোৱাকৈ থকা নাই। সেইবাবেই যোৰহাট গণপ্ৰহাৰৰ দুৰ্ধৰ্ষ খলনায়কজন আৰক্ষীৰ কবলৰ পৰা পলাবলৈ গৈ মৃত্যুমুখত পৰাত সকলোৱে স্বস্তিৰ নিশ্বাস এৰিছে। আনহাতে, মানৱাধিকাৰ আয়োগে ঘটনাটোৰ বাবে



**অৱলোকন**

**ড° জয়কান্ত শৰ্মা**

আৰক্ষীক জবাবদিহি কৰিছে। দুৰ্ভাৱনাৰ কাৰণটো হ'ল মানৱাধিকাৰ আয়োগ একপক্ষীয় বুলি সমাজত দৃঢ় ধাৰণাই খোপনি পুতিছে। অপৰাধীৰ দ্বাৰা মানৱাধিকাৰ উলংঘনৰ সন্দৰ্ভত আয়োগে কেতিয়াও উদ্বেগ প্ৰকাশ নকৰে। অলপতে মণিপুৰত নিযুক্ত সেনা বিষয়া এগৰাকীক ঘৰলৈ যোৱাৰ পথত পৰিয়ালসহ হত্যা কৰা হ'ল, তাকো অতি নিষ্ঠুৰভাৱে। ইয়াৰ বিৰুদ্ধে ক'তো কোনো প্ৰতিবাদ নহ'ল; মানৱাধিকাৰ আয়োগো মনে মনে থাকিল।

তাৎপৰ্যপূৰ্ণ যে এইবেলি ৰাষ্ট্ৰসংঘৰ অধিৱেশনতে ইজৰাইলৰ প্ৰতিনিধিগৰাকীয়ে মানৱাধিকাৰ আয়োগৰ একপক্ষীয় প্ৰতিবেদন ফালি প্ৰতিবাদ জনালে আৰু ক'লে মানৱাধিকাৰ আয়োগ সন্ত্ৰাসবাদীৰ অধিকাৰৰ সপক্ষেহে। এনে ধাৰণা আমাৰ সামূহিক জীৱনৰ বাবে যথাৰ্থতে বিপজ্জনক। আনহাতে, এচাম ৰাজনৈতিকভাৱে পক্ষপাতদুষ্ট বুদ্ধিজীৱীয়েও সামাজিক পৰিস্থিতি বিষাক্ত কৰি তুলিছে। উদাহৰণস্বৰূপে, গণপ্ৰহাৰৰ ঘটনাবোৰক তেওঁলোকে সাম্প্ৰদায়িক দৃষ্টিৰে বিশ্লেষণ কৰে। গণপ্ৰহাৰত মুছলমান লোক নিহত হ'লে তেওঁলোকৰ হিন্দুত্ববিৰোধী অপপ্ৰচাৰ তুংগত উঠে; কিন্তু হিন্দু লোক নিহত হ'লে তেওঁলোকৰ মাত নাথাকে। মহাৰাষ্ট্ৰৰ পালঘাটত তিনিজনকৈ সাধুক মাওবাদীয়ে আৰক্ষীৰ সন্মুখতে হানি-খুঁচি হত্যা কৰিছিল; সেই ঘটনাত এইসকল বুদ্ধিজীৱী উদাসীন হৈ ৰ'ল। বিদ্বৎ সমাজে এই পক্ষপাতদুষ্ট বুদ্ধিজীৱীসকলৰ ভূমিকা উদঙাই দিলে সমাজৰ মংগল হ'ব।

শেহতীয়াভাৱে বিভিন্ন প্ৰান্তত গণপ্ৰহাৰৰ ঘটনাই অতি বিভৎস ৰূপ ধাৰণ কৰিছে, সেইটো লক্ষ্যণীয়। উদ্বেগৰ কাৰণটো হ'ল, এই মনুষ্যত্বহীন পাশৱিক ঘটনাৰাজিত নেতাসকলৰ দৃষ্টিভংগী হৈছেগৈ সুবিধাবাদী আৰু বহুধা-বিভক্ত। উদাহৰণস্বৰূপে দিল্লীৰ প্ৰৱেশ পথ অৱৰোধ কৰি থকা একাংশ আন্দোলনকাৰী কৃষকে হেজাৰ হেজাৰ লোকৰ সমুখতে এজন দলিত যুৱকক তিলতিলকৈ হত্যা কৰিছিল; আনকি ঘটনাটোৰ ভিডিঅ' ৰেকৰ্ডিঙো প্ৰচাৰ কৰিছিল। পিছে 'অন্নদাতা'সকল অসন্তুষ্ট হ'ব বুলি ভাবিয়েই এই জঘন্য ঘটনাটোৱে বিশেষ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰা নাছিল। আইনে নিজৰ পথ ল'ব বুলি বিবৃতি দিয়েই মানৱতাবাদী বুদ্ধিজীৱীসকল ক্ষান্ত থাকিল।

**বিভিন্ন স্বাৰ্থ জড়িত মহলে একো একোটা পৰিস্থিতিৰ বিশ্লেষণ কৰে নিজস্ব লাভ-লোকচানৰ দৃষ্টিৰে। সাম্প্ৰতিক কালৰ সামাজিক-সাংস্কৃতিক স্থিতি যথাৰ্থতে জটিল; এনে অৱস্থাত বিদ্বৎ সমাজে পৰিস্থিতিৰ যথাযথ বিশ্লেষণ কৰি জনসাধাৰণক বাট দেখুওৱাৰ প্ৰয়াস চলাব পাৰে**

পিছে অনুৰূপ ঘটনাত আইনে নিজৰ পথ লোৱাটোও অনিশ্চিত হৈ পৰিছে পঞ্জাৱত। প্ৰথমতে অমৃতসৰৰ স্বৰ্ণ মন্দিৰৰ পৱিত্ৰতা নষ্ট কৰা অভিযোগত এজন যুৱকক মৰিয়াই হত্যা কৰা হ'ল, তাৰ পাছতে কাপুৰথলাৰ এটা গুৰুদ্বাৰতো একেই ঘটনাৰ পুনৰাবৃত্তি ঘটিল। উদ্বেগৰ কথাটো হ'ল, ৰাজ্যিক আৰক্ষীয়ে দুটাকৈ দলবদ্ধ হত্যাকাণ্ডৰ তদন্ত কৰিবলৈ হোঁহকা-পিছলা কৰাটো। তাতে আকৌ পঞ্জাৱ প্ৰদেশ কংগ্ৰেছৰ অধ্যক্ষ খোদ নৱজ্যোৎ সিদ্ধুৱেই আহ্বান জনাইছে। শিখ ধৰ্মৰ পৱিত্ৰতা বিনষ্ট কৰা দুষ্কৃতিকাৰীহঁতক তৎকালেই হত্যা কৰিবলৈ। এতেকে গণ প্ৰহাৰৰ বলি হোৱা দুৰ্ভগীয়া যুৱক দুজনে ন্যায় পোৱাৰ সম্ভাৱনা ক'ত?

কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে কৈছে, কেন্দ্ৰত ভাজপা চৰকাৰ গঠন হোৱাৰ পাছতহে দেশত গণপ্ৰহাৰৰ ঘটনাবোৰ ঘটিবলৈ লৈছে। পিছে দেশবাসীয়ে জানে, তেওঁৰ পিতৃ ৰাজীৱ গান্ধীয়েই আছিল গণপ্ৰহাৰ কাণ্ডৰ মুখ্য খলনায়ক। ১৯৮৪ত দুজন শিখ গা-ৰক্ষীৰ হাতত ইন্দিৰা গান্ধী নিহত হোৱাৰ পাছত উত্তৰ ভাৰতত শিখ নিধন অভিযানৰ সূত্ৰপাত হৈছিল, ৰাজধানী দিল্লী চহৰতে দুহেজাৰতকৈ অধিক লোকে গণপ্ৰহাৰত প্ৰাণ দিছিল। অথচ এই সন্দৰ্ভত কোনো অপৰাধীৰ বিৰুদ্ধে গোচৰ তৰা নহ'ল, ডাঙৰ গছ উভালি পৰিলে ওচৰৰ ভূমি কঁপিবই বুলি দিয়া ৰাজীৱ গান্ধীৰ মন্তব্যটোহে প্ৰাসংগিক হৈ থাকিল।

এনেবোৰ পৰিস্থিতিত বিদ্বৎ সমাজৰ কৰণীয় কি? প্ৰশ্নটো আহুকলীয়া। কাৰণ বিদ্বৎ সমাজ অসংগঠিত; আৰু তথাকথিত সামাজিক আন্দোলনবোৰৰ নেতৃত্ব সততে গ্ৰহণ কৰি আহিছে। ৰাজনৈতিক ক্ষমতাৰ আশাত বন্দী সামাজিক কৰ্মীসকলে। আমি ইৰম শৰ্মিলাৰ ৰাজনৈতিক অত্যুৎসাহ দেখিছো; আন্না হাজাৰে ভ্ৰষ্টাচাৰ বিৰোধী আন্দোলনৰ প্ৰধান সেনাপতি অৰবিন্দ কেজৰিৱালৰ কাৰ্যকলাপো দেখিলো। শেহতীয়াকৈ দিল্লী অৱৰোধকাৰী নৈৰাজ্যবাদী কৃষক নেতাসকলেও আগন্তুক পঞ্জাৱৰ বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ কঁকালত টঙালি বান্ধিছে।

'অসম চুক্তি' সম্পাদন কৰিয়েই আন্দোলনৰ নেতাসকলে ৰাজনৈতিক দল গঠন কৰিছিল ক্ষমতা হস্তগত কৰিবলৈ। সামাজিক আন্দোলনৰ নেতৃত্ব দিয়া ছাত্ৰনেতা সকলেই সময়ত ৰাজনৈতিক নেতা হৈ পৰে আৰু তাৰ পাছতে তেওঁলোকৰ সুৰ সলনি হয়। কৃষক নেতা অখিল গগৈৰ ৰাজনৈতিক গতিবিধি সকলোৱে প্ৰত্যক্ষ কৰিছে। সাধাৰণভাৱে অসমত 'কা-আন্দোলন' হৈ পৰিছে এচাম সামাজিক কৰ্মীৰ ৰাজনৈতিক উচ্চাকাংক্ষাৰ বাহন। এনে পৰিস্থিতিত অসংগঠিত বিদ্বৎ সমাজে কি ভূমিকা ল'ব পাৰে?

ৰাজনৈতিক প্ৰেক্ষাপটৰ পৰা দূৰত থাকি সামাজিক আন্দোলনৰ নেতৃত্ব দিয়াটো এটা কঠিন প্ৰত্যাহ্বান। তৎসত্ত্বেও বিদ্বৎ সমাজে সেই প্ৰত্যাহ্বানকে গ্ৰহণ কৰিব লাগিব। সামাজিক পৰিস্থিতি, দেশৰ অৰ্থনৈতিক গতিবিধি, চৰকাৰী কাম-কাজৰ নিৰপেক্ষ মূল্যায়ন, হিংসা-বিদ্বেষৰ পৰিৱেশ প্ৰতিৰোধ কৰাৰ বাবে জনমত গঠন আদিকে ধৰি বিভিন্ন প্ৰসংগত বিদ্বৎ সমাজে নিজস্ব স্থিতি গ্ৰহণ কৰাই নহয়, তেনে বিশ্লেষণাত্মক স্থিতিৰ যথাৰ্থতাও জনসাধাৰণৰ বাবে গ্ৰহণযোগ্য কৰি তুলিব পাৰে। ক'বলৈ গ'লে এইটোও একপ্ৰকাৰৰ জাতীয় দায়িত্ব।

*ফোন ঃ ৯৪৩৫৫-৫৪২০৫*

# উৎসৱৰ নামত আত্ম-প্ৰতাৰণা কিয়?

## মানুহ ভাল হ'লেহে সমাজ ভাল হয় আৰু সমাজ ভাল হ'লেহে মানুহ ভাল হয়

**ধনমণি দাস**

**আমাৰ** ব্যক্তিগত আৰু সামাজিক জীৱনৰ বিকাশ আৰু উত্তৰণৰ এক গুৰুত্বপূৰ্ণ দিশ উদ্‌যাপিত উৎসৱসমূহ। আৱহমান কালৰে পৰা উৎসৱসমূহেই বহু পৰিমাণে আমাক সংগঠিত আৰু একত্ৰিত কৰি ৰাখিছে। কিছুদিন পূৰ্বে সমগ্ৰ দেশবাসীয়ে পালন কৰা দীপাৱলী বা দ্বীপান্বিতাও তেনে এটি আকৰ্ষণীয় উৎসৱ। এই উৎসৱে অন্ধকাৰৰ বিৰুদ্ধে পোহৰৰ, বেয়াৰ বিৰুদ্ধে ভালৰ আৰু অজ্ঞানতাৰ বিৰুদ্ধে জ্ঞানৰ বিজয়ক প্ৰতিনিধিত্ব কৰে; কিন্তু এইখিনিতে পূৰ্বৰ ইতিহাসসমৃদ্ধ দীপাৱলী আৰু অতি-সাম্প্ৰতিক সময়ত পালন কৰা সৰ্বাধুনিক দীপাৱলী উদ্‌যাপন পদ্ধতিৰ মাজত এক বৃহৎ পাৰ্থক্য পৰিলক্ষিত হৈছে আৰু এই পাৰ্থক্যই শেহতীয়াকৈ জীৱশ্ৰেষ্ঠ মানৱৰ মানসিক চিন্তা-কৰ্মৰ সংকীৰ্ণতাকো প্ৰতিফলিত কৰি তুলিছে। ফটকা ফুটাই, মদ-জুৱাৰ আড্ডাৰে দীপাৱলী উদ্‌যাপন কৰাটো সম্প্ৰতি এক এৰাব নোৱাৰা পৰম্পৰালৈ পৰ্যৱসিত হৈছে। পূৰ্বৰ দৰে চাকি জ্বলাই পৱিত্ৰভাৱে এই উৎসৱ পালন কৰা লোক নাই বুলিলেও হয়। এই কথা নিঃসন্দেহে সত্য যে অতি সাম্প্ৰতিক সময়ত মানৱ জাতি জলবায়ু পৰিৱৰ্তন, প্ৰদূষণ, বনাঞ্চল সংকটৰ দৰে যি দুৰ্লংঘ্য কঠিন সমস্যাৰ সন্মুখীন হৈছে তাত দীপাৱলীৰ সময়ছোৱাত ফুটোৱা ফটকাজাতীয় বস্তুবোৰে অতি ভয়াবহভাৱে গভীৰ প্ৰভাৱ পেলাই আহিছে। তদুপৰি ফটকাৰ শব্দৰ তীব্ৰতাত নিৰীহ পশু-পক্ষী, জীৱ-জন্তুবোৰে সীমাহীন সংকটৰ সন্মুখীন হোৱাটো মানুহৰ তৰল চিন্তাই ঢুকি নোপোৱাটোও অতি লজ্জাজনক। এইধৰণে বাঢ়ি অহা প্ৰৱণতাই পৃথিৱীৰ এক সংশয়পূৰ্ণ ভৱিষ্যতৰ উমান দিয়া দিয়া যেন বোধ হয়। যোৱা কিছু বছৰৰ পৰা প্ৰতিবাৰে মহামান্য ন্যায়ালয়, সচেতন সমাজে প্ৰদূষণমুক্ত দীপাৱলী উদযাপনৰ বাবে যি পৰামৰ্শ আৰু আহ্বান জনাই আহিছে তাক সমূলি নস্যাৎ কৰিছে ভাৰতীয়সকলে বিশেষকৈ ধনবান মানুহখিনিয়ে নিজ ধনবলৰ প্ৰদৰ্শনেৰে ইয়াক বাৰে বাৰে উদগনি যোগাই আহিছে বুলি ক'লেও ভুল কোৱা নহ'ব। ইয়াকে দেখি দেশৰ অৱস্থাহীন মানুহবোৰে হুমুনিয়াহ কাঢ়িছে। হীনমান্যতাত ভুগিছে আৰু এনেদৰেই শ্ৰেণী বিভাজনৰ ধাৰণাৰো সৃষ্টি হৈছে।


অন্য এক চিন্তনীয় বিষয় এই যে দীপাৱলী উদ্‌যাপনৰ অচিলাৰে অসমৰ গ্ৰামাঞ্চলৰ প্ৰায়বোৰ ঠাইতে জুৱাখেলৰ দৰে অশুভ পৰম্পৰাই খোপনি পুতি আমাৰ সুস্থ জন-জীৱনক ক্ৰমাগতভাৱে অসুস্থ কৰি তুলিছে। এটা বংশগত ৰোগ সদৃশৰ দৰে ক্ৰমান্বয়ে বিয়পি গৈ প্ৰতিটো প্ৰজন্মকে আগ্ৰাসন কৰা এই অসামাজিক কাৰ্যই এতিয়া সুস্থ গ্ৰাম্য সমাজখনৰ মাজতো মেলি দিছে অসুস্থতাৰ পোহাৰ; কিন্তু পৰিতাপৰ কথা যে এই অশুভ পৰম্পৰাৰ ধাৰাবাহিকতাক সমূলি নাইকিয়া কৰাৰ বাবে আগবাঢ়ি আহি দায়িত্ব লোৱাৰ ক্ষেত্ৰত আমাৰ সমাজৰে সচেতন নাগৰিক, সমাজ, সংগঠনবোৰৰ যেনেধৰণৰ ভূমিকা হোৱা উচিত, সেয়া পুতৌজনকভাৱে অদৃশ্য। গ্ৰামাঞ্চলৰ কিছুমান মানুহৰ মনচক্ষু এতিয়াও কিয় মুকলি হোৱা নাই বুলি যদি প্ৰশ্ন কৰো তেন্তে তাৰ উত্তৰ! বাবে দীপাৱলীৰ দিনকেইটাই যথেষ্ট হ'ব। দীপাৱলীৰ দৰে পৱিত্ৰ উৎসৱ পালনৰ অচিলাৰে গাঁৱৰ চ'কবোৰত ডেকাবোৰৰ লগতে সৰু সৰু ল'ৰাবোৰে মুক্তভাৱে জুৱাখেল পতা আৰু জুমবান্ধি গাঁৱৰে জ্যেষ্ঠসকলে তাক চাই থকা কাৰ্য এটা সাধাৰণ কথাত পৰিণত হৈছে। এয়া অতিকৈ লজ্জাজনক আৰু গৰিহণাযোগ্য।

মানুহ ভাল হ'লেহে সমাজ ভাল হয় আৰু সমাজ ভাল হ'লেহে মানুহ ভাল হয়। আমাৰ আপোন সমাজখনক ভুলৰ পৰা ভাললৈ উত্তৰণ ঘটোৱাটো সমাজৰ প্ৰত্যেকৰে এটা পৱিত্ৰ কৰ্তব্যবোধ বুলি বিবেচনা কৰি সকলোৱে সন্মিলিতভাৱে এই ব্যৱস্থাৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিলেহে সমাজখন সকলো দিশেৰে সজ আৰু সভ্য হৈ পৰিব। জুৱাৰ দৰে দুষ্কাৰ্যৰ লগত জড়িত প্ৰতিজনে উপলব্ধি কৰা উচিত যে আমাৰ সভ্যতা-সংস্কৃতিৰ অগ্ৰগতিৰ সন্মুখত এই অপসংস্কৃতি গতিৰোধসদৃশ। নৱ প্ৰজন্মৰ বাবে বৰ্তমান-ভৱিষ্যতৰ একোখন অমলিন পৃথিৱীৰ স্বাৰ্থত, দেশৰ মহান পুৰাতন ঐতিহ্যক জীপাল কৰি ৰখাৰ কৰ্তব্যৰ আহ্বানতেই এই অশুভ পৰম্পৰাৰ বিলুপ্তিৰ ঘটাবলৈ জাগি উঠিব লাগিব অন্য এক জন-সাংস্কৃতিক চেতনাবোধ, যি চেতনাবোধৰ প্ৰভাৱত আমাৰ আত্ম-প্ৰতাৰণাৰ যতি পৰিব।

ফোন ঃ ৬০০০৮৭০৮২৬

**খোলা মঞ্চ**

# অসমীয়া ভাষাৰ অস্তিত্বৰ সংকট এতিয়াও আছেনে ?



**প্ৰমোদ কাকতি,** *লেখক*

**অসমীয়া** ভাষাৰ ইতিহাস আৰম্ভ হোৱাৰ পৰাই সময়ে সময়ে ভাবুকি বা প্ৰত্যাহ্বানৰ সন্মুখীন হৈ আহিছে। চৰ্যাপদৰ মীননাথ, সৰহপা, লুইপাদ নাগাৰ্জুন, মৎস্যেন্দ্ৰনাথ আদি কবিকুল পুৰণি কামৰূপত বুলি তথ্য থকাৰ পাছতো বংগীয় মূলৰ বুলি দশম শতিকাত অসমীয়া ভাষাৰ প্ৰতি যি দ্ৰোহ আচৰা হ'ল সি আৰু বন্ধ নহ'ল। অসমৰ শাসনভাৰ ইংৰাজৰ হাতলৈ যোৱাৰ পাছত চৰকাৰী কাৰ্যালয়, কাছাৰী চলাবৰ অৰ্থে বংগদেশৰ পৰা বাঙালী কেৰাণী-মহৰী আদি আমদানি কৰে। কলমটোৰ স'তে ভাষাৰ টোপোলাটিও বুকুত সাবটি অনা এচাম চতুৰ বাঙালীয়ে কুচক্ৰান্ত কৰি ব্ৰিটিছ শাসনকৰ্তাক বুজালে যে অসমত অসমীয়া বুলি কোৱা ভাষাটো বাঙালীৰে অপভ্ৰংশ মাত্ৰ আৰু সেয়ে কাৰ্যালয় আদালতত বাঙালী ভাষা প্ৰৱৰ্তিত হ'লে কামত সুচল হ'ব। সেয়ে ১৮৩৬ত অসমত অসমীয়া ভাষাৰ সলনি বাংলা ভাষা প্ৰয়োগ কৰা হয়। প্ৰায় দুকুৰি বছৰ পাছতহে আনন্দৰাম ঢেকীয়াল ফুকন আদি এদল সাহসী অসমীয়াৰ অক্লান্ত চেষ্টাৰ ফলত ১৮৭৩ত অসমীয়া ভাষা অসমত পুনৰ প্ৰৱৰ্তন কৰা হয়।

খ্ৰীষ্টান মিছনাৰীসকলে তেওঁলোকৰ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰাৰ্থে অসমত (শিৱসাগৰত) আখৰ ছপাশাল পাতি ১৮৪৬ত অৰুণোদই বাতৰি কাকতৰ যোগেদি এচাম লিখক সৃষ্টি কৰে। তেওঁলোকৰ যত্নতে অসমীয়া স্কুল, পাঠ্যপুথি আদি উপলব্ধ হয়। নাথান ব্ৰাউনে ১৮৪৮ত অসমীয়া ভাষাৰ ব্যাকৰণ, ১৮৬৮ত অসমীয়া অভিধান সংকলন কৰে। তেনেদৰে হেমচন্দ্ৰ বৰুৱায়ো ১৮৫৯ত অসমীয়া ব্যাকৰণ আৰু ১৮৯৪ত হেমকোষ প্ৰণয়ন কৰে। সেয়ে অসমীয়া ভাষাটোৱে ভাষাৰ সম্পূৰ্ণ মৰ্যাদা লাভ কৰিবলৈ সক্ষম হয়।

এনেদৰে অসমীয়া ভাষা আৰু সাহিত্যৰ জগতত নৱজাগৰণৰ সুচনা হয়। উচ্চ শিক্ষাৰ্থে কলিকতা অভিমুখী এদল অসমীয়া ডেকাই প্ৰথমে তাত ১৮৭২ত সাহিত্য চ'ৰা এটা স্থাপন কৰে আৰু তাকেই বহল অৰ্থত ১৮৮৮ত অসমীয়া ভাষা উন্নতি সাধিনী সভা নামেৰে ভাষা জননীৰ সেৱাৰ কেন্দ্ৰ এটা স্থাপন কৰে। তেওঁলোকে মহান উদ্দেশ্য আগত ৰাখি পাঠ্যপুথিৰ অভাৱ দূৰ কৰা আৰু সাহিত্যৰ বিভিন্ন দিশত সৃষ্টিশীল আৰু আলোচনা সাহিত্য ৰচনা কৰাত একাণপতীয়াকৈ লাগে। তাৰ ফলশ্ৰুতিতে ১৮৮৯ত চন্দ্ৰকুমাৰ আগৰৱালাৰ উদ্যোগ আৰু সম্পাদনাত জোনাকী, পদ্মনাথ গোহাঞি বৰুৱাৰ সম্পাদনাত ১৮৯০ত বিজুলী আৰু ১৯০৭ত ঊষা, লক্ষ্মীনাথ বেজবৰুৱাৰ সম্পাদনাত ১৯১০ত বাঁহী আদি আলোচনী আৰু ১৮৮২ত হেমচন্দ্ৰ বৰুৱাৰ সম্পাদনাত 'আসাম নিউজ আৰু একে চনতে গুণাভিৰাম বৰুৱাৰ সম্পাদনাত আসাম বন্ধুৰ জৰিয়তে অসমীয়া ভাষা আৰু সাহিত্যৰ বিভিন্ন দিশ বিকাশত অগ্ৰণী ভূমিকা লোৱা দেখা যায়।

১৯৪৭ত ভাৰত স্বাধীন হ'ল। ভাৰতৰ অন্যান্য প্ৰদেশৰ ৰাজ্যিক ভাষা সমূহৰ লগতে ১৯৬০ত অসমেও ৰাজ্যিক ভাষাৰ সংবিধানিক স্বীকৃতি লাভ কৰিলে। ইয়াৰ পাছত অসমীয়া-বাঙালীৰ মাজত ভাষাক লৈ সংঘাত আৰম্ভ হয়। ভাষা আন্দোলনৰ ধামমুখীয়াত ১৯৬২ত কলিকতাত উগ্ৰ বাঙালী এদলৰ দ্বাৰা সূৰ্য বৰা আৰু গুৱাহাটীৰ ছাত্ৰ ৰঞ্জিৎ বৰপূজাৰীক পুলিচৰ গুলিৰ দ্বাৰা হত্যা কৰা হয়। অসমৰ ভাষা জননীৰ প্ৰাণ প্ৰতিষ্ঠাৰ হকে ইয়াৰ পাছতো মাধ্যম আন্দোলনৰ ভৰপকত ১৯৭২ত খাৰুপেটীয়াত ফুলকোমলীয়া মোজাম্মিল হক আৰু হোজাইত ছাত্ৰ অনিল বৰাই অসম বিদ্বেষী উগ্ৰ বাঙালী আততায়ীৰ হাতত প্ৰাণ বিষৰ্জন দিব লগা হয়। অকল সেয়াই নহয় অসমৰ বুকুৰে অসমৰ বায়ু-পানী খাদ্য খাই অসমীয়া ভাষাৰ দ্ৰোহ আচৰা উগ্ৰ বাঙালী প্ৰদীপ দত্ত ৰায়ে আজিও ৰাজ্যভাষা অসমীয়াৰ প্ৰচাৰত হাতে-কামে বাধা দি আছে।

পিছে শত বাধা আহিলেও অসমীয়া ভাষাই আজি জগত সভাত স্থান লাভ কৰিবলৈ সক্ষম হৈছে। ভাষালৈ সংকট আহিছে বুলি এলেহুৱা অনাগ্ৰহী আৰু অদূৰদৰ্শীজনেহে মিছাই আনক নিৰুৎসাহিত কৰাৰ বৃথা চেষ্টা কৰাৰ সকাম নাই। অসমীয়া ভাষা জগত সভাত দৃঢ়ভাৱে প্ৰতিষ্ঠা লাভ কৰক। জয়তু ভাষা জননী।

ফোন ঃ ৯৪৩৫৫৫৮০১৩

# গ্ৰন্থমেলাৰ সুবাস বিচাৰি

**আলোকপাত**



**গোপাল জালান**

**If** you want your children to be intelligent, Read them fairy tales. If you want them to be more intelligent, read them more fairy tales. প্ৰখ্যাত বিজ্ঞানী এলবাৰ্ট আইনষ্টাইনে শিশু-মনৰ কথা উপলব্ধি কৰিয়েই এনেদৰে মন্তব্য কৰিছিল। কাৰণ শিশুসকলক সাধুকথাৰ জৰিয়তেহে শিক্ষাৰ জগতখনৰ দুৱাৰ মেলিব পাৰি। হয়তো সেইবাবেই পৃথিৱীত শিশু সাহিত্যৰ ওপৰত সৰ্বাধিক গ্ৰন্থ ৰচনা কৰা হৈছে। জাৰ্মানীৰ জ'হানেছ গুটেইনবাৰ্গেই এদিন মানৱ জাতিক শিক্ষাৰ ক্ষেত্ৰত এখোজ আগুৱাই যোৱাৰ ক্ষেত্ৰত সহায় কৰিছিল ছপাযন্ত্ৰ আৱিষ্কাৰেৰে। ছপাযন্ত্ৰ আৱিষ্কাৰৰ পাছত বিশ্ববাসীয়ে উপলব্ধি কৰিব পাৰিলে ছপা মাধ্যমৰ গুৰুত্ব। ইয়াৰ পাছত পৃথিৱীৰ সকলো দেশতে গ্ৰন্থ প্ৰকাশৰ জাগৰণ হ'বলৈ ধৰে। আধুনিক সমাজখনে গ্ৰন্থ বিক্ৰী কেন্দ্ৰৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিলে। ১৯৪৯ত জাৰ্মানীৰ ফ্ৰেংকফুটত আধুনিক বিশ্বৰ প্ৰথমখন গ্ৰন্থমেলা অনুষ্ঠিত হোৱাৰ পাছত বিশ্বৰ বিভিন্ন দেশত এনে মেলা অনুষ্ঠিত কৰিবলৈ বহুতেই আগ্ৰহী হ'ল। ভাৰতৰ আন ৰাজ্যৰ দৰে অসমতো ১৯৮ত প্ৰকাশন পৰিষদে নেচনেল বুক ট্ৰাষ্ট অৱ ইণ্ডিয়াৰ সহযোগত গ্ৰন্থমেলাৰ সূচনা কৰাৰ পাছত অসমতো গ্ৰন্থ আন্দোলনে গতি লাভ কৰে।

গ্ৰন্থমেলাৰ আয়োজন কিমান গুৰুত্বপূৰ্ণ সেয়া দোহৰাৰ প্ৰয়োজন নাই। পাঠকে মনে বিচৰা কিতাপখনেই যে গ্ৰন্থমেলালৈ বিচাৰি যায় তেনে নহয়, গ্ৰন্থৰাজিৰ লেখক-লেখিকাৰ বিষয়ে জানিবলৈও যায়। শেহতীয়াভাৱে লেখক-লেখিকাৰ গ্ৰন্থসমূহৰ লেখাৰ ধাৰা কেনেকুৱা হৈছে সেই বিষয়ে জানিবলৈ এখন কিতাপ পঢ়িলেই যথেষ্ট নহয়, ইয়াৰ বাবে প্ৰয়োজন একেলগে গ্ৰন্থ প্ৰত্যক্ষ কৰি তুলনাৰ জৰিয়তে নিৰ্বাচন কৰাৰ। এখন কিতাপৰ দোকানত থকা কিতাপখিনিৰেই আধুনিক সাহিত্যৰ সাহিত্যিক তথা লেখক-লেখিকাৰ লেখাৰ ধাৰাৰ বিষয়ে জনাটো সম্ভৱ নহয়। ৰামায়ণৰ সৃষ্টিৰ পাছত কাব্যগ্ৰন্থ ৰচনাৰ ধাৰা পৰৱৰ্তী সময়ত কেনেদৰে সলনি হ'ল সেই বিষয়ে জানিবলৈ গভীৰ অধ্যয়নৰ প্ৰয়োজন। পিছে এতিয়া গ্ৰন্থমেলাসমূহত তুলনামূলক গ্ৰন্থৰ প্ৰকাশ তথা তুলনামূলক সাহিত্য আদিৰ বিষয়ে জ্ঞান লাভ কৰাত সহায় হয়। সকলো ব্যক্তিয়ে প্ৰতিখন কিতাপেই ক্ৰয় কৰাটো সম্ভৱ বুলি ক'ব নোৱাৰি। এনে কিছু লোক আছে— যিসকলে গ্ৰন্থ ক্ৰয়ৰ বাবে চেষ্টা চলায় যদিও অৰ্থাভাৱত সম্ভৱ কৰিব নোৱাৰে। এনে লোকৰ বাবেও গ্ৰন্থমেলাই আশাৰ সঞ্চাৰ কৰে। গ্ৰন্থ ক্ৰয় কৰিব নোৱাৰিলেও একেলগে হাজাৰ হাজাৰ কিতাপ হাতেৰে স্পৰ্শ কৰিব পৰাটোও সৌভাগ্য বুলি ক'ব পাৰি। কিতাপ অধ্যয়নৰ সমানেই গুৰুত্বপূৰ্ণ গ্ৰন্থৰ নাম আৰু লেখকৰ বিষয়ে জানিব পৰাটোও জ্ঞান আহৰণৰ সহায়।



গ্ৰন্থমেলালৈ এচাম লোক যায় সময় অতিবাহিত কৰিবলৈ। এনে লোকৰো প্ৰয়োজন আছে। কাৰণ এনে লোকে গ্ৰন্থ কিনিবলৈ নগ'লেও তেওঁৰ লগত যোৱাজনে এখন গ্ৰন্থ ক্ৰয় কৰিলেও সেয়া আয়োজকসকলৰ সাফল্যৰ হিচাপত অন্তৰ্ভুক্ত হয়। আন একাংশ লোক দেখাক দেখি যায়। এনে লোকৰ পৰাও লাভ হয়। প্ৰথমতে আনে কিতাপ ক্ৰয় কৰা দেখিলে তেনেধৰণৰ কিতাপৰ মোল নুবুজাকৈয়ে ক্ৰয়ৰ বাবে আগবাঢ়ি আহে। এনেদৰে কিতাপ ক্ৰয় কৰা লোকৰ সংখ্যাও কম বুলি ক'ব নোৱাৰি। আজিকালি সৰু সৰু ঠাইবোৰতো গ্ৰন্থমেলা অনুষ্ঠিত হ'বলৈ ধৰিছে। স্থানীয়ভাৱেও কিছুমান অনুষ্ঠান, সংঘ, স্বেচ্ছাসেৱী সংগঠনেও গ্ৰন্থমেলাৰ আয়োজন কৰিবলৈ আগবাঢ়ি আহিছে। ফলত একেবাৰে অনগ্ৰসৰ অঞ্চল একোটাৰ লোকেও গ্ৰন্থৰ সুবাস পাবলৈ সক্ষম হৈছে। এনে অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ মাজত গ্ৰন্থ অধ্যয়নৰ আন্দোলনৰ ঢৌ অলপ হ'লেও উঠিছে। এয়া এক ইতিবাচক পদক্ষেপ বুলিয়েই ক'ব লাগিব। এনেবোৰ অঞ্চলত আয়োজিত গ্ৰন্থমেলাত কিতাপৰ বিক্ৰী কিমান হৈছে সেয়া ডাঙৰ কথা নহয়। সবাতোকৈ গুৰুত্বপূৰ্ণ বিষয়টো এয়ে যে ইয়াত অনুষ্ঠিত গ্ৰন্থমেলাৰ জৰিয়তে গ্ৰন্থপ্ৰেমীসকলে আন এখন জগতৰ স'তে চিনাকি হ'বলৈ সুযোগ পায়। ফলত পুৰণিকলীয়া দৃষ্টিভংগীৰ পৰা নিজক আঁতৰাই ৰাখিবলৈ সক্ষম হয়।

গ্ৰন্থমেলাত কেৱল গ্ৰন্থকে সজাই থ'ব এনে নহয়। গ্ৰন্থমেলাৰ চৌহদত দৰ্শকৰ উপস্থিতি বৃদ্ধি কৰিবলৈ আকৰ্ষণীয় অনুষ্ঠান বিশেষকৈ সংগীত, নানা ধৰণৰ প্ৰতিযোগিতা, সাহিত্য সম্পৰ্কীয় প্ৰশ্ন আদি উপস্থাপন কৰিব লাগিব। তদুপৰি প্ৰচাৰো ব্যাপক হ'ব লাগিব। কেইখনমান বেনাৰ আঁৰিলেই প্ৰচাৰৰ দায়িত্ব শেষ হোৱা বুলি ভবাৰ সময় এতিয়া নাই। সামাজিক মাধ্যম আদিৰ জৰিয়তে এনেধৰণৰ গ্ৰন্থমেলাৰ বিষয়ে ব্যাপক প্ৰচাৰ চলালেও সুফল পোৱা যায়। এইক্ষেত্ৰত আয়োজকসকলৰ পদক্ষেপ শক্তিশালী হ'বই লাগিব। যিমানেই প্ৰচাৰ চলিব সিমানেই বিভিন্ন অঞ্চলৰ লোক গ্ৰন্থ আন্দোলনত জঁপিয়াই পৰিব। এনেদৰে সফল হ'বই গ্ৰন্থমেলা।

*ফোন ঃ ৯৪৩৫১-০৩৯৭৭*



### বৰদিন উপলক্ষে

# ক্ৰাইষ্ট বাহক ক্ৰিষ্টোফাৰ

**‘ক্ৰিষ্টোফাৰ দিৱস’। ক্ৰিষ্টোফাৰ চেণ্ট হ’ল সকলো দুৰ্যোগৰ নিৰ্মূলকৰ্তা, ৰক্ষাকৰ্তা। দুৰ্যোগপূৰ্ণ নদী, পাহাৰ, বন সকলোতে স্মৰণ কৰা হয় ক্ৰিষ্টোফাৰক**

**অনিতা গোস্বামী**

**কাঠৰ** ক্ৰুছৰ দুটি বাহুত, দুখন হাত প্ৰসাৰিত, ৰক্তাক্ত বক্ষমূল, মূৰত কাঁইটৰ মুকুট— ক্ৰাইষ্ট যীশুৰ এই প্ৰতিমূৰ্তি আৰু ছবিৰ স’তে মানুহৰ ঘনিষ্ঠ পৰিচয়। বহুতো গিৰ্জা, সংগ্ৰহশালাত ত্ৰাণকৰ্তা যীশুৰ নানা প্ৰতিমূৰ্তি আৰু চিত্ৰ দেখিবলৈ পোৱা যায়। বালক যীশুৰ প্ৰতিমূৰ্তিক দেখা পোৱা যায় ইউৰোপৰ বেচ কেইখনমান ঠাইৰ গিৰ্জাত। চীন, ফিলিপিন প্ৰভৃতি দেশতো যীশুৰ বালক প্ৰতিমূৰ্তিত যীশুপ্ৰেমীসকলে ভজন কৰি থাকে।

ফ্ৰান্স, স্পেন, ইটালিৰ চেণ্ট যথাক্ৰমে বাৰ্ণাড, ফান্সিছ, এণ্টনি— এওঁলোক আছিল বালক যীশুৰ মহিমাৰ প্ৰতি বিশেষভাৱে আকৃষ্ট। স্পেনৰ অ্যাভিনা স্থানটো সন্ন্যাসিনী টেৰেচাৰ বাবে প্ৰসিদ্ধ। ষোড়শ শতকৰ এই সন্ন্যাসিনীৰ নামৰ স’তে সাঙুৰি আছে প্ৰাগৰ এক চাৰ্চৰ বালক শিশুৰ মূৰ্তি। ইনফ্যণ্ট কিং, এননিনো, ব্যাম্বিনো, ইত্যাৰাৰ আদি নামো বালক যীশুৰ। এই সকলোবোৰ নামেই শিশু বা শিশুৰজা— এই অৰ্থ সূচনা কৰে। প্ৰাগৰ যীশুৰ বালক মূৰ্তিৰ অলৌকিক কৃপাত বিশ্বাসী ভক্তসকলে দৌৰি আহে ইয়ালৈ দূৰ দূৰান্তৰৰ পৰা। চেণ্ট টেৰেচাই এটা মূৰ্তি উপহাৰ সামগ্ৰী হিচাপে পাইছিল। ইয়াৰ স্ৰষ্টা হ’ল এক ধৰ্মপ্ৰাণ যাজক। উপহাৰ হিচাপে এই মূৰ্তিটো বাৰে বাৰে হাত আৰু স্থান বদলি ঘটিছে। সন্ন্যাসিনী টেৰেচাৰ পথগামী খ্ৰীষ্ট ধৰ্মীয় সম্প্ৰদায় প্ৰাগ এলে ইয়াক প্ৰাগৰ গিৰ্জাত স্থান দিছিল। ১৬১৮ৰ পৰা ১৬৪৮ পৰ্যন্ত দীৰ্ঘ এই ৩০ বছৰ সময় প্ৰাগত চলিছিল ক্যাথলিক প্ৰটেষ্টাণ্ট বিৰোধী। এই সময়ছোৱাত মূৰ্তিটো বিধ্বস্ত হৈ হাতভঙা অৱস্থাত বহু বছৰ ধৰি এই স্থানত পৰি আছিল।

এই বালক মূৰ্তিটোৰ ৪৭ ছেণ্টিমিটাৰ অৰ্থাৎ ডেৰ ফুট উচ্চতা। ই কাঠ আৰু মমজাতীয় পদাৰ্থৰে তৈয়াৰী। বাওঁ হাতত আছে গোলক আৰু সোঁহাতত আছে উদ্যত আশিসদান। মূৰত আছে ‘টাযৰা’ যিটো হ’ল ৰাজপ্ৰতীক, বিশ্বাসৰ চিহ্ন।

বালক যীশুৰ কাহিনী বহুতো গল্প আৰু কিংবদন্তীত পোৱা যায়। জাৰ্মান ধৰ্মসাজক উইনফ্ৰেণ্ডে গভীৰ অৰণ্যত এডাল ওক গছৰ তলত ৰচিৰে বন্ধা অৱস্থাত এজন অসহায় বালকক দেখিবলৈ পাইছিল। বালকজন আছিল ‘হাৰ’ দেৱতাৰ উদ্দেশ্যে বলিপ্ৰদত্ত। ওকবৃক্ষৰ লগতে সেই ঠাইত জন্ম পাইছিল এক অপূৰ্ব ফাৰগছ। সেই বালক যে ক্ৰাইষ্ট যীশু সেই সম্বন্ধে নিশ্চিত হৈছিল যাজক উইনফ্ৰেড। অস্কাৰ ওৱাইল্ডৰ গল্পত স্বাৰ্থপৰ দৈত্যৰ বাগানত বালক যীশু আহিছিল কাঠৰ ক্ৰুছত আহত আৰু ভৰিৰ ক্ষতচিহ্নসহ। আৰু লগতে কৈছিল— 'These are the wonds of love'

বালক যীশুৰ এক বিশেষ কিংবদন্তি পোৱা যায় ইউৰোপৰ খ্ৰীষ্ট বিশ্বাসী মানুহৰ মাজত। কিন্তু ইতিহাসত ইয়াৰ বিষয়ে খুব কমেইহে পোৱা যায়। এই কিংবদন্তি স’তে জড়িত হৈ আছে খ্ৰীষ্টীয় তৃতীয় শতকৰ এক প্ৰবল পৰাক্ৰমী পুৰুষৰ নাম। কিংবদন্তিখ্যাত এই পুৰুষজনৰ নাম আছিল ক্ৰিষ্টোফাৰ। লেটিন আৰু গ্ৰীকত ক্ৰিষ্টোফাৰ শব্দটোৰ অৰ্থ হ’ল ক্ৰাইষ্ট বিয়াৰাৰ অথবা ক্ৰাইষ্টবাহক। প্ৰবাদ আছে এছিয়া মাইনৰৰ কোনো এক ঠাইত ক্ৰিষ্টোফাৰৰ জন্ম হৈছিল। তেওঁৰ পূৰ্বনাম আছিল কিন্তু বহুতো। তাৰ ভিতৰত ‘ওফেৰো’ নামেৰে বিশেষভাৱে তেওঁ পৰিচিত। তৎকালীন ৰোমৰ বজাৰ অধীনৰ মেলাদনত তেওঁ কাম কৰিছিল। তেওঁ আছিল যথেষ্ট শক্তিশালী আৰু সাহসী। অজানা তথ্যৰ সন্ধানত তেওঁ দূৰৰ পৰা দূৰলৈ ঘূৰি ফুৰিছিল। তেওঁ কিন্তু সাধাৰণ মানুহৰ দৰে ৰোমান দেৱতাৰ পূজা-অৰ্চনা অথবা নামগান কৰা নাছিল। দীনদৰিদ্ৰ সকলৰ সেৱা-শুশ্ৰূষা কৰিবলৈহে তেওঁ ভাল পাইছিল। এনেদৰে ঘূৰি ফুৰোতে এক অজান ঠাইত খৰস্ৰোতা এক নদীৰ পাৰত এদিন তেওঁ মানৱ দৰদী এজন সন্ন্যাসীক দেখিবলৈ পায়। দেখা পাইছিল সন্ন্যাসীয়ে পৰম যত্নেৰে অন্ধ, খোড়া আৰু শিশুসকলক নদী পাৰ হোৱাত সহায় কৰি আছে। নদীৰ ভয়াবহ সোঁত , গহ্বৰ— এই সকলোবোৰৰ বিষয়ে তেওঁৰ আছিল যথেষ্ট জ্ঞান। সেই জ্ঞানৰ সহায়ত তেওঁ একান্তমনে কৰি গৈছে নিজৰ কাম। ওফেৰোৱে গৈ তেওঁক লগ ধৰিলে। সন্ন্যাসীয়ে ওফেৰোকো শুনাইছিল মানৱ ধৰ্মৰ বাণী। যথাৰ্থ মানৱ ধৰ্মৰ বাণী শুনি ওফেৰো অভিভূত হয়। তাৰ পাছত সন্ন্যাসীৰ আৱৰ্তমানত ওফেৰোই নিজেই মানুহক নদী পাৰ কৰোৱাৰ কাম কৰিবলৈ লয়। এবাৰ এজন শিশুক কান্ধত তুলি লৈ তেওঁ নদী পাৰ হৈছিল। কিন্তু নদী পাৰ হৈ থাকোতে ওফেৰোই অনুভৱ কৰিছিল কান্ধস্থিত সেই শিশুটোৰ ওজন ক্ৰমশঃ বৃদ্ধি পাই যাব ধৰিছে। ওফেৰোৰ দৰে বলী মানুহজনেও শিশুটোৰ ওজন যেন বহন কৰিব পৰা নাই। এটা সময়ত তেওঁ শিশুটোক ক’লে— ‘তুমি যেন পৃথিৱীৰ দৰে গধুৰ’। তেওঁৰ কথা শুনি শিশুটোৱে হাঁহি হাঁহি কৈছিল— ‘এৰা, তুমি এতিয়া একেলগে পৃথিৱী আৰু এই পৃথিৱীৰ সৃষ্টিকৰ্তাক বহন কৰিছা।’ তেতিয়া ওফেৰোৱে বুজিব পাৰিছিল যে এই শিশুৱেই ক্ৰাইষ্ট যীশু অথবা খ্ৰীষ্টবাহক ক্ৰিষ্টোফাৰ। কাৰণ শিশুটোৱে অলৌকিক এনে কিছুমান ঘটনা দেখুৱাইছিল, যাৰ দ্বাৰা তেওঁৰ দেবত্ব প্ৰকাশ পাইছিল। মধ্যযুগীয় বহুতো নাম কৰা শিল্পীৰ তুলিকাত ক্ৰিষ্টোফাৰ আৰু তেওঁৰ কান্ধত বহনকাৰী শিশু ক্ৰাইষ্টৰ বহুতো ৰঙীন ছবি অনবদ্য হৈ আছে। খ্ৰীষ্টপ্ৰেমীসকলৰ মতে ক্ৰিষ্টোফাৰৰ কান্ধত যীশুক বহন কৰাৰ অৰ্থ হ’ল যীশুক কেৱল হৃদয়ৰ মাজতে নহয় মূৰৰ ওপৰতো ৰখা।

খ্ৰীষ্টীয় ২৫১ত ক্ৰিষ্টোফাৰৰ প্ৰাণদণ্ড হয়। ৰোম সম্ৰাটৰ আদেশত তেওঁৰ শিৰশ্চেদ কৰা হৈছিল। কেৱল ক্ৰিষ্টোফাৰেই নহয় আৰু বহুতো খ্ৰীষ্টবিশ্বাসী যিসকল ৰোমান দেৱতাৰ প্ৰতি কোনো আনুগত্য নেদেখুৱাকৈ খ্ৰীষ্ট যীশুৰ ভজন কৰিছিল তেওঁলোক সকলোৰে প্ৰাণদণ্ড হৈছিল। ক্ৰিষ্টোফাৰক এতিয়া যীশু ধৰ্মীয় চেণ্ট অৰ্থাৎ সাধুৰূপে গণ্য কৰে। গ্ৰীক কেলেণ্ডাৰৰ ২৫ জুলাই আৰু ৰোমান কেলেণ্ডাৰৰ ন-মাৰ্চ হ’ল ‘ক্ৰিষ্টোফাৰ দিৱস’। ক্ৰিষ্টোফাৰ চেণ্ট হ’ল সকলো দুৰ্যোগৰ নিৰ্মূলকৰ্তা, ৰক্ষাকৰ্তা। দুৰ্যোগপূৰ্ণ নদী, পাহাৰ, বন সকলোতে স্মৰণ কৰা হয় ক্ৰিষ্টোফাৰক। দানিয়ুব, ৰাইন প্ৰভৃতি নদী তুষাৰ আৰু প্ৰবল সোঁতেৰে ভয়ংকৰ বিপদসংকুল হৈ উঠে । এই সকলোবোৰ নদীতে যাত্ৰী পাৰাপাৰ কৰিবৰ কাৰণে গঢ়ি উঠিছে ক্ৰিষ্টোফাৰৰ নামেৰে সংস্থা—‘চেণ্ট ক্ৰিষ্টোফাৰ টেমপেৰাল্‌স ছ’চাইটি।’

*ফোন ঃ ৯৮৬৪২৯৫০২৪*

---

### অলপ উভতি

# অসমৰ মাটিত বিদেশী ক্ৰিকেট দলৰ প্ৰথম খেল

**জিতেন গগৈ**

**সেয়া** এই ডিচেম্বৰৰে কথা। ২২, ২৩ আৰু ২৪ ডিচেম্বৰ। ১৯৫৩ বৰ্ষ। গুৱাহাটীৰ নেহৰু ষ্টেডিয়াম আৰু বৰ্ষাপাৰাৰ এচিএ ষ্টেডিয়ামত আজি পৰ্যন্ত প্ৰায় ১৯খন আন্তৰ্জাতিক খেল অনুষ্ঠিত হৈ গৈছে যদিও অসমৰ মাটিত প্ৰথমটো বিদেশী ক্ৰিকেট দলৰ খেল কিন্তু যোৰহাটতহে হৈছিল। তেতিয়া গুৱাহাটীত কোনো ষ্টেডিয়াম নাছিল। ১৯৫২তহে গুৱাহাটীত নেহৰু ষ্টেডিয়াম মুকলি বা নিৰ্মিত হৈ উঠিছিল, কিন্তু তাৰ ১২ বছৰ আগতেই অৰ্থাৎ ১৯৫০ত যোৰহাট ষ্টেডিয়াম মুকলি হৈছিল। এই ষ্টেডিয়ামতেই হৈছিল অসমৰ মাটিত বিদেশী ক্ৰিকেট দলৰ প্ৰথমখন খেল। পটভূমিটো এনেকুৱা ঃ ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব’ৰ্ড গঠন হৈছিল ১৯২৮ত আৰু তাৰেই ৰূপালী জয়ন্তী বৰ্ষৰ স’তে সংগতি ৰাখি কমনৱেলথ দেশসমূহৰ খেলুৱৈৰে গঠিত এটা সন্মিলিত দল ভাৰত ভ্ৰমণলৈ আহিছিল। ইংলেণ্ড, ৱেষ্ট ইণ্ডিজ আদিৰ কে’বাগৰাকী টেষ্ট পৰ্যায়ৰ খেলুৱৈও আছিল। ১৯৫৩ৰ ১০-১২ অক্টোবৰত ছিলভাৰ জুবিলী কমনৱেলথ অভাৰচীজ ক্ৰিকেট দলটোৱে (চমুকৈ কমনৱেলথ একাদশ) মুম্বাইত ক্ৰিকেট ক্লাব অৱ ইণ্ডিয়াৰ বিৰুদ্ধে প্ৰথমখন মেচ খেলিছিল। দলটো এই দেশত সামগ্ৰিকভাৱে চাৰি মাহৰো অধিক দিন আছিল আৰু পাঁচখন বেচৰকাৰী টেষ্টকে ধৰি মুঠতে ২১ খন মেচত অংশগ্ৰহণ কৰিছিল। ১৯৫৪ৰ ছয়-আঠ ফেব্ৰুৱাৰীত কলিকতাত অন্তিমখন মেচ খেলিছিল প্ৰধানমন্ত্ৰী একাদশৰ বিৰুদ্ধে। ভ্ৰমণসূচীৰ এখন খেল আয়োজনৰ দায়িত্ব পাইছিল অসম ক্ৰিকেট সন্থাই আৰু যিহেতু সেই সময়ত গুৱাহাটীত পৰিকাঠামো গঢ় লৈ উঠা নাছিল, সেয়েহে তেওঁলোকে খেলখন যোৰহাট ষ্টেডিয়ামত পাতিবলৈ ঠিক কৰিছিল। কমনৱেলথৰ বিৰুদ্ধে খেলিবলগীয়া দলটো অসমৰ ৰাজ্যপাল একাদশ হিচাপে নামাকৰণ কৰা হৈছিল। সেই সময়ত অসমৰ ৰঞ্জি ট্ৰফী দলত কে’বাগৰাকী ব্ৰিটিছ মূলৰ খেলুৱৈ আছিল। দেশে স্বাধীনতা লাভ কৰিলেও বিশেষকৈ উজনি অসমৰ চাহ বাগিচাত কৰ্মৰত বহু ব্ৰিটিছ বিষাই ভাৰত এৰি যোৱা নাছিল তেতিয়াও। তাৰে এজন আছিল বি ফ্ৰেংক। ইতিপূৰ্বে ৰঞ্জী ট্ৰফী খেলা সেই ফ্ৰেংকৰ কান্ধতেই ৰাজ্যপাল একাদশৰ নেতৃত্বৰ দায়িত্ব পৰিছিল। বাংলালুৰুত ১৯১৯ত জন্ম আৰু ১৯৮৬ত পৰলোক প্ৰাপ্তি ঘটা বেঞ্জামিন ফ্ৰেংকে অসমৰ উপৰি বংগ আৰু তেতিয়া মহিশূৰৰ ৰঞ্জি ট্ৰফী খেলিছিল। আনজন ব্ৰিটিছ খেলুৱৈ আছিল অপেনাৰ পিটাৰ বুলক। দ্বিতীয় বিশ্ব যুদ্ধৰ পাছত নগাঁৰৰ ওচৰৰ কেলিডেন চাহ বাগিচাত মেনেজাৰ হিচাপে কৰ্মৰত পিটাৰ ৰাৱনাৰ বুলক অসমৰ প্ৰথমটো ৰঞ্জি ট্ৰফী দলতো আছিল। ১৯৪৮-৪৯ত তেতিয়াৰ সংযুক্ত প্ৰদেশৰ বিৰুদ্ধে হোৱা সেইখন খেল বুলকেই দলৰ হৈ সৰ্বাধিক ৭৮ ৰাণ কৰিছিল, য’ত অসমৰ স্ক’ৰ আছিল ১৫৩ ৰাণ। তদুপৰি তেওঁ তিনিটা উইকেটো লাভ কৰিছিল। অসমৰ হৈ মাথোঁ পাঁচখন প্ৰথম শ্ৰেণীৰ মেচ খেলা বুলক পৰৱৰ্তী কালত ইংলণ্ডলৈ উভতি গৈছিল। ১৯৯৭ৰ ১৬ ফেব্ৰুৱাৰীত ৭২ বছৰ বয়সত এছেক্সত বুলকৰ পৰলোকপ্ৰাপ্তি ঘটিছিল। ইফালে, কমনৱেলথ দলটোত কে’বাগৰাকী বৰেণ্য ক্ৰিকেটাৰৰ সমাৱেশ ঘটিছিল। দলটোৰ নেতৃত্বত আছিল অষ্ট্ৰেলিয়াৰ বেঞ্জামিন আৰ্থাৰ বাৰ্ণেট। ১৯৭৯ত ৭১ বছৰ বয়সত পৰলোকপ্ৰাপ্তি ঘটা বাৰ্ণেটে অষ্ট্ৰেলিয়াৰ হৈ চাৰিখন টেষ্ট খেলিছিল। লক্ষ্যণীয় কথা, পৰৱৰ্তী কালত এইজন ক্ৰিকেটাৰেই ১৯৬৪ত আন্তৰ্জাতিক লন টেনিছ সংস্থাৰ সভাপতি নিৰ্বাচিত হৈছিল। ৱেষ্ট ইণ্ডিজৰ হৈ টেষ্ট ক্ৰিকেট খেলা ভাৰতীয় মূলৰ প্ৰথমগৰাকী খেলুৱৈ ছ’নী ৰামাধীনো আহিছিল অসমলৈ। বৰ্তমান ৯২ বছৰীয়া ৰামাধীনৰ জন্ম ট্ৰিনিদাদ এণ্ড টবেগোত। সমসাময়িক



*হাতত বেট লৈ থকাজন বাদল ঠাকুৰ*

বিশ্ব ক্ৰিকেটত প্ৰভাৱী স্পীনাৰ হিচাপে খ্যাতি অৰ্জন কৰা ৰামাধীনে ১৯৫০-৬০ কালছোৱাত ৱেষ্ট ইণ্ডিজৰ হৈ ৪৩ খন টেষ্টত নামি ১৫৮ টা উইকেট লাভ কৰিছিল। ইংলেণ্ডৰ মাটিত ৱেষ্ট ইণ্ডিজৰ প্ৰথম টেষ্ট জয় আছিল ১৯৫০ত আৰু তাত স্পীনাৰ ৰামাধীনৰ ভূমিকা গুৰুত্বপূৰ্ণ আছিল। সামগ্ৰিকভাৱে উভয় ইনিংছত ২০ বছৰীয়া ৰামাধীনে ১৫২ ৰাণ দি ১১ টা উইকেট লাভ কৰিছিল। ভাৰতীয় মূলৰ ইংলিছ ক্ৰিকেটাৰ ৰমন চুব্বা ৰাওৰো আছিল কমনৱেলথ দলটোৰ আন এজন আকৰ্ষণীয় খেলুৱৈ। ভাৰতীয় (অন্ধ্ৰ প্ৰদেশ) পিতৃ পি ভি চুব্বা ৰাও আৰু ইংলিছ মাতৃ ডৰিছৰ পুত্ৰ ৰমনৰ জন্ম হৈছিল ইংলণ্ডৰ ছাৰে কাউণ্টিত। কেম্ব্ৰীজ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰগৰাকীয়ে ইংলণ্ডৰ হৈ ১৯৫১-৬১ কালছোৱাত ১৩খন টেষ্ট খেলিছিল। পৰৱৰ্তী কালত তেওঁ আই চি চিৰ মেচ, অফিচিয়েল হিচাপে বেছ খ্যাতি আৰ্জিছিল আৰু ভাৰতকে ধৰি বিভিন্ন দেশত হোৱা ১৫ টা টেষ্ট ছিৰিজত দক্ষতাৰে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁলোকৰ উপৰি বিশ্ব যুদ্ধৰ আগেয়ে টেষ্ট ক্ৰিকেটত প্ৰথমটো হেট্ৰিক অৰ্জনকাৰী বেগী বলাৰ তথা ইংলেণ্ডৰ হৈ ১৩খন টেষ্ট খেলা পিটাৰ জেমছ ল’ডাৰ, দুখন টেষ্ট খেলা ৰবাৰ্ট বেৰী আৰু ৱেষ্ট ইণ্ডিজৰ হৈ চাৰিখন টেষ্ট খেলা তথা ১৯৯২ত ৫২ বছৰ বয়সত মৃত্যু ঘটা ৰয় এডৰিন মাৰ্চেল আদিও আছিল ভ্ৰমণকাৰী দলটোত। যোৰহাটৰ খেলখনত কমনৱেলথ দলটো এক ইনিংছ আৰু ১২১ ৰাণত জয়ী হৈছিল। প্ৰথমে বেট ধৰি তেওঁলোকে ৯৭ অভাৰত ইনিংছ ঘোষণা কৰিছিল। অপেনাৰ তথা ইংলণ্ডৰ হৈ আঠখন টেষ্ট খেলা পল এণ্টনী গিবছে ১৫৪, আনজন অপেনাৰ মিলমেনে ৭৯, লক্সটনে অপৰাজেয় ৬১, চুব্বা ৰায়ে ৩৭ আৰু অধিনায়ক বাৰ্ণেটে ৩৩ ৰাণ কৰিছিল। অসমৰ ৰাজ্যপাল একাদশৰ হৈ ছুটে বেনাৰ্জীয়ে ৭৫ ৰাণ দি তিনিটা, বুলকে ৭৩ ৰাণত আৰু গিৰিধাৰীয়ে ১১৩ ৰাণৰ বিনিময়ত দুটাকৈ উইকেট লাভ কৰিছিল। প্ৰত্যুত্তৰত ৰাজ্যপাল একাদশৰ ইংনিছ ৬৬ অভাৰত ১২১ ৰাণতে সমাপ্তি ঘটিছিল। ৰাজ্যপাল একাদশৰ হৈ এতিয়াও জীৱিত বাদল ঠাকুৰে সৰ্বাধিক ২৯, অৱনী হাজৰিকাই ২৭ আৰু ফ্ৰেংকে ১২ ৰাণ কৰিছিল। তেওঁলোকৰ ওমপ্ৰকাশে অসুস্থতাৰ বাবে কোনো ইনিংছতে বেট ধৰিব পৰা নাছিল। কমনৱেলথৰ ল’ডাৰে সাত আৰু বেৰীয়ে ১৪ ৰাণ দি দুটাকৈ উইকেটৰ পতন ঘটাইছিল। দ্বিতীয় ইনিংছত ৰাজ্যপাল একাদশে ৫৬.১ অভাৰত ১৫১ ৰাণ কৰিছিল। ফ্ৰেংকে ৬৮, গিৰিধাৰীয়ে ৪৯ আৰু দহকৰ ঘৰত প্ৰৱেশ কৰা আনজন বেটছমেন বুলকে ১৭ ৰাণ কৰিছিল। ভ্ৰমণকাৰী দলৰ হৈ বেৰীয়ে ১৯ ৰাণ দি সৰ্বাধিক তিনিটা আৰু দুটাকৈ উইকেট লাভ কৰিছিল ল’ডাৰ, ৰামাধীন আৰু বেৰিকে। উল্লেখৰ প্ৰয়োজন যে ৱেষ্ট ইণ্ডিজ তথা বিশ্ব ক্ৰিকেটৰ এগৰাকী মহান ক্ৰিকেটাৰ ছাৰ ফ্ৰেংক ৱৰেল কমনৱেলথ দলটোৰ সদস্য আছিল যদিও এইখন খেলত তেওঁ অংশগ্ৰহণ কৰা নাছিল। এইখন খেলৰ পাছতেই কমনৱেলথ দলটো ২৬-২৮ ডিচেম্বৰৰ পৰৱৰ্তী খেলৰ বাবে কলকাতালৈ উৰা মাৰিছিল। যি নহওক, সেই খেলৰ আজি ৬৮ বছৰ পাৰ হৈ গ’লেও যোৰহাটত আজি পৰ্যন্ত আন্তৰ্জাতিক ক্ৰিকেট খেলৰ পৰিকাঠামো গঢ় লৈ নুঠিল।

ফোন ঃ ৯১০১৩৫২৪৪২

---

# কটন গৌৰৱ নে অসম গৌৰৱ? শেৱালি কবি কটনিয়ান ৰত্নকান্ত বৰকাকতী



**ড° অৰূপ কুমাৰ হাজৰিকা**



ৰত্নকান্ত বৰকাকতী কবি হিচাপে তাহানিখনৰ ঊষাৰ দিনৰে পৰা অসমীয়া সাহিত্যত পৰিচিত। এইজনা কবি অসমীয়া ৰমন্যাসিক কাব্য সাহিত্যৰ। (দ্বিতীয় চৰণৰ) এক অনুপম প্ৰতিভা। জোনাকী যুগৰ ৰমন্যাসিক ধাৰাৰ কবিকেইজনৰ ভিতৰত প্ৰায় কেউজনৰে মৃত্যু হৈছিল। এনে সময়ছোৱাত শেষবাৰৰ কাৰণে অসমীয়া কাব্য সাহিত্যত ৰমন্যাসবাদী প্ৰেমৰ তীব্ৰ কাব্যিক প্ৰকাশ হৈছিল ৰত্নকান্ত বৰকাকতী আৰু দুজনমানৰ কবিতাত। তেওঁলোকে ৰমন্যাসিক কাব্য সাহিত্যৰ কবিৰূপে সুখ্যাতি আৰ্জিছিল।

ৰত্নকান্ত বৰকাকতীৰ জন্ম হৈছিল নগাঁৰৰ ধিং মৌজাৰ আঠগাঁৱত। পিতৃ চাৰিঙৰ পৃথু বৰকাকতী। ৰত্নকান্ত বৰকাকতীয়ে ধিঙৰ প্ৰাথমিক শিক্ষা সমাপ্ত কৰি নগাঁৱৰ মোমায়েকৰ ঘৰত থাকি তাৰ চৰকাৰী হাইস্কুলত পঢ়ে। ১৯১৫ত প্ৰৱেশিকা পৰীক্ষা পাছ কৰি প্ৰথমে কটন কলেজত, পাছত কলিকাতৰ ৰিপন কলেজত নাম লগায়। কিন্তু ঘৰুৱা দুৰ্যোগ হেতুকে শিক্ষা সমাপ্ত নকৰাকৈয়ে ১৯১৭ত গুচি আহে আৰু নলবাৰী চৰকাৰী হাইস্কুলৰ শিক্ষক হয়। ১৯১৮ত কলিকতাৰ সংস্কৃত কলেজত নাম লগায়; কিন্তু নৰিয়াত পৰি উভতি আহে। পাছত পুনৰ হুগলী কলেজত নামভৰ্তি কৰিছিলগৈ, কিন্তু এইবাৰ অসহযোগ আন্দোলনত যোগ দি পঢ়া এৰে। ১৯২৪ত ধিং মৌজাৰ একটিং মৌজাদাৰী কৰি তিনিবছৰমান মৌজা চলাই খেতি-বাতিত লাগে। ১৯৩৩ত মৌজা পাই মৌজাদাৰী কামতে শেষ জীৱনলৈকে থাকে।

পদ্মনাথ গোহাঞি বৰুৱা সম্পাদিত ‘ঊষা’ কাকততে প্ৰথমতে বৰকাকতীৰ কবিতা ওলায় যেনেকৈ ওলাইছিল সেই সময়ৰ কে’বাজনো নতুন লিখকৰ কবিতা। কাকতে-পত্ৰই ওলোৱা কেইটামান কবিতাই তেওঁক কবি বুলি জনাজাত কৰি দিয়াৰ পাছত সাহিত্যৰথী বেজবৰুৱাৰ ‘বাঁহী’ত তেওঁৰ ‘জিনু আৰু ডালিমী’ নামৰ প্ৰবন্ধটো প্ৰকাশ পায়। গোহাঞি বৰুৱা আৰু বেজবৰুৱাৰ ‘জয়মতী’ নাটকৰ দুই ‘ৰোমাণ্টিক’ স্ত্ৰী চৰিত্ৰ জিনু আৰু ডালিমী সম্পৰ্কে লিখা বিশ্লেষণমূলক এই প্ৰবন্ধটোত বঢ়িয়াকৈ বুজাই দিলে যে বৰকাকতী অকল ভাবগধুৰ কবিয়েই নহয়, তেওঁ এজন ভাবগধুৰ সমালোচকো। তেওঁৰ আগতে অসমীয়া নাটকৰ পুৰুষ বা স্ত্ৰী কোনো লিখকেই লিখা নাছিল। প্ৰবন্ধটো ওলোৱাৰ লগে লগে বৰকাকতীৰ প্ৰতি অসমীয়া সাহিত্যৰ চমজদাৰসকলৰ শ্ৰদ্ধা বাঢ়ি গ’ল। ডিব্ৰুগড় আলোচনী সভাৰ তৰফৰ পৰা দুজনমান ডেকাই হেনো এবাৰ আহি বৰকাকতীক অনুৰোধ জনালে তেওঁ যেন তেওঁলোকক সাহিত্যৰ বিষয়ে কেইষাৰমান ৰাজহুৱাকৈ কয়। তেওঁলোকে বৰ আশা কৰি তেওঁৰ ওচৰলৈ আহিছিল। বৰকাকতীয়ে তেওঁলোকক নিৰাশ নকৰি আলোচনী সভাৰ এক বিশেষ অধিবেশনৰ এক পাণ্ডিত্যপূৰ্ণ প্ৰবন্ধ পাঠ কৰিছিল। ডেকাকালত হেনো বৰকাকতী বৰ আসন্ত সৌম্য আৰু মুখশ্ৰী আছিল। পাছৰ জীৱনত বৰকাকতীৰ পিন্ধন-উৰণত তেনে একো লাহ-বিলাহ দেখা নগৈছিল, পিন্ধা কাপোৰ হেনো সকলো সময়তে আছিল বগা আৰু ইষ্ট্ৰি নভগা।

এবাৰ লক্ষ্মীনাথ ফুকনে ডিব্ৰুগড়ত জৰ্জ ইনষ্টিটিউছনত মাণ্টাৰী কৰাৰ লগতে ‘আলোচনী’ বুলি কাকতখন চলোৱাত লাগিছিল। তেওঁৰ অনুৰোধ ক্ৰমেই বৰকাকতীয়ে কাকতখনলৈ কবিতা পঠিয়াইছিল আৰু ‘আলোচনী’তে প্ৰখ্যাত ‘বিশ্বহৰণ’ ওলাই পঢ়ুৱৈ সমাজৰ অন্তৰ হৰণ কৰিছিল।

কলিকতাত থকা কালছোৱাত বেণুধৰ শৰ্মা, যোৰহাটৰ শৰৎ চন্দ্ৰ বৰুৱা, লক্ষ্মীনাথ ফুকন আৰু বৰকাকতীয়ে এই চাৰিজন প্ৰায় এজন হৈ পৰিছিল। ইয়াৰ উপৰি কেইমাহমানৰ কাৰণে নকুল চন্দ্ৰ ভূঞাও লগ হৈছিলগৈ। দুনিয়াৰ ৰঙেৰে ৰঙিলী হৈছিল তেওঁলোকৰ মন। কিমান ৰং-ৰহইচ, আলাপ-আলোচনা যে নহৈছিল তেওঁলোকৰ মাজত।

বৰকাকতীৰ একোটা নিজা মত আছিল আৰু সেই মত স্পষ্ট ভাষাৰে ব্যক্ত কৰিবলৈ তেওঁ কুণ্ঠিত নহৈছিল। সেই মতৰ বিৰুদ্ধে কোনোবাই মাত মাতিলে তেওঁ তৰ্কযুদ্ধত অৱতীৰ্ণ হৈ ভীমৰ গদাৰ প্ৰহাৰেৰে অনেক সময়ত মাত মাতোতাজনৰ কঁকাল ভাঙি দিব পাৰিছিল। তেওঁৰ যেনেকৈ আছিল ভাষাৰ জোৰ, তেনেকৈ আছিল যুক্তি। কিন্তু তৰ্কত হাৰিলেও তেওঁ তেওঁৰ মতকে আঁকোৰগোঁজকৈ ধৰিছিল আৰু নতুনকৈ তৰ্ক জুৰিছিল নতুন কথাৰ অৱতাৰণা কৰি। এই তৰ্ক-বিতৰ্কত যোগ নিদি শ্ৰোতা হৈ থকাজনে লভিছিল অপাৰ আনন্দ।

বৰকাকতী কলিকতা এৰি নগাঁও পালেহি। মহাত্মা গান্ধীৰ ‘স্বৰাজ’ নামৰ সৰু কিতাপখন তেওঁ অসমীয়ালৈ ভাঙি প্ৰকাশ কৰিলে আৰু তাৰ ন বছৰৰ পাছত ছপা হৈ ওলাল তেওঁৰ কবিতাৰ কিতাপ ‘শেৱালি’। অসমীয়া সাহিত্যৰ নিকুঞ্জ বন শেৱালিৰ সুৰভিয়ে আমোলমোল কৰি তুলিলে। তেওঁ বিয়া কৰালে, মৌজাদাৰ হ’ল আৰু মৌজাত এখন আৰু নগৰত এখন-দুখন ঘৰ চলাই মৌজাৰ ৰায়তৰ পৰা খাজনা আৰু নগাঁওবাসীৰ পৰা মৰম-শ্ৰদ্ধা আদায় কৰি জীৱন-যাপন কৰিবলৈ ধৰিলে। সাহিত্যৰ চৰ্চাতকৈ তেওঁৰ সাহিত্যৰ ভাৱনা ভাবিলে বেছি। ভাব প্ৰৱণতা তেওঁৰ আগৰ দৰেই প্ৰৱল হৈ ৰ’ল। উঠি চেকুৰাবলৈ আৰু মৌজালৈ অহা-যোৱা কৰিবলৈ তেওঁ ঘোঁৰা এটা লৈছিল। এদিন ঘোঁৰাত উঠি তেওঁ মৌজালৈ যাওঁ বুলি নগৰৰ পৰা গ’ল; এঘণ্টামানৰ ভিতৰতে আৰোহীজন নোহোৱাকৈ যে ঘোঁৰাটো উলটি ঘৰ পালেহি। বৰকাকতীৰ কি হ’ল, বৰকাকতী কেনি গ’ল। বৰকাকতী ঘোঁৰাৰ পৰা ক’ৰবাত পৰি ৰ’ল নে কি বুলি গোটেইখনত খদমদম লাগিল। বাটে বাটে মানুহে বিচাৰি গ’ল আৰু গৈ দেখে যে ‘ফুলা সৰিয়হ ডৰা’ৰ ওচৰ লোমালোম হৈ থকা মগুমাহ এডৰাৰ ওচৰত বৰকাকতী বহি আছে ভাবত বিভোৰ হৈ। তেনে আলসুৱাই আছিল বৰকাকতীৰ অন্তৰখন। অলপতে জয় পৰি যোৱা বিধৰ মানুহ আছিল তেওঁ। বৰকাকতীৰ পৰা যৌৱনে বিদায় ল’বলৈ কুৰুং কাৰাং কৰিছে কি নাই কৰা, এনেতে সাহিত্যৰথী বেজবৰুৱাই বৰকাকতীক এবাৰ লগ পাই তেওঁক ‘পাৰপিচুৱেল ইউথ’ অৰ্থাৎ যুগমীয়া ডেকা বুলি ক’লে। আন কাৰোবাক কোৱা হ’লে হয়তো শুনি ভালেই পালেহেঁতেন, কিন্তু সেই শব্দ দুটাৰ জোকাৰ লাগি বৰকাকতীৰ হৃদয়তন্ত্ৰীৰ কোনোবা এডাল তাঁৰত ক্ষীণকৈ হ’লেও বিষাদৰ ৰাগিনী এটা বাজি উঠিল। তেওঁৰ মনত তোলপাৰ লগালে জাউৰিয়ে জাউৰিয়ে প্ৰশ্নই, বেজবৰুৱাই মোক কিয় তেনেকৈ ক’লে? কি অৰ্থত তেনেকৈ ক’লে বেডবৰুৱাই? মোক যে ‘পাৰপিচুৱেল ইউথ’ বুলিলে মোৰ কিবা ল’ৰালি দেখিলে নে কি ? বেজবৰুৱাই মোক ইতিকিঙেই কৰিলে কিজানি। কিন্তু সকলোৱেই যেতিয়া ক’লে যে তেওঁৰ চিৰযৌৱন বুলি বেজবৰুৱাই তেওঁৰ চেহেৰাৰ তাৰিফহে কৰিছে। একো বেয়া ভাবত তেনেকৈ কোৱা নাই, তেতিয়াহে তেওঁৰ মনৰ খুদুৰনি গ’ল। নগাঁৱত ছপাশাল এটা পাতি অসমীয়া মাহেকীয়া কাকত এখন উলিয়াবলৈ বহুত দিনৰে পৰা তেওঁৰ ইচ্ছা আছিল। আগতে নহ’লেও, নিগাজিকৈ মৌজাদাৰ হোৱাৰ পাছৰ পৰা তেওঁৰ মনত থিতি লয় আৰু মৃত্যুৰ কেইবছৰমান আগতহে তেওঁ এই ভাৱনা এৰি দিয়ে। পিছে একো নহ’ল মাহিলিৰূপী মানসী প্ৰতিমা তেওঁৰ হৃদয় মন্দিৰতে লুকাই ৰ’ল।

লক্ষ্মীনাথ ফুকনে এবাৰ তেওঁৰ লেখাত লিখিছিল— ‘কথা পাতি থাকোতে কোনোবা সুৰুঙাইদি বৰকাকতী ৰবীন্দ্ৰ নাথৰ কাষ পাবগৈ। ৰবীন্দ্ৰ নাথৰ পৰম ভক্ত আছিল তেওঁ। ভগৱতী প্ৰসাদ বৰুৱা আৰু পাৰ্বতী প্ৰসাদ বৰুৱাই যদি ৰবীন্দ্ৰ নাথৰ আখৰৰ আৰ্হিৰে আখৰ লিখিব পাৰিছিল; বৰকাকতীয়ে পাৰিছিল ৰবীন্দ্ৰনাথৰ কবিতা এক বিশেষ ভংগীৰে শুনিবলৈ ভাল লগাকৈ আবৃত্তি কৰিব আৰু এনে ভাল লগাকৈ যে স্বয়ং ৰবীন্দ্ৰ নাথেও শুনিবলৈ পোৱা হ’লে কিজানি শুনি থাকিবৰ মন কৰিলেহেঁতেন।’ তেওঁৰ নিজৰ কবিতাও বৰকাকতীয়ে আবৃত্তি কৰিছিল সেই একেটা ভংগীৰে। ৰবীন্দ্ৰনাথৰ কে’বাটাও কবিতা তেওঁৰ মুখস্থ আছিল। ছাহজাহান সম্বন্ধে ৰবীন্দ্ৰনাথে লিখা দীঘল কবিতাটো বৰকাকতীৰ মুখত বোলে প্ৰায়ে শুনিবলৈ পোৱা গৈছিল। সুবিধা পালেই তেওঁৰ হতুৱাই বন্ধুবৰ্গই কবিতাটো আবৃত্তি কৰোৱাই শুনিছিল— ‘ভুলি নাই, ভুলি নাই, ভুলি নাই প্ৰিয়া’ কি দৰদৰে যে তেওঁ হেনো আবৃত্তি কৰিছিল। যিয়েই নহওক বৰকাকতী এজন সু-সাহিত্যিক হোৱাৰ লগতে ৰাজনীতিবিদো আছিল। মৃত্যুৰ আগে আগে তেওঁ অসম সাহিত্য সভাৰ নাজিৰা অধিবেশনৰ সভাপতিৰ পদত অধিষ্ঠিত হৈছিল যদিও, দুখৰ বিষয় অভিভাষণখন নিজে পাঠ কৰি শুৱাব নোৱাৰিলে। এই মহান কবিজনাই অসম সাহিত্য সভাৰ সভাপতি হৈ থকা অৱস্থাতে ইহলীলা সম্বৰণ কৰে। ৰত্নকান্ত বৰকাকতীয়ে কৈছিল— ‘বৈজ্ঞানিকভাৱে আৰু সৌন্দৰ্যবোধৰ ফালৰ পৰা চালেও আমাৰ বৰ্তমান ছপা লিখাটো ভাৰতীয় সংস্কৃতিমূলক আটাইবিলাক ভাষাৰ ছপা লিপিতকৈ মাৰ্জিত আৰু উন্নত ধৰণৰ তাত সন্দেহ নাই। লিপিৰ তিনিটা গুণ ১। সহজে চিনি পোৱা, ২। দেখিবলৈ ধুনীয়া, ৩। বেগ অৰ্থাৎ খৰকৈ লিখিব পৰা এই তিনিওটা গুণ আগৰ লিপিত বিদ্যমান।

*ফোন ঃ ৯৮৬৪০৪৪৪৫৩*

---

# অতুল চন্দ্ৰ বৰুৱা

## ব্যক্তি আৰু ব্যক্তিত্ব

*মৃত্যু তিথিৰ শ্ৰদ্ধাৰ্ঘ*

**থানেশ্বৰ মালাকাৰ**



**‘বৃহৎ** অসমীয়া জাতি গঠন আৰু অসমীয়া ভাষা-সাহিত্যৰ সৌধ নিৰ্মাণত গধুৰ আৰু বিস্তৰ অৱদান যোগাওতা ওজা সাহিত্যিক সকলৰ ভিতৰত পদ্মনাথ গোহাঞিবৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, অতুল হাজৰিকা, ড° মহেশ্বৰ নেওগ, ড° সত্যেন্দ্ৰ নাথ শৰ্মাৰ খোজত খোজ মিলাই যোৱা আন এগৰাকী সাহিত্যিক অতুল চন্দ্ৰ বৰুৱা। বৰুৱাৰ গদ্য সাহিত্যৰ সম্পৰ্কত আন্তৰ্জাতিক খ্যাতি সম্পন্ন লোক সাহিত্যিক, পণ্ডিত-গৱেষক ড° প্ৰফুল্ল দত্ত গোস্বামীয়ে প্ৰশ্ন সোধাত ভাল অসমীয়া গদ্য লেখকৰ নাম উল্লেখ কৰোতে কেৱল পদ্মনাথ গোহাঞিবৰুৱা আৰু অতুল চন্দ্ৰ বৰুৱাৰ নামহে উল্লেখ কৰিছে। ড° গোস্বামীৰ এই অভিমত নিশ্চয় প্ৰণিধানযোগ্য। (কথা সাহিত্য আলোচনী -1993)।’ অতুল চন্দ্ৰ বৰুৱাৰ ৰচনাৱলীৰ সম্পাদকৰ নিবেদন এইদৰেই আৰম্ভ কৰিছে সম্পাদক জনপ্ৰিয় লেখক কনক চন্দ্ৰ ডেকাই।

ডেকাই নিজৰ অভিমত প্ৰকাশ কৰি পুনৰ লিখিছে ‘নাম উল্লেখ নকৰিলেও হ’ব— আমাৰ ভালেমান সাহিত্যিকৰ ভাষা দুৰ্ব্বোধ্য, প্ৰকাশভঙ্গী শ্ৰুতিকটু, বিষয়বস্তু পাৱতগজা, আনৰ পৰা ধাৰ কৰি আনি জোৰা টাপলি মৰা বিধৰ। বৰুৱাৰ ৰচনা ৰাজি তেনেই নিমজ আৰু প্ৰাঞ্জল, ৰচনাৰীতি প্ৰাণস্পৰ্শী, বিষয়বস্তু ভূমিত গজা, অসম ভূমিত, ভাৰত ভূমিৰ পৰা ঘাই শিপা ফুটি ওলোৱা। তেওঁৰ অনুবাদ সাহিত্য আৰু কিছুমান ৰচনাত পাশ্চাত্যৰ সাহিত্য সম্ভাৰ গ্ৰহণ কৰিলেও সেইবোৰে বাছকবনীয়া কথাশিল্পী বৰুৱাৰ হাতৰ পৰশ পাই ‘মই অসমীয়া, মই ভাৰতীয়’ বুলি উদাত্ত কণ্ঠে ঘোষণা কৰিছে। ইন্দ্ৰধনুৰ সাত ৰঙৰ দৰে বৰুৱাৰ সাহিত্যত বিবিধ ৰসৰ সমাহাৰ ঘটিছে।’

এইগৰাকী স্বনামধন্য সাহিত্যিক, প্ৰশাসনীয় বিষয়া, অসম সাহিত্য সভাৰ শুৱালকুছি অধিবেশন (1979)ৰ সভাপতি অতুল চন্দ্ৰ বৰুৱাৰ জন্ম হৈছিল 1916ৰ 29 মে’ত দৰং জিলাৰ ছিপাঝাৰৰ অন্তৰ্গত মাৰৈগাঁৱত। পিতৃ ভোগৰাম বৰুৱা, মাতৃ প্ৰমিলা দেৱী। ব্ৰিটিছ শাসন কালৰ মৌজাদাৰ বংশৰ বৰুৱা পৰিয়াল। শিক্ষাত চোকা অতুল বৰুৱাই 1928ত মঙলদৈ মহকুমাৰ ভিতৰত দ্বিতীয় স্থান লাভ কৰি মাৰৈ প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰাথমিক বিদ্যালয়ৰ শিক্ষা সাং কৰে। 1932ত পাথৰিঘাট মাইনৰ ইংলিছ স্কুলৰ পৰা অসমৰ ভিতৰত প্ৰথম স্থান লাভ কৰি সুখ্যাতিৰে উত্তীৰ্ণ হয়। 1936ত মংগলদৈ চৰকাৰী হাইস্কুলৰ পৰা দুটা বিষয়ত লেটাৰ সহ প্ৰথম বিভাগত মেট্ৰিক পাছ কৰে। 1940ত কটন কলেজৰ পৰা কলা বিষয়ত স্নাতক আৰু 1944ত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা তেওঁ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে।

প্ৰণিধানযোগ্য যে স্বাধীন ভাৰতৰ প্ৰথমবাৰ অনুষ্ঠিত অসম লোকসেৱা আয়োগৰ পৰীক্ষাত উত্তীৰ্ণ হৈ অতুল বৰুৱা এ চি এচ বিষয়া হিচাবে নিৰ্বাচিত হয়। বিভিন্ন পদবীত কাৰ্যনিৰ্বাহ কৰি 1974ত 58 বছৰ বয়সত তেওঁ চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে।

চাকৰিৰ মাজে মাজে অতুল বৰুৱাই সাহিত্য চৰ্চা অব্যাহত ৰাখিছিল। ত্ৰিশখনৰো অধিক গ্ৰন্থ লিখাৰ উপৰি প্ৰায় 13 খন গ্ৰন্থ সম্পাদনা কৰিছিল। তেওঁ একেধাৰে কবি, গল্পকাৰ, প্ৰবন্ধকাৰ, জীৱনীকাৰ, শিশু সাহিত্যিকো আছিল। দৰঙী সাহিত্য আৰু সংস্কৃতি বিকাশত তেওঁৰ আছিল গুৰুত্বপূৰ্ণ ভূমিকা। দৰঙী লোকসংস্কৃতিৰ তেওঁ Encyclopedia আছিল বুলি কব লাগিব।

চাকৰি জীৱনৰ অভিজ্ঞতাৰে তেওঁ ৰচনা কৰা ‘ভূমি আৰু জীৱন’ গ্ৰন্থখন অসমৰ ভূমি নীতি জানিবলৈ সকলোৰে বাবে পঠনীয় বুলি ক’ব পাৰি। পুৰণি কামৰূপ ৰাজ্য, আহোম যুগ আৰু আদি ব্ৰিটিছ যুগৰ ভূমি নীতিৰ বিষয়ে জানিবলৈ এইখন অতি উৎকৃষ্ট গ্ৰন্থ। মাটিৰ হাকিম এজনৰ দায়িত্ব আৰু কৰ্তব্য আৰু ‘সন্ধিৰ বাহ বুদ্ধিৰে কটা’ৰ ‘টিপচো’ গ্ৰন্থখনত আলোচনা কৰা হৈছে। সেইদৰে বিজ্ঞান মনস্কতাৰে অতুল বৰুৱাই ৰচনা কৰা গ্ৰন্থ দুখন ‘প্ৰজাপতিৰ নিৰ্বন্ধ’ আৰু ‘মদন আৰু বসন্ত’। সম্প্ৰতি ‘যৌন বিজ্ঞান’ পাঠ্যপুথিত অন্তৰ্ভুক্ত কৰিব লাগে বুলি দাবী উত্থাপন হৈছে আৰু কোনো কোনো ক্ষেত্ৰত অন্তৰ্ভুক্ত কৰাও হৈছে। কিন্তু অতুল বৰুৱা এক পৰিশীলিত আৰু সুখ আৰু শান্তিৰ, তথা আদৰ্শ ‘দাম্পত্য জীৱন’ৰ বাট দেখুৱাই দিছে এই গ্ৰন্থ দুখনৰ মাজেৰে। অতুল বৰুৱা সকলো ধৰ্মৰ শাস্ত্ৰসমূহ যে গভীৰ ভাৱে অধ্যয়ন কৰিছিল তাৰ স্বাক্ষৰ তেওঁ ৰাখি থৈ গৈছে— নবী কথা, লোক দেৱতা শিৱ, আদি গ্ৰন্থ ৰচনাৰ মাজেৰে। বেজবৰুৱাৰ সাহিত্যত হাস্য আৰু ব্যঙ্গ ৰসৰ সমাহাৰ হোৱাৰ দৰে অতুল বৰুৱাৰ লেখাতো এই দুই ৰসে মৌ-জোল তৈয়াৰ কৰিছিল। তেওঁ লিখা বহুতো গল্প আৰু সাধুকথা পঢ়িলে পাঠকে যে অকলে অকলে হাঁহিব— সি নিশ্চিত। তেওঁৰ কথন ভংগীও বেছ কৌতূহল উদ্দীপক। অসমৰ সু-সন্তানসকলৰ প্ৰতি তেওঁৰ আছিল গভীৰ শ্ৰদ্ধা। এই মহান পুৰুষসকললৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাই তেওঁ দুখন গ্ৰন্থ ৰচনা কৰিছিল— ১) বাগ্মীনেতা দেশভক্ত ফুকন আৰু ২) নৱৰত্ন। এই নৱৰত্ন কেইগৰাকী হ’ল,—অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী, বেণুধৰ শৰ্মা, ডিম্বেশ্বৰ নেওগ, উপেন্দ্ৰ চন্দ্ৰ লেখাৰু, হেম বৰুৱা, শৰৎ চন্দ্ৰ গোস্বামী, কীৰ্তিনাথ শৰ্মা বৰদলৈ, ভৱানন্দ দত্ত আৰু কোহিৰাম দাস। বিস্তৃতভাৱে এইসকল লোকৰ জীৱন চৰ্চা কৰিছে অতুল বৰুৱাই। বহুতো কাহিনী, ঘটনাও সন্নিৱিষ্ট কৰি এইসকল লোকক তুলি ধৰা হৈছে। অতুল বৰুৱাৰ বহুতো গল্প সংস্কাৰ ধৰ্মী। সমাজত চলি থকা কু-প্ৰথা, নিৰক্ষৰতা আদি নিৰ্মূল কৰাৰ উদ্দেশেও তেওঁ কলম ধৰিছিল।

‘ফকৰা-যোজনা’ ব্যৱহাৰত অতুল চন্দ্ৰ বৰুৱা আছিল সিদ্ধহস্ত। অসমীয়া সাহিত্যক যে ফকৰা-যোজনাই সমৃদ্ধ কৰিছে বৰুৱৰ লেখাৰ পৰাই বুজা যায়।

তেওঁৰ জীৱনৰ স্মৰণীয় সৃষ্টি ‘গুৱাহাটী আলোচনাচক্ৰ’। ১৯৫৫ ত নিজ বাস ভৱনত বিশিষ্ট সাহিত্যিকসকলক নিমন্ত্ৰণ কৰি আনি ‘গুৱাহাটী আলোচনা চক্ৰ’ৰ জন্ম দিয়ে আৰু এই চক্ৰৰ যোগেদি সাহিত্যৰ মেলা আৰম্ভ কৰে। তেওঁৰ উদ্দেশ্য আছিল এই চক্ৰৰ যোগেদি ন-ন লেখক লেখিকাৰ সৃষ্টি কৰা। সুখৰ কথা যে, গুৱাহাটী আলোচনাচক্ৰ আজিও অতুল বৰুৱাৰ জীৱনৰ অক্ষয় কীৰ্তি হিচাপে জীৱিত হৈ আছে আৰু আজি পৰ্যন্ত নিয়মিত আলোচনাচক্ৰ অনুষ্ঠিত হৈ আহিছে। এতিয়ালৈ প্ৰায় ৮১০ খন আলোচনাচক্ৰ অনুষ্ঠিত কৰা হৈছে। অতুল বৰুৱাৰ ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য। সম্প্ৰতি এই আসন শুৱনি কৰিছে অসমৰ এগৰাকী সুদক্ষ প্ৰাক্তন প্ৰশাসনীয় বিষয়া, বিশিষ্ট গৱেষক, পণ্ডিত কনক চন্দ্ৰ শৰ্মাই। উল্লেখ্য যে বৰুৱাৰ ধৰ্মপত্নী হিৰণ্য প্ৰভা বৰুৱাও অসমৰ এগৰাকী নামজ্বলা লেখিকা। নিজ গৃহত গুৱাহাটী আলোচনাচক্ৰ অনুষ্ঠিত কৰাত তেওঁৰ আছিল প্ৰভূত অৱদান আৰু সহযোগ। অসুস্থতাৰ বাবে সম্প্ৰতি তেওঁ কলম হাতত ল’ব পৰা নাই।


সাহিত্য আলোচনাৰ ফলশ্ৰুতিত বৰুৱাই ৰচনা কৰিছিল কেইখনমান মূল্যবান গ্ৰন্থ। যেনে— সাহিত্যৰ ৰূপৰেখা, সমালোচনা সাহিত্য, সাহিত্য দৃষ্টি, অসমীয়া লোক সাহিত্য, অসমীয়া কাব্যত প্ৰেমৰ বোৱঁতী সুঁতি, মনসা কাব্য আৰু ওজাপালি আৰু অসমীয়া অভিধান আৰু ভাষা আদি। এই গ্ৰন্থসমূহৰ মূল্য যুগ যুগ থাকিব। অসমীয়া ভাষা-সাহিত্যৰ গৱেষণা কৰিব বিচৰা কোনো গৱেষকে অতুল বৰুৱাৰ এই ৰচনা কেইখনক উলাই কৰিব নোৱাৰে।

অসম সাহিত্য সভাই পাঁচটা খণ্ডত প্ৰকাশ কৰা ‘শিশু জ্ঞানকোষ’ প্ৰকাশৰ গুৰিতে আছিল অতুল চন্দ্ৰ বৰুৱা। কেন্দ্ৰীয় মন্ত্ৰী ৰেণুকা দেৱী বৰকটকীৰ সৌজন্যত কেন্দ্ৰীয় চৰকাৰৰ বিত্তীয় মঞ্জুৰীৰে ‘শিশু জ্ঞানকোষ’’ প্ৰকাশ হৈ ওলাইছিল।অনা অসমীয়া চৰকাৰী কৰ্মচাৰীক অসমীয়া ভাষাৰ প্ৰশিক্ষণ দিয়া কাৰ্যসূচীও বৰুৱাৰ কাৰ্যকালতে আৰম্ভ হয়। সাহিত্য সভাই প্ৰস্তুত কৰা আঁচনিখন চৰকাৰে মঞ্জুৰ কৰাত গুৱাহাটী কাৰ্যালয় ভগৱতী প্ৰসাদ বৰুৱা ভৱনত দুটা শ্ৰেণী আৰু দিছপুৰত দুটা শ্ৰেণী খুলি সাহিত্য সভাৰ ফালৰ পৰা অনা অসমীয়া বিষয়া-কৰ্মচাৰীক অসমীয়া ভাষা সাহিত্যৰ প্ৰশিক্ষণৰ দিহা কৰে অতুল চন্দ্ৰ বৰুৱাই।

২০০১ৰ ২৫ ডিচেম্বৰত (খ্ৰীষ্টমাছ- পবিত্ৰ বৰদিন) পৰলোকলৈ গমন কৰা অতুল বৰুৱা অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণত কৈছিল, ‘অসম মৰিলে আমিও মৰিম। অসমৰ উন্নতিয়ে আমাৰ উন্নতি। অসমৰ গৌৰৱে আমাৰ গৌৰৱ, ভাৰতৰ গৌৰৱ। অসমীয়া, তুমি য’তেই নাথাকা শদিয়া সীমান্ততে হওক বা ধুবুৰীৰ প্ৰান্ততে হওক, পৰ্বত পাহাৰতে হওক বা ভৈয়ামতে হওক—তুমি নৈপৰীয়া চৰুৱাই হোৱা— বা খিলঞ্জীয়া আদিবাসীয়েই হোৱা- তোমাৰ এটাই পৰিচয়— তুমি অসমীয়া, শত বাধা বিঘিনিৰ মাজতো যেন তোমাৰ অসমীয়া পৰিচয় জিলিকি থাকে।’ জাতীয় জীৱনক সমৃদ্ধ কৰা অতুল চন্দ্ৰ বৰুৱা আছিল হাড়ে-হিমজুৰে সঁচা অৰ্থত এজন ‘সঁচা অসমীয়া’।

*ফোন ঃ ৯৪৩৫০-৫৪৩৮৪*

*অসম চৰকাৰৰ প্ৰাক্তন আয়ুক্ত সচিব*



## বাংলাদেশত যাত্ৰীবাহী ফেৰীত অগ্নিকাণ্ডত কমেও ৩৮ জনৰ মৃত্যু

**নিউজ ব্যুৰ', ঢাকা, ২৪ ডিচেম্বৰ ঃ** বাংলাদেশৰ ঝালকাঠিত এখন যাত্ৰীবাহী ফেৰীত যোৱা নিশা তিনি বজাত সংঘটিত হোৱা এক ভয়াৱহ অগ্নিকাণ্ডত কমেও ৩৮ জন লোকৰ মৃত্যু হ'ল। মৃতকৰ সংখ্যা অধিক বৃদ্ধিৰ শংকা আছে। শুকুৰবাৰে পুৱালৈকে ৯০ জন যাত্ৰীক অগ্নিদগ্ধ অৱস্থাত উদ্ধাৰ কৰি চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে। প্ৰকাশিত বাতৰি অনুসৰি, ফেৰীখনত থকা অসংখ্য যাত্ৰী সন্ধানহীন হৈ আছে। এমভি ১০ অভিযান নামৰ ফেৰীখনে প্ৰায় এহেজাৰ যাত্ৰীক লৈ ঢাকাৰ পৰা বৰগুণালৈ যাত্ৰা কৰাৰ সময়তে সুগন্ধী নদীৰ ওপৰত অগ্নিকাণ্ডটো সংঘটিত হয়। অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱাৰ লগে লগে বহু যাত্ৰীয়ে নদীত জাঁপ দিছিল আৰু তেওঁলোকৰ সৰহসংখ্যক সম্প্ৰতি সন্ধানহীন হৈ আছে।

## আমেৰিকাৰ 'ম'ষ্ট ৱাণ্টেড'ক ৰাষ্ট্ৰসংঘই দিব ধন, হাক্কানীলৈ ৬০ লাখ ডলাৰৰ সাহায্যৰ প্ৰস্তাৱ



**নিউজ ব্যুৰ', নিউ য়ৰ্ক, ২৪ ডিচেম্বৰ ঃ** ৰাষ্ট্ৰসংঘই তালিবানৰ গৃহ মন্ত্ৰণালয়ক আফগানিস্তানৰ নিৰাপত্তাৰ বাবে ৬০ লাখ ডলাৰৰ সাহায্য প্ৰদানৰ প্ৰস্তাৱ আগবঢ়ালে। উল্লেখ্য যে আফগান চৰকাৰৰ এই মন্ত্ৰণালয়ৰ দায়িত্ব সম্প্ৰতি বহন কৰিছে কুখ্যাত সন্ত্ৰাসবাদী তথা হাক্কানী নেটৱৰ্কৰ শীৰ্ষ নেতা চিৰাজুদ্দিন হাক্কানীয়ে। চিৰাজুদ্দিনৰ নাম আমেৰিকা আৰু ৰাষ্ট্ৰসংঘৰ নিষিদ্ধ ঘোষিত সন্ত্ৰাসবাদীৰ তালিকাত আছে। আমেৰিকাৰ তদন্তকাৰী সংস্থা এফবিআয়ে বিগত কে'বা বছৰ ধৰি 'ম'ষ্ট ৱাণ্টেড' হাক্কানীৰ সন্ধানত অভিযান অব্যাহত ৰাখিছে। আমেৰিকাৰ দ্বাৰা নিষিদ্ধ ঘোষিত এনে এজন দুৰ্ধৰ্ষ সন্ত্ৰাসবাদীৰ দ্বাৰা পৰিচালিত আফগানিস্তানৰ গৃহ বিভাগক ৰাষ্ট্ৰসংঘই ৬০ লাখ ডলাৰৰ সাহায্য প্ৰদানৰ সিদ্ধান্ত লোৱাত আমেৰিকাত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। প্ৰকাশিত বাতৰি অনুসৰি ৰাষ্ট্ৰসংঘৰ পৰা লাভ কৰিব লগা এই ধনৰাশি আফগানিস্তানত ৰাষ্ট্ৰসংঘৰ কাৰ্যালয়ক নিৰাপত্তা প্ৰদান কৰা তালিবান সদস্যক বেতন হিচাপে প্ৰদান কৰা হ'ব। তদুপৰি তালিবান বিদ্ৰোহীক আহাৰ যোগানৰ বাবেও এই ধন ব্যয় কৰা হ'ব।



## পঞ্জাৱত দুই লাখ টকালৈকে কৃষকৰ ঋণ হ'ব মাফ, গোচৰো কৰিব প্ৰত্যাহাৰ

**নিউজ ব্যুৰ', চণ্ডীগড়, ২৪ ডিচেম্বৰ ঃ** পঞ্জাৱৰ মুখ্যমন্ত্ৰী চৰণজিত সিং ছন্নীয়ে ৰাজ্যখনৰ পাঁচ একৰলৈকে ভূমিৰ অধিকাৰী প্ৰায় ১.০৯ লাখ ক্ষুদ্ৰ আৰু উপান্ত কৃষকৰ দুই লাখ টকালৈকে ঋণ ৰেহাইৰ সিদ্ধান্ত গ্ৰহণ কৰিলে। এই ঋণ ৰেহাই আঁচনিৰ অধীনত ১,২০০ কোটি টকাৰ পুঁজি যোগানৰ কথা মুখ্যমন্ত্ৰীজনে ঘোষণা কৰে। ৰাজ্য চৰকাৰখনে পূৰ্বেও ৫.৬৩ লাখ কৃষকৰ ৪৬১০ কোটি টকাৰ ঋণ ৰেহাই দিছিল। নতুনকৈ ক্ষুদ্ৰ আৰু উপান্ত কৃষকক ঋণ ৰেহাইৰ কথা ঘোষণা কৰাৰ লগতে মুখ্যমন্ত্ৰী ছন্নীয়ে কৃষকৰ বিৰুদ্ধে ৰুজু হোৱা গোচৰ প্ৰত্যাহাৰৰো নিৰ্দেশ দিয়ে।

# অ'মিক্ৰন প্ৰতিৰোধত ব্যাপক পৰীক্ষণত গুৰুত্ব প্ৰধানমন্ত্ৰী মোদীৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ ডিচেম্বৰ ঃ** ইউৰোপ আৰু আমেৰিকাক কঁপাই তোলা ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ সংক্ৰমণ ভাৰততো ক্ৰমে বৃদ্ধি পাবলৈ ধৰিছে। অ'মিক্ৰন প্ৰতিৰোধৰ সন্দৰ্ভত বৃহস্পতিবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কেন্দ্ৰৰ শীৰ্ষ বিষয়াসকলৰ স'তে আলোচনাত মিলিত হৈছিল। এই বৈঠকত ক'ভিডৰ নতুন প্ৰজাতিৰ সংক্ৰমণ প্ৰতিৰোধৰ ক্ষেত্ৰত কেন্দ্ৰই পূৰ্বৰ 'টেষ্টিং এণ্ড ট্ৰেকিং' (পৰীক্ষণ আৰু চিনাক্তকৰণ) নীতিত আস্থা ব্যক্ত কৰিলে। প্ৰধানমন্ত্ৰী মোদীয়ে এই বৈঠকত অংশ লৈ কয় যে অ'মিক্ৰনৰ সংক্ৰমণ প্ৰতিৰোধ কৰিবলৈ হ'লে সৰ্বাধিক পৰীক্ষণ আৰু আক্ৰান্তক চিনাক্তকৰণত গুৰুত্ব দিব লাগিব। মোদীয়ে লগতে টিকাকৰণতো গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰীৰ পৰামৰ্শ অনুসৰি, যথাসম্ভৱ দ্ৰুততাৰে অ'মিক্ৰন আক্ৰান্তক চিনাক্ত কৰি নিভৃতবাসত ৰাখিব লাগিব আৰু এনে ব্যক্তিৰ সান্নিধ্যলৈ অহা ব্যক্তিসকলকো চিনাক্ত কৰিব লাগিব।

## চত্তিছগড়ৰ পৌৰ নিৰ্বাচনতো মুখ থেকেচা বিজেপিৰ, জয় কংগ্ৰেছৰ



**নিউজ ব্যুৰ', ডেৰাডুন, ২৪ ডিচেম্বৰ ঃ** পাঁচ ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচনৰ পূৰ্বে ৰাজ্যই ৰাজ্যই বিপৰ্যয়ৰ সন্মুখীন হৈছে বিজেপি। কলকাতাৰ পৌৰ নিৰ্বাচন, ৰাজস্থানৰ পঞ্চায়ত নিৰ্বাচনৰ পাছত এইবাৰ চত্তিছগড়ৰ পৌৰ নিৰ্বাচনত মুখ থেকেচা খালে বিজেপিয়ে। উত্তৰাখণ্ডৰ ১৫খন পৌৰসভা আৰু ১৫টা ৱাৰ্ডৰ উপ-নিৰ্বাচনত ৬০ শতাংশ আসন দখল কৰিলে কংগ্ৰেছে। আনহাতে, বিজেপিয়ে লাভ কৰিলে মাত্ৰ ৮৯ খন আসন। নিৰ্দলীয়ই জয়লাভ কৰে ৩১খন আসনত।

## আমেৰিকাৰ চোৰাংচোৱা সংস্থাৰ তথ্য ঃ ছৌদি আৰৱৰ পদক্ষেপে চিন্তিত কৰি তুলিছে আমেৰিকাক

# চীনৰ সহায়ত গোপনে বেলিষ্টিক ক্ষেপণাস্ত্ৰ নিৰ্মাণ ছৌদি আৰৱৰ

**নিউজ ব্যুৰ' ৱাশ্বিংটন, ২৪ ডিচেম্বৰ ঃ** আমেৰিকাৰ চোৰাংচোৱা সংস্থাই লাভ কৰা তথ্য অনুসৰি, ছৌদি আৰৱে গোপনে চীনৰ সহায়ত নিজাববীয়াকৈ বেলিষ্টিক ক্ষেপণাস্ত্ৰ নিৰ্মাণৰ কাম দ্ৰুতগতিত আগুৱাই নিছে। ইমানদিনে ছৌদি আৰৱে চীনৰ পৰা বেলিষ্টিক ক্ষেপণাস্ত্ৰ ক্ৰয় কৰি আহিছিল, কিন্তু প্ৰথমবাৰলৈ ছৌদি আৰৱে নিজাববীয়াকৈ বেলিষ্টিক ক্ষেপণাস্ত্ৰ নিৰ্মাণৰ কাম আৰম্ভ কৰিছে। মাৰ্কিন চোৰাংচোৱাই লাভ কৰা তথ্য অনুসৰি ছৌদি আৰৱক থলুৱাভাৱে বেলিষ্টিক ক্ষেপণাস্ত্ৰ নিৰ্মাণৰ ক্ষেত্ৰত প্ৰয়োজনীয় প্ৰযুক্তি আৰু আন সহায় চীনে আগবঢ়াইছে। চি এন এনে কৃত্ৰিম উপগ্ৰহৰ জৰিয়তে প্ৰাপ্ত ফটোৰ উদ্ধৃতিৰে নিজৰ প্ৰতিবেদনত দাবী কৰা অনুসৰি ছৌদি আৰৱৰ কমেও এটা অঞ্চলত বেলিষ্টিক ক্ষেপণাস্ত্ৰৰ নিৰ্মাণ অব্যাহত আছে।

চীনে সঁচাকৈয়ে ছৌদি আৰৱক বেলিষ্টিক ক্ষেপণাস্ত্ৰ প্ৰযুক্তি হস্তান্তৰ কৰিছে নেকি বুলি উত্থাপিত এক প্ৰশ্নৰ উত্তৰ দি চীনৰ বৈদেশিক মন্ত্ৰণালয়ে কয় যে চীন আৰু ছৌদি আৰৱ যুদ্ধাস্ত্ৰ আৰু সামৰিক ক্ষেত্ৰত পৰস্পৰৰ সহযোগী আৰু উভয় দেশে বিভিন্ন ক্ষেত্ৰত এখনে আনখনক সহযোগিতা আগবঢ়াই আহিছে। অৱশ্যে এনে সহযোগিতাৰ আদান-প্ৰদানৰ ক্ষেত্ৰত কোনো ধৰণৰ আন্তৰ্জাতিক




আইন চীনে উলংঘন কৰা নাই বুলি দেশখনৰ বৈদেশিক বিভাগে দাবী কৰে। সামুহিক বিনাশকাৰী যুদ্ধাস্ত্ৰ তৈয়াৰৰ প্ৰসংগতো চীন-ছৌদি আৰৱৰ বন্ধুত্বৰ অন্তৰ্ভুক্ত নহয় বুলিও চীনৰ বৈদেশিক মন্ত্ৰণালয়ৰ মুখপাত্ৰই জানিবলৈ দিয়ে। ছৌদি আৰৱৰ এই পদক্ষেপে আমেৰিকাক চিন্তিত কৰি তুলিছে। চীনৰ সহায়ত ছৌদি আৰৱে অত্যাধুনিক বেলিষ্টিক ক্ষেপণাস্ত্ৰ তৈয়াৰ কৰাৰ তথ্য মাৰ্কিন চোৰাংচোৱাই লাভ কৰাৰ পাছত আমেৰিকাই ছৌদি আৰৱৰ স'তে সম্পৰ্ক উন্নীতকৰণক লৈ চিন্তিত হৈছে।



## ম্যানমাৰ ভ্ৰমণত বৈদেশিক সচিব শ্ৰীংলা, ছ্যু কীক সাক্ষাতৰ অনুমতি নাপালে

**নিউজ ব্যুৰ' য়াংগুন, ২৪ ডিচেম্বৰ ঃ** প্ৰতিবেশী ৰাষ্ট্ৰ ম্যানমাৰৰ স'তে সম্পৰ্ক শক্তিশালী কৰিবলৈ যোৱা বুধবাৰে দুদিনীয়া ভ্ৰমণসূচীৰে দেশখনলৈ গৈছিল ভাৰতৰ বৈদেশিক সচিব হৰ্ষবৰ্ধন শ্ৰীংলাই। ম্যানমাৰত সামৰিক শাসকৰ স'তে একাধিক বৈঠকতো ভাৰতৰ বৈদেশিক সচিবজনে অংশ লয়। কিন্তু তাৎপৰ্যপূৰ্ণভাৱে ম্যানমাৰৰ অপসাৰিত শাসক তথা গণতান্ত্ৰিক নেত্ৰী আং ছান ছ্যু কীক সাক্ষাতৰ বাবে শ্ৰীংলাক অনুমতি নিদিলে জুণ্টা চৰকাৰে। বৰ্তমানে বন্দী হৈ থকা ছ্যু কীক সাক্ষাৎ কৰিব বিচাৰিছিল ভাৰতৰ বৈদেশিক সচিবজনে। কিন্তু এই অনুমতি নিদিলে ম্যানমাৰৰ সামৰিক চৰকাৰে।

## অষ্ট্ৰেলিয়াত এদিনতে আঠ হেজাৰ হ'ল সংক্ৰমিত



**নিউজ ব্যুৰ', মেলবৰ্ণ, ২৪ ডিচেম্বৰ ঃ** এইবাৰ অষ্ট্ৰেলিয়াত বৃদ্ধি পালে কৰ'নাৰ পুনৰ সংক্ৰমণ। দেশখনত প্ৰথমবাৰৰ বাবে এদিনতে আঠ হেজাৰৰ অধিক লোক ক'ভিড-১৯ত সংক্ৰমিত হ'ল। কেৱল নিউ ছাউথ ৱেলছতে এদিনত ৫,৭১৫ জন ক'ভিড ৰোগী চিনাক্ত কৰা হৈছে। তদুপৰি এজন আক্ৰান্তৰ ইতিমধ্যে মৃত্যু হৈছে। দেশখনৰ স্বাস্থ্য মন্ত্ৰণালয়ে প্ৰকাশ কৰা অনুসৰি, নতুনকৈ কৰ'নাত আক্ৰান্ত হোৱা ৰোগীসকলৰ ৮০ শতাংশই হৈছে নতুন প্ৰজাতি অ'মিক্ৰনত সংক্ৰমিত। ক'ভিডৰ নতুন সংক্ৰমণ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি ইতিমধ্যে নিউ ছাউথ ৱেলছ আৰু ভিক্টোৰিয়াত ৰাজহুৱা স্থানৰ লগতে ইনড'ৰ স্থানত আঠ বছৰতকৈ অধিক বয়সৰ লোকৰ ক্ষেত্ৰত মাস্ক পৰিধান বাধ্যতামূলক ঘোষণা কৰা হৈছে। অ'মিক্ৰনৰ সংক্ৰমণে অষ্ট্ৰেলিয়াত বৰদিন আৰু নৱবৰ্ষৰ আয়োজনকো প্ৰভাৱিত কৰিছে। ক'ভিডৰ শংকাত দেশখনৰ বহু লোকে ভ্ৰমণ আৰু ছুটীৰ পৰিকল্পনা বাতিল কৰিবলৈ বাধ্য হৈছে।

## পূৰ্বে সাধু-সন্ন্যাসীয়ে অভিশাপ দিছিল, এতিয়া নৰ্তকীয়েও দিয়ে ঃ বিজেপি বিধায়কৰ জয়াক কটাক্ষ

**নিউজ ব্যুৰ', বলিয়া, ২৪ ডিচেম্বৰ ঃ** বিজেপিৰ বলিয়াৰ বিধায়ক সুৰেন্দ্ৰ সিঙে সমাজবাদী পাৰ্টিৰ সাংসদ জয়া বচ্চনক 'নৰ্তকী' আখ্যা দিলে। সিঙে সমাজবাদী পাৰ্টিৰ ৰাজ্যসভাৰ সাংসদগৰাকীক কটাক্ষ কৰি কয় যে পূৰ্বে তপস্বী, সাধু-সন্ন্যাসীয়ে আশীৰ্বাদ বা অভিশাপ দিছিল, কিন্তু এতিয়া নৰ্তকীয়েও অভিশাপ দিবলৈ লৈছে। এয়াই কলিযুগৰ প্ৰকৃত স্বৰূপ। উল্লেখ্য যে ৰাজ্যসভাত যোৱা মঙলবাৰে সাংসদ নিলম্বন আৰু নিজৰ মন্তব্যক লৈ সৃষ্টি হোৱা বিতৰ্কত ক্ষুব্ধ হৈ সাংসদ জয়াই সংসদত শাসক দল বিজেপিক উদ্দেশি এইদৰে কৈছিল, 'মই আপোনালোকক অভিশাপ দিলো, আপোনালোকৰো বেয়া দিন আহিব।' জয়াৰ এই অভিশাপৰ প্ৰসংগতে আজি বিজেপিৰ বিধায়ক সিঙে সমাজবাদী পাৰ্টিৰ সাংসদগৰাকীক 'নৰ্তকী' বুলি কটাক্ষ কৰিলে।






## এইচ-১ বি-এল বি ভিছাৰ বাবে দিব নালাগে ব্যক্তিগত সাক্ষাৎকাৰ, এবছৰলৈ হ'ব প্ৰযোজ্য

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২৪ ডিচেম্বৰ ঃ** আমেৰিকাৰ বৈদেশিক বিভাগে কিছুমান শ্ৰেণীৰ ভিছাৰ ক্ষেত্ৰত ব্যক্তিগত সাক্ষাৎকাৰৰ প্ৰক্ৰিয়া বাতিল কৰিলে। এতিয়াৰে পৰা দেশখনত এইচ-১ বি, এল-১ আৰু অ'-১ শ্ৰেণীৰ ভিছাৰ বাবে আবেদনকাৰীয়ে ব্যক্তিগত সাক্ষাৎকাৰত অৱতীৰ্ণ হ'ব নালাগিব। এই সুবিধা ৩১ ডিচেম্বৰ ২০২২ লৈকে প্ৰযোজ্য হ'ব। জ' বাইডেন প্ৰশাসনে ক'ভিড-১৯ আৰু নতুন প্ৰজাতি অ'মিক্ৰনৰ সংক্ৰমণ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি মাৰ্কিন ভিছাৰ ক্ষেত্ৰত এই সিদ্ধান্ত গ্ৰহণ কৰিলে। মাৰ্কিন প্ৰশাসনৰ এই সিদ্ধান্তৰ ফলত ভাৰতীয়সকল বিশেষভাৱে উপকৃত হ'ব। কিয়নো উপৰোক্ত শ্ৰেণীৰ ভিছাৰ বাবে আবেদনকাৰীয়ে মাৰ্কিন দূতাবাসলৈ ব্যক্তিগত সাক্ষাৎকাৰত অৱতীৰ্ণ হ'বলৈ যাব নালাগিব।



## অনন্তনাগত নিৰাপত্তা বাহিনীৰে সংঘৰ্ষত নিহত এজন সন্ত্ৰাসবাদী

**নিউজ ব্যুৰ' জম্মু, ২৪ ডিচেম্বৰ ঃ** জম্মু-কাশ্মীৰৰ অনন্তনাগত নিৰাপত্তা বাহিনী আৰু সন্ত্ৰাসবাদীৰ মাজত হোৱা এক সংঘৰ্ষত এজন সন্ত্ৰাসবাদী ধৰাশায়ী হ'ল। স্থানীয় আৰক্ষীয়ে জনোৱা অনুসৰি, উক্ত অঞ্চলত সন্ত্ৰাসবাদীয়ে বাহৰ পতাৰ বাতৰি লাভৰ পাছত নিৰাপত্তা বাহিনীয়ে অনন্তনাগ জিলাৰ অৰবানী অঞ্চলৰ মুমনহাল গাঁৱত তালাচী চলোৱাৰ সময়তে আত্মগোপনকাৰী সন্ত্ৰাসবাদীয়ে সেনালৈ গুলিবৰ্ষণ কৰিছিল আৰু সেনায়ো গুলিৰে প্ৰত্যুত্তৰ দিয়ে। দীৰ্ঘসময় ধৰি হোৱা গুলীয়াগুলিত এজন সন্ত্ৰাসবাদী নিহত হয়। মৃত সন্ত্ৰাসবাদীৰ পৰিচয় এতিয়ালৈকে উদ্ধাৰ হোৱা নাই।

# আফগানিস্তানত তালিবান দখলৰ পাছত কৰ্মসংস্থাপনহীন হ'ল মহিলা সাংবাদিক



**নিউজ ব্যুৰ', কাবুল, ২৪ ডিচেম্বৰ ঃ** শেহতীয়া এক অধ্যয়নৰ তথ্য অনুসৰি, আফগানিস্তানত তালিবানে ক্ষমতা দখল কৰাৰ পাছৰ পৰা ৬,৪০০ ৰো অধিক সাংবাদিকে কৰ্মসংস্থাপন হেৰুৱালে। আৰ এছ এফ আৰু এ আই জে এ নামৰ সংস্থা দুটাই চলোৱা অধ্যয়নটোত উল্লেখ কৰা অনুসৰি, আফগানিস্তানত তালিবানে ক্ষমতা লাভ কৰাৰ পাছত আফগান সংবাদ মাধ্যমত বিপুল পৰিৱৰ্তনে দেখা দিছে। এতিয়ালৈকে দেশখনত ২৩১টা সংবাদ প্ৰতিষ্ঠান বন্ধ হ'ল। তদুপৰি দেশখনত ৬০ শতাংশ সাংবাদিকে আফগানিস্তানত কৰ্মৰত হোৱাৰ পৰা সম্প্ৰতি বঞ্চিত হৈছে। তালিবানে আফগানিস্তান দখল কৰাৰ পাছত সৰ্বাধিক ক্ষতিগ্ৰস্ত হৈছে দেশখনৰ মহিলা সাংবাদিকসকল। তালিবানৰ শাসনত প্ৰায় ৮০ শতাংশ মহিলা সাংবাদিকে সংস্থাপন হেৰুৱাব লগা হ'ল। আৰ এছ এফৰ উক্ত অধ্যয়নত লগতে প্ৰকাশ যে গ্ৰীষ্মৰ আৰম্ভণিতে আফগানিস্তানত ৫৪৩টা সংবাদ প্ৰতিষ্ঠান আছিল আৰু নৱেম্বৰৰ অন্তিম ভাগলৈ সক্ৰিয় সংবাদ প্ৰতিষ্ঠানৰ সংখ্যা ৩১২টা হ্ৰাস পায়। অৰ্থাৎ বিগত তিনি মাহত আফগানিস্তানত ৪৩টা সংবাদ প্ৰতিষ্ঠান বিলুপ্ত হ'ল।

## যোগী মঠলৈ, মোদী পাহাৰলৈ উভতি গ'লে কোনে তোমালোকক ৰক্ষা কৰিব ঃ আৰক্ষীক ধমক ওৱেইছিৰ

**নিউজ ব্যুৰ', কানপুৰ, ২৪ ডিচেম্বৰ ঃ** এআইএমআইএমৰ মুৰব্বী তথা হায়দৰাবাদৰ সাংসদ আছাদুদ্দিন ওৱেইছিৰ এটা ভিডিঅ' ক্লিপ সামাজিক মাধ্যমত শেহতীয়াভাৱে ভাইৰেল হৈছে। এই ভিডিঅ'ত ওৱেইছিয়ে এখন জনসভাত অংশ লোৱাৰ সময়ত উত্তৰ প্ৰদেশ আৰক্ষীক ধমক দিয়াৰ দৃশ্য আবদ্ধ হৈছিল। ওৱেইছিয়ে মঞ্চৰ পৰা এইদৰে কৈছিল, 'মই সেইসকল আৰক্ষীৰ লোকক ক'ব বিচাৰো, মোৰ কথা মনত ৰাখিব। সদায় যোগী মুখ্যমন্ত্ৰী



হৈ নাথাকে আৰু মোদীও প্ৰধানমন্ত্ৰী হৈ নাথাকে। আমি মুছলমানসকলে এই সময়ত নীৰৱে থাকিব পাৰো, কিন্তু মনত ৰাখিব যে আমি আপোনালোকে কৰা অত্যাচাৰ পাহৰি নাযাও। আমি তোমালোকৰ নিৰ্যাতন মনত ৰাখিম। আল্লাহে নিজৰ শক্তিৰে তোমালোকৰ অৱসান ঘটাব। পৰিস্থিতি সলনি হ'ব। তেতিয়া কোনে তোমালোকক ৰক্ষা কৰিবলৈ আহিব? যেতিয়া যোগী নিজৰ মঠলৈ উভতি যাব, মোদী পাহাৰলৈ গুচি যাব; তেতিয়া কোন আহিব? আমি পাহৰি নাযাও।' ওৱেইছিয়ে এইদৰে উত্তৰ প্ৰদেশ আৰক্ষীক জনসভাত ভাবুকি দিয়া ঘটনাই ৰাজ্যখনত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

## দেশৰ দৈনিক সংক্ৰমণ ছহেজাৰলৈ হ্ৰাস, মৃত্যু ৩৭৪



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ ডিচেম্বৰ ঃ** দেশৰ দৈনিক ক'ভিড সংক্ৰমণ শুকুৰবাৰে পুনৰ ছহেজাৰৰ ঘৰলৈ নামিলে। উল্লেখ্য যে বৃহস্পতিবাৰে কৰ'নাত আক্ৰান্তৰ সংখ্যাই সাত হেজাৰৰ সীমা অতিক্ৰম কৰিছিল। যোৱা ২৪ ঘণ্টাত নতুনকৈ দেশৰ বিভিন্ন অঞ্চলত ক'ভিডত আক্ৰান্ত হ'ল ৬,৬৫০ জন লোক। কেৱল কেৰালাতে ২,৫১৪ জন লোক আক্ৰান্ত হৈছে। মহাৰাষ্ট্ৰত আক্ৰান্তৰ সংখ্যা ১,১৭৯ জন। ইফালে, যোৱা ২৪ ঘণ্টাত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণত পুনৰ ৩৭৪ জন লোকৰ মৃত্যু হ'ল। মৃতকৰ সৰহসংখ্যকে হৈছে কেৰালাৰ। বৰ্তমান দেশত ৭৭,৫১৬ জন সক্ৰিয় ক'ভিড ৰোগী আছে।

# ২৮ দিনত ১০৮ দেশলৈ বিয়পিল অ'মিক্ৰনৰ সংক্ৰমণ ঃ শীতত মাৰাত্মক ৰূপ লোৱাৰ শংকা

## বাসগৃহক লৈ মিছা মাতিছিল মাস্কে? ৯৪০ কোটিটকীয়া ঘৰতহে থাকে বিশ্বৰ ধনাঢ্য ব্যক্তিজনে

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২৪ ডিচেম্বৰ ঃ** টেছলা আৰু স্পেচএক্সৰ মুৰব্বী এলন মাস্কে গোপনে টেক্সাছৰ অষ্টিনত ১২ নিযুত ডলাৰ মূল্যৰ এটা প্ৰাসাদোপম বাসগৃহত বসবাস কৰি আহিছে। পূৰ্বে মাস্কে দাবী কৰি কৈছিল যে তেওঁ সকলো সা-সম্পত্তি বিক্ৰী কৰাৰ পাছত স্পেচএক্সৰ উৎক্ষেপণ কেন্দ্ৰত মাত্ৰ ৫০ হেজাৰ ডলাৰ মূল্যৰ এটা ক্ষুদ্ৰ কোঠাত বসবাস কৰি আহিছে। 'দ্য ৱাল ষ্ট্ৰিট জাৰ্ণেল'ৰ বাতৰি অনুসৰি, মাস্কে বিগত এবছৰ ধৰি তেওঁৰ প্ৰেয়সী কেন হাভেৰীৰ স'তে টেক্সাছৰ ৱাটাৰফ্ৰণ্ট এষ্টেটত বসবাস কৰি আহিছে। অৱশ্যে হাভেৰীয়ে 'দ্য ৱাল ষ্ট্ৰিট জাৰ্ণেল'ৰ এই বাতৰি অস্বীকাৰ কৰি কৈছে যে তেওঁ মাস্কৰ স'তে টেক্সাছৰ বিলাসী বাসগৃহত নাথাকে, বৰঞ্চ দক্ষিণ টেক্সাছতহে বসবাস কৰি আহিছে। হাভেৰীয়ে লগতে কয় যে অষ্টিনলৈ যাত্ৰা কৰাৰ সময়ত কেতিয়াবা মাস্কে অতিথি



হিচাপে তেওঁৰ বাসগৃহতহে দিন অতিবাহিত কৰে। টেছলা আৰু স্পেচএক্সৰ মুখ্য কাৰ্যবাহী বিষয়া তথা বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি মাস্কে যোৱা বছৰত ঘোষণা কৰি কৈছিল যে তেওঁ কেলিফৰ্ণিয়াত থকা নিজৰ নটা বাসগৃহ ১৪৪ নিযুত ডলাৰত বিক্ৰী কৰাৰ পাছত সম্প্ৰতি গৃহহাৰা জীৱন যাপন কৰিছে। যোৱা জুনত টুইট কৰি মাস্কে লগতে কৈছিল যে নিজৰ বাসগৃহকেইটা বিক্ৰী কৰাৰ পাছত তেওঁ এতিয়া ৫০ হেজাৰ ডলাৰ মূল্যৰ এটা কণ্টেইনাৰসদৃশ গৃহত বাস কৰিছে। কিন্তু 'দ্য ৱাল ষ্ট্ৰিট জাৰ্ণেল'ৰ বাতৰি অনুসৰি বিশ্বৰ ধনাঢ্য ব্যক্তিজনে নিজকে গৃহহীন বুলি মিছা মাতিছিল, দৰাচলতে মাস্কে টেক্সাছৰ অষ্টিনত ভাৰতীয় মূল্যত কমেও ৯৪০ কোটিটকীয়া এটা ৰাজপ্ৰাসাদত প্ৰেয়সীৰ স'তে জীৱন যাপন কৰিছে।

**নিউজ ব্যুৰ' ৱাশ্বিংটন, ২৪ ডিচেম্বৰ ঃ** দক্ষিণ আফ্ৰিকাত ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ প্ৰথম সংক্ৰমণ ধৰা পৰাৰ পাছত বিগত ২৮ দিনত এই ভাইৰাছ বিশ্বৰ ১০৮ খন দেশলৈ সংক্ৰমিত হ'ল। অ'মিক্ৰনৰ সংক্ৰমণৰ ফলত বিগত এমাহত ব্ৰিটেইনত ক'ভিড আক্ৰান্তৰ সংখ্যাই নতুন অভিলেখ ৰচনা কৰিলে। যোৱা ২২ ডিচেম্বৰত ব্ৰিটেইনত এক লাখৰো অধিক লোক ক'ভিডত সংক্ৰমিত হৈছিল আৰু এদিনত সংক্ৰমণৰ ক্ষেত্ৰত এই পৰিসংখ্যা আছিল অতিমাৰীৰ সমগ্ৰ পৰ্বটোত দেশখনত সৰ্বাধিক। যোৱা ২৯ নৱেম্বৰলৈকে ব্ৰিটেইনত ০.১৭ শতাংশ সংক্ৰমণৰ ক্ষেত্ৰত অ'মিক্ৰন জগৰীয়া আছিল। কিন্তু সম্প্ৰতি দেশখনত অ'মিক্ৰনৰ সংক্ৰমণ ৩৮ শতাংশলৈ বৃদ্ধি



পাইছে। ইফালে, যোৱা ২৯ নৱেম্বৰলৈকে আমেৰিকাত অ'মিক্ৰনৰ সংক্ৰমণৰ হাৰ আছিল ০.০৪ শতাংশ। কিন্তু যোৱা ২২ ডিচেম্বৰলৈকে আমেৰিকাত ক'ভিডত আক্ৰান্ত প্ৰতি চতুৰ্থজন ৰোগীৰ শৰীৰত অ'মিক্ৰনৰ সংক্ৰমণ ধৰা পৰিছিল। জাৰ্মানীতো ২৯ নৱেম্বৰলৈকে অ'মিক্ৰন আক্ৰান্তৰ সংখ্যা ০.১৫ শতাংশ আছিল আৰু যোৱা ২২ ডিচেম্বৰলৈ মুঠ আক্ৰান্তৰ ন শতাংশ অ'মিক্ৰনত সংক্ৰমিত হৈছিল। দক্ষিণ আফ্ৰিকাত যোৱা ২৪ নৱেম্বৰত প্ৰথম অ'মিক্ৰনৰ সংক্ৰমণ ধৰা পৰিছিল। যোৱা ১৩ ডিচেম্বৰত দক্ষিণ আফ্ৰিকাত অ'মিক্ৰন সৰ্বাধিক সংক্ৰমিত ক'ভিড প্ৰজাতিত পৰিণত হৈছিল। বৰ্তমানে দেশখনত ৯৫ শতাংশ কৰ'না সংক্ৰমণৰ বাবে দায়ী হৈছে ক'ভিডৰ এই নতুন প্ৰজাতি। বিশ্বৰ বিভিন্ন দেশত অ'মিক্ৰনৰ সংক্ৰমণ ক্ৰমে উৰ্ধ্বমুখী হোৱাৰ প্ৰতি লক্ষ্য ৰাখি স্বাস্থ্য বিশেষজ্ঞসকলে শংকা প্ৰকাশ কৰা অনুসৰি, ক'ভিডৰ এই নতুন প্ৰজাতিয়ে বিভিন্ন দেশত পুনৰ সংক্ৰমণৰ নতুন ঢৌ সৃষ্টি কৰিব পাৰে। অ'মিক্ৰন অতি সংক্ৰামক হ'লেও ক'ভিডৰ এই প্ৰজাতি এতিয়ালৈকে অধিক ঘাতক প্ৰমাণিত হোৱা নাই। কিন্তু গৱেষকসকলৰ মতে, শীত বৃদ্ধিৰ লগে লগে অ'মিক্ৰনৰ সংক্ৰমণো বাঢ়িব পাৰে আৰু পৰৱৰ্তী সময়ত এইবিধ ক'ভিড ভাইৰাছে মাৰাত্মক ৰূপ লোৱাৰ শংকা নুই কৰিব নোৱাৰি।

## ■ তিতাবৰৰ নন্দনাথ শইকীয়া মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ সম্পন্ন

# অহিংস স্বাধীনতা সংগ্ৰামৰ ইতিহাস অনাদৃত

**তিতাবৰ, ২৪ ডিচেম্বৰ ঃ** ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰা ৭৫ বছৰ বৰ্ষপূৰ্তি উপলক্ষে সমগ্ৰ দেশতে 'আজাদী কা অমৃত মহোৎসৱ' উদ্‌যাপন কৰা হৈছে। ভাৰতৰ ইতিহাস সংকলন সমিতিয়েও দেশৰ বিভিন্ন প্ৰান্তত এই মহোৎসৱ উপলক্ষে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিছে। নতুন দিল্লীৰ ভাৰতীয় ইতিহাস গৱেষণা সংস্থাৰ সহযোগত ভাৰতৰ ইতিহাস সংকলন সমিতি যোৰহাট জিলা সমিতি আৰু তিতাবৰ নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ উদ্যোগত আজি এখন গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ অনুষ্ঠিত হয়। ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ লগত জড়িত অবিভক্ত শিৱসাগৰ জিলাৰ অস্বীকৃত ইতিহাস পুনৰুদ্ধাৰ



বিষয়বস্তুৰে অনুষ্ঠিত আলোচনাচক্ৰখন উদ্বোধন কৰে মাজুলীৰ সাংস্কৃতিক বিশ্ববিদ্যালয় উপাচাৰ্য ডম্বৰুধৰ নাথে। উপাচাৰ্য নাথে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ওপৰত বিস্তৃতভাৱে ব্যাখ্যা আগবঢ়াই কয় যে ব্ৰিটিছৰ বিৰুদ্ধে ভাৰতত মহাত্মা গান্ধীৰ নেতৃত্বত গঢ় লৈ উঠা বিশ্ববন্দিত অহিংস স্বাধীনতা সংগ্ৰামৰ বহু ইতিহাস আজিও অনাদৃত হৈ আছে অথবা সেইসমূহৰ প্ৰকৃত অধ্যয়নৰ জৰিয়তে সকলো সমল ইচ্ছাকৃতভাৱে অথবা অনিচ্ছাকৃতভাৱে উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই। শেহতীয়াকৈ ভাৰতীয় ইতিহাস গৱেষণা সংস্থাৰ উদ্যোগত সৰ্বভাৰতীয় পৰ্যায়ত গঠন হোৱা ভাৰতীয় ইতিহাস সংকলন সমিতিয়ে স্বাধীনতা সংগ্ৰাম অথবা যিকোনো অস্বীকৃত বুৰঞ্জীৰ তথ্য উদ্ধাৰৰ বাবে বিভিন্ন উদ্যোগ গ্ৰহণ কৰাটো এক বিৰল ঘটনাৰূপে স্বীকৃত হৈছে আৰু ইয়াৰ জৰিয়তে ইতিহাসৰ বহু তথ্য নজনা কথাৰ বিষয়ে বিশ্ববাসীয়ে জানিবলৈ সক্ষম হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। ইতিহাস সংকলন সমিতিৰ যোৰহাট জিলাৰ সভাপতি তথা তিতাবৰ নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ শৈক্ষিক উপদেষ্টা ড° গুণাৰাম নাথৰ সভাপতিত্বত অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰে যোৰহাট মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° সৌমিত্ৰ পূজাৰীয়ে। ড° পূজাৰীয়ে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ লগত অবিভক্ত শিৱসাগৰ জিলাৰ ভিতৰত আজি পৰ্যন্ত বুৰঞ্জীত লিখিত ৰূপত প্ৰকাশ নোপোৱা বহু তথ্যৰ উদ্ধৃতি দি এক গভীৰ বিদ্যায়তনিক মতামত আগবঢ়ায়। সৰুপথাৰৰ ৰেল দুৰ্ঘটনাৰ লগত জড়িত বুলি ইংৰাজ চৰকাৰে ফাঁচীকাঠত ওলমোৱা কুশল কোঁৱৰ যে নিৰ্দোষী আছিল সেই প্ৰসংগৰ উদ্ধৃতি দি কয় যে মহাত্মা গান্ধীৰ আহ্বানত কুশল কোঁৱৰে নিমখ খাবলৈ এৰি দিয়াৰ দৰে অহিংস বিপ্লৱীগৰাকীৰ বহু কথাই জ্ঞাতে অথবা অজ্ঞাতে বুৰঞ্জীত লিপিৱদ্ধ হোৱা নাই। অবিভক্ত শিৱসাগৰ জিলাৰ ১৩ পৃষ্ঠাত চাওক

## দৰঙত কেন্দ্ৰীয় মন্ত্ৰী এ এন স্বামীয়ে বুজ ল'লে আঁচনি ৰূপায়ণৰ

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ২৪ ডিচেম্বৰ ঃ** কেন্দ্ৰীয় চৰকাৰৰ সামাজিক ন্যায় তথা সবলীকৰণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী এ নাৰায়াণা স্বামীয়ে আজি দৰং জিলাত জিলা আঁচনিৰ স'তে জড়িত বিভাগসমূহ যেনে- সমাজ কল্যাণ, স্বাস্থ্য, জনস্বাস্থ্য কাৰিকৰী, শিক্ষা আদি বিভাগৰ জিলা পৰ্যায়ৰ মুৰব্বীসকলৰ স'তে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। পুৱা ১০ বজাৰ পৰা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত বৈঠকত কেন্দ্ৰীয় মন্ত্ৰীজনে জিলাখনক বৰ্তমানৰ এখন বিকশিত জিলালৈ ৰূপান্তৰিত কৰিবলৈ চৰকাৰে হাতত লোৱা আঁচনি তথা পৰিকল্পনাসমূহৰ তথ্য বিচাৰি এই আঁচনিসমূহ কেনেকৈ অধিক সফলতাৰে ৰূপায়ণ কৰিব পাৰি তাৰ ওপৰত মতামত দাঙি ধৰে। কেন্দ্ৰীয় মন্ত্ৰী স্বামীয়ে বিশেষকৈ শিশুসকলৰ বাবে অসম চৰকাৰে লোৱা কল্যাণমূলক আঁচনিসমূহৰ বিষয়ে সংশ্লিষ্ট বিষয়াসকলৰ পৰা বিস্তৃতভাৱে জানিবলৈ বিচাৰে। ইয়াৰ উপৰি তেওঁ সমাজ কল্যাণ বিভাগে সামাজিকভাৱে পিছপৰা শ্ৰেণীৰ বাবে লোৱা পদক্ষেপসমূহৰো খতিয়ান বিচাৰে। লগতে মন্ত্ৰীজনে শিশুসকলৰ মাজত পুষ্টিহীনতাৰ কু-প্ৰভাৱৰ মোকাবিলা কৰিবলৈ সমাজ কল্যাণ তথা স্বাস্থ্য বিভাগে লোৱা পদক্ষেপসমূহৰ বিষয়ে জানিবলৈ বিচাৰে। বিষয়াসকলক কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰে শিশু তথা সামাজিক আৰু আৰ্থিকভাৱে পিছপৰি থকা লোকসকলৰ বাবে লোৱা আঁচনিসমূহক সেৱাৰ ১৩ পৃষ্ঠাত চাওক

## মাধৱদেৱ বিশ্ববিদ্যালয়ৰ পদাৰ্থবিদ্যা বিভাগৰ কৃতী স্নাতকক সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**বিহপুৰীয়া, ২৪ ডিচেম্বৰ ঃ** মাধৱদেৱ বিশ্ববিদ্যালয়ৰ পদাৰ্থবিদ্যা বিভাগৰ শিক্ষকসকলে যোৱা বিভিন্ন সময়ত বিভাগটোৰ কৃতী ছাত্ৰ-ছাত্ৰীসকলক উচ্চ শিক্ষা গ্ৰহণৰ বাবে আৰ্থিক বৰঙণি আগবঢ়াই উৎসাহিত কৰি আহিছে। যোৱা ২৩ ডিচেম্বৰত বিভাগৰ মুৰব্বী অধ্যাপক দুলাল চন্দ্ৰ মহন্তৰ সভাপতিত্বত অনুষ্ঠিত এখন সভাত চাৰিগৰাকী কৃতী ছাত্ৰক সম্বৰ্ধনা জনোৱা হয়। সহকাৰী অধ্যাপক ড° লক্ষীনাথ বৰাই আঁত ধৰা আৰু বিভাগীয় ছাত্ৰ প্ৰতিনিধি মণ্টু গগৈয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত মাধৱদেৱ বিশ্ববিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়ক ড° ক্ষীৰপদ দত্তই নিৰ্দিষ্ট বক্তা, বিশ্ববিদ্যালয় শিক্ষক সংস্থাৰ সভাপতি মাখন তামুলী আৰু সম্পাদক ড° মহেন্দ্ৰ হাজৰিকাই বিশিষ্ট অতিথি আৰু বিশ্ববিদ্যালয়ৰ কাৰ্যকৰী পৰিষদ (ই চি) ৰ সদস্য তথা প্ৰাণীবিদ্যা বিভাগৰ মুৰব্বী অধ্যাপক মনোজ কুমাৰ বৰুৱা, ইংৰাজী ১৩ পৃষ্ঠাত চাওক

## হাতীচোং মজলীয়া বিদ্যালয়ৰ চাৰি শিক্ষক-শিক্ষয়িত্ৰীক বিদায় সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ২৪ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ কুজীডাঁহত অৱস্থিত হাতীচোং মজলীয়া বিদ্যালয়ৰ চাৰিগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীক বিদ্যালয় প্ৰাংগণত অলপতে অনুষ্ঠিত এক সভাত বিদায় সম্বৰ্ধনা জনোৱা হয়। হাতীচোং মজলীয়া বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী ৰমণী বৰা, সহকাৰী শিক্ষক শুকুৰাম বৰুৱা, হিৰণ্য ভূঞা আৰু সোণাৰাম দাসক বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ তৰফৰ পৰা বিদায় সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ভদ্ৰেশ্বৰ বৰদলৈৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ আৰম্ভণিতে উদ্দেশ্য ব্যাখ্যা কৰে বৰ্তমানৰ প্ৰধান শিক্ষক পৰাণকৃষ্ণ ভূঞা বৰাই । শৰাই, ফুলাম গামোচা, সম্বৰ্ধনা পত্ৰ আৰু একোখনকৈ গ্ৰন্থৰে সম্বৰ্ধনা জনোৱা সভাত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মুনীন্দ্ৰ হাজৰিকা, অৱসৰপ্ৰাপ্ত কৃতী শিক্ষয়িত্ৰী মণিপ্ৰভা মহন্ত, লিলিমাই শইকীয়া, এনি বৰঠাকুৰ, সহকাৰী শিক্ষক-শিক্ষয়িত্ৰীক্ৰমে ৰুণু বৰা, দিগেন চন্দ্ৰ বৰা, চেনাৰাম হাজৰিকা, দীপালী শইকীয়া, জুৰিপ্ৰভা ডেকা, ডেইজী দ'লৈ, শেৱালি মহন্ত বৰা, মৃদুপংখী বৰা আৰু চন্দ্ৰা কুমাৰী আদিৰ লগতে কিছু সংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। সভাত সামগ্ৰিকভাৱে আঁতধৰে সহকাৰী শিক্ষকদ্বয় সমীৰ হাজৰিকা আৰু পল্লৱজ্যোতি বৰাই।

## অৱসৰপ্ৰাপ্ত সচিব আজিজুৰ ৰহমানৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**হাজো, ২৪ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ হাজো উন্নয়ন খণ্ডৰ অন্তৰ্গত এক নম্বৰ হাজো গাঁও পঞ্চায়তৰ অৱসৰপ্ৰাপ্ত সচিব, এক নম্বৰ ভেলকৰ গাঁৱৰ নিৱাসী আলহাজ আজিজুৰ ৰহমান (৮০)ৰ কালি মৃত্যু হয়। বিগত প্ৰায় দুবছৰৰ পৰা তেওঁ উচ্চ ৰক্তচাপ বেমাৰত ভুগি আহিছিল। আজি পুৱা নিজ বাসগৃহত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। তেওঁ দীৰ্ঘদিন এক নম্বৰ হাজো গাঁও পঞ্চায়তৰ সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰি অৱসৰৰ প্ৰাক্‌মুহূৰ্তত কিছুদিন ছহিদ নগেন ডেকা গাঁও পঞ্চায়তৰ সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰে। ২০১৪ত তেওঁ পৱিত্ৰ হজ কৰি আহে। ৰহমানে বৃহত্তৰ বৰছলি অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থকাৰ লগতে সমাজ সেৱা কৰি গৈছিল। কালি আবেলি এক নম্বৰ ভেলকৰ কবৰস্থানত তেওঁৰ জানাজা সম্পন্ন কৰা হয়। মৃত্যুৰ সময়ত ইহসংসাৰত স্ত্ৰী সহিতে ছয় পুত্ৰ আৰু তিনিগৰাকী কন্যাৰ লগতে পো-নাতি এৰি যায়। তেওঁৰ মৃত্যুত প্ৰাক্তন মন্ত্ৰী নুৰুল হুছেইন, আছুৰ উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাস, কামৰূপ জিলা যুৱ পৰিষদৰ সাধাৰণ সম্পাদক আতাউৰ ৰহমান, বৰছলি শাখা সাহিত্য সভাৰ সভাপতি ছামচুল হক, অৱসৰপ্ৰাপ্ত খণ্ড উন্নয়ন বিষয়া জয়াল আলী গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

## কলাইগাঁও প্ৰগতিশীল জনমঞ্চৰ ৰূপালী জয়ন্তী আৰম্ভ

**অগ্ৰদূত বাৰ্তা**

**কলাইগাঁও, ২৪ ডিচেম্বৰ ঃ** কলাইগাঁও স্বেচ্ছাসেৱী অনুষ্ঠান প্ৰগতিশীল জনমঞ্চৰ ২৫ বছৰীয়া পৰিক্ৰমাৰ গৌৰৱোজ্জ্বল ৰূপালী জয়ন্তী আজিৰে পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। সেই অনুসৰি, আজি প্ৰথমে বন্তি প্ৰজ্বলন, স্থায়ী পতাকা বেদী উন্মোচন, পতাকা উত্তোলন, স্থায়ী স্মৃতি বেদী উন্মোচন, স্মৃতি তৰ্পণ আৰু গছপুলি ৰোপণৰ অন্তত নৱনিৰ্মিত প্ৰৱেশ পথ উদ্বোধন কৰে ইএম দিগন্ত বৰুৱাই। নৱনিৰ্মিত মুকলি সভাগৃহটো উদ্বোধন কৰে বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে। মঞ্চ উদ্বোধনৰ গ্ৰন্থমেলা আৰু প্ৰদৰ্শনী উদ্বোধন, সম্বৰ্ধনা অনুষ্ঠান আৰু সাংস্কৃতিক প্ৰতিযোগিতা উদ্বোধনৰ অন্তত সন্ধিয়া 'অনল' নামৰ অসমীয়া বোলছবি প্ৰদৰ্শন কৰা হয়। কাইলৈ সাংসদ দিলীপ শইকীয়াই উদ্বোধন কৰিবলগীয়া প্ৰথম মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে। সভাত এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰিব অধ্যাপক ড° বিজয় কৃষ্ণ শৰ্মাই। ২৬ ডিচেম্বৰত চিত্ৰাংকন প্ৰতিযোগিতাৰ পাছতেই দ্বিতীয় মুকলি সভা উদ্বোধন কৰিব সহকাৰী অধ্যাপক ড° দুলাল হাজৰিকাই। মহেশ্বৰ বড়োৱে সভাপতিত্ব কৰা সভাত মুখ্য অতিথি হিচাপে সাহিত্যিক ড° ৰীতা চৌধুৰী আৰু নিৰ্দিষ্ট বক্তা হিচাপে প্ৰতিদিন টাইমৰ নিতুমনি শইকীয়াই অংশগ্ৰহণ কৰিব। বিশিষ্ট অতিথি হিচাপে অৱসৰপ্ৰাপ্ত আয়ুক্ত সচিব থানেশ্বৰ মালাকাৰ, বিটিচি সচিব দিঠকানন্দ হাজৰিকা, আছুৰ সাধাৰণ সম্পাদক সম্পাদক শংকৰজ্যোতি বৰুৱা, আলোচনাপন্থী আলফা অনুপ চেতিয়া, জিলা এছপি হিৰণ্য বৰ্মনৰ লগতে শিল্পী পৱিত্ৰ ৰাভা আৰু দিপলীনা ডেকাই অংশগ্ৰহণ কৰিব। সন্ধিয়া সাংস্কৃতিক সন্মিলন উদ্বোধন কৰিব আন্তৰ্জাতিক খ্যাতি সম্পন্ন নৃত্য শিল্পী ভানু ডেকা চহৰীয়াই।

## ওদালগুৰিৰ নোনাই বনাঞ্চলত ধৃত তিনি অবৈধ কাঠ সৰবৰাহকাৰী

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ২৪ ডিচেম্বৰ ঃ** পৰহি ওদালগুৰি জিলাৰ নোনাই বনাঞ্চলস্থিত চেগুনবাৰীত এছএছবিৰ এটা দলে অবৈধ কাঠ সৰবৰাহৰ চেষ্টা কৰা তিনি সৰবৰাহকাৰীক কাঠ কঢ়িওৱা ট্ৰেক্টৰসহ গ্ৰেপ্তাৰ কৰে। এছএছবিৰ এক সূত্ৰই উল্লেখ কৰা মতে, বিশেষ সূত্ৰৰ ভিত্তিত পৰহি এছএছবিৰ ৩৭ নম্বৰ বেটেলিয়নৰ চেগুনবাৰী শিবিৰৰ বিষয়া এইছ শইকীয়াৰ নেতৃত্বত নজনীয়া এছএছবিৰ এটা দলে বনাঞ্চলত অভিযান চলোৱাৰ সময়ত এখন ট্ৰেক্টৰত তিনিজনকৈ লোকে অবৈধভাৱে কাঠ কঢ়িয়াই অনা অৱস্থাত হাতে-লোটে কৰায়ত্ত কৰে। ধৃত লোক তিনিজন হ'ল নোনাইপাৰা চাহ বাগিচাৰ মনজয় বাগ (৩০), সঞ্জীৱ মিশ্ৰ(৩৭) আৰু অবিনাশ সোণা(২৫)। ধৃত লোককেইজনে কঢ়িয়াই অনা বহু মূল্যৰ কাঠসহ ট্ৰেক্টৰখন এছএছবিয়ে নোনাই ১৩ পৃষ্ঠাত চাওক

## বজালী-৮২ৰ সতীৰ্থ সন্মিলনৰ সামৰণি

**পাঠশালা, ২৪ ডিচেম্বৰ ঃ** বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ১৯৮২ত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ সতীৰ্থ সন্মিলনখন যোৱা ১৯ ডিচেম্বৰত এইখন বিদ্যালয়তে হৈ যায়। বজালী ৮২ সতীৰ্থ সন্মিলন নামেৰে অনুষ্ঠিত অনুষ্ঠানৰ প্ৰাৰ্থনা সভাৰে আৰম্ভ হোৱা অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে ডাঃ অচ্যুতানন্দ দেৱচৌধুৰী, ৰীতা দেৱী, নৃপেন্দ্ৰ নাথ শৰ্মা, অমলেশ পাটগিৰি, পুলক খাটনিয়াৰ, মুকুল শৰ্মা, সুভাষ, ১৩ পৃষ্ঠাত চাওক

## বাণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উদ্‌যাপনৰ আয়োজন

**পাটাছাৰকুছি, ২৪ ডিচেম্বৰ ঃ** বজালী জিলাৰ অন্তৰ্গত নিত্যানন্দ ওচৰৰ বৰবৰীস্থিত ঐতিহ্যমণ্ডিত বিদ্যালয় বাণী বিদ্যালয় হাইস্কুল (বৰ্তমান উচ্চতৰ মাধ্যমিক বিদ্যালয়) গৰিমামণ্ডিত ৫০ বছৰ পূৰ্ণ কৰা উপলক্ষে অহা সাত, আঠ আৰু ন জানুৱাৰীত বৰ্ণাঢ্য কাৰ্যসূচীৰে সোণালী জয়ন্তী উদ্‌যাপনৰ আয়োজন কৰা হৈছে। ইতিমধ্যে অনিল কুমাৰ দাসক সভাপতি, মাণিক চন্দ্ৰ দাস আৰু উদয় কলিতাক উপ-সভাপতি, প্ৰফুল্ল চন্দ্ৰ কলিতা আৰু ভৱকিংকৰ গোস্বামীক কাৰ্যকৰী সভাপতি জগত কলিতাক সম্পাদক অজিত খাটনিয়াৰ আৰু কমল কুমাৰ মেধিক সহকাৰী সম্পাদক হিচাপে লৈ গঠন কৰা উদ্‌যাপন সমিতিয়ে উদ্‌যাপনৰ প্ৰস্তুতি প্ৰায় সম্পন্ন কৰি তুলিছে। বিদ্যালয় দ্বাৰ উন্মোচন কৰিব কালিমন্দিৰ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক মৃন্ময় চন্দ্ৰ ডেকাই, বাণী বিদ্যালয়ৰ প্ৰতিষ্ঠাপক সদস্য নাৰায়ণ চন্দ্ৰ মেধিয়ে ইয়াৰ পাছতে বন্তি প্ৰজ্বলন কৰিব। ইয়াৰ পাছত স্কুলৰ পতাকা উত্তোলন কৰিব বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ জগত চন্দ্ৰ কলিতাই। উত্তৰ বজালী জিলা পৰিষদৰ সদস্য ভনীতা ৰায় বড়োৱে দধিৰাম পাঠক সোঁৱৰণী মুখ্য তোৰণ উদ্‌ঘাটন কৰিবষ। সোণালী জয়ন্তীৰ পতাকা উত্তোলন কৰিব অনিল কুমাৰ দাসে। লগতে একেলগে আন ৪৯ খন পতাকা উত্তোলন কৰা হ'ব। স্মৃতিতৰ্পণ সম্পাদন কৰিব অৱসৰপ্ৰাপ্ত শিক্ষক ১৩ পৃষ্ঠাত চাওক


## মাণিকপুৰত ৰেছম বিভাগৰ প্ৰশিক্ষণ

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২৪ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলাৰ মাণিকপুৰ খণ্ড উন্নয়ন বিষয়া কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত যোৱা ২২ ডিচেম্বৰৰ পৰা ১৫ দিনীয়া এৰী-মুগা সূতা কটাৰ প্ৰশিক্ষণ এটি মুকলি কৰা হয়। বঙাইগাঁও জিলা প্ৰশাসনৰ সহযোগত ৰেচম বিভাগ, বঙাইগাঁও আৰু নাবাৰ্ডৰ উদ্যোগত আত্মসহায়ক গোটসমূহৰ সদস্যাক এৰী-মুগা সূতা কটাৰ বাবে আয়োজন কৰা পযেকজোৰা প্ৰশিক্ষণ বন্তি প্ৰজ্বলন কৰে বঙাইগাঁৱৰ সদৰ মহকুমাধিপতি মোগেন নৰহে। নৰহে কয় যে এই প্ৰশিক্ষণে আত্মসহায়ক গোটৰ সদস্যাসকলক নিশ্চয় উপকৃত কৰিব। এই প্ৰশিক্ষণৰ ফলত কামনা কৰে বিষয়াজনে। অনুষ্ঠানত ৰেচম বিভাগৰ সহকাৰী সঞ্চালক সংযুক্ত শইকীয়ায়ো ১৩ পৃষ্ঠাত চাওক

## অৱসৰপ্ৰাপ্ত কনিষ্ঠ অভিযন্তা নগেন্দ্ৰ নাথ কলিতাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**



**ঘগ্ৰাপাৰ, ২৪ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ কটকীয়া (গলিয়া) গাঁৱৰ প্ৰয়াত মাণিক কলিতা আৰু প্ৰয়াত মোমাতী কলিতাৰ দ্বিতীয় পুত্ৰ তথা সমাজকৰ্মী নগেন্দ্ৰ নাথ কলিতা (৭০) ৰ আজি পুৱা গুৱাহাটীৰ চান্দমাৰি বাসভৱনত মৃত্যু হয়। তেওঁৰ মৃত্যুত চান্দমাৰি জ্যোতিনগৰৰ লগতে জন্মভূমি ঘগ্ৰাপাৰাতো গভীৰ শোকৰ ছাঁ পৰিছে। ১৯৫১ত ঘগ্ৰাপাৰৰ গলিয়াত জন্মগ্ৰহণ কৰা কলিতাই ঘগ্ৰাপাৰ হাইস্কুলত স্কুলীয়া শিক্ষা আৰু নলবাৰী মহাবিদ্যালয়ৰ পৰা উচ্চ শিক্ষা সমাপ্ত কৰি অসম চৰকাৰৰ গড়কাপ্তানী (গৃহ) বিভাগৰ চাকৰিত সোমায়। সেই অনুসৰি, তেওঁ গুৱাহাটীৰ চান্দমাৰিত স্থায়ীভাৱে বসবাস কৰিবলৈ লয়। ২০১১ৰ ফেব্ৰুৱাৰীত তেওঁ কনিষ্ঠ অভিযন্তাৰূপে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। বাৰ্ধক্যজনিত শাৰীৰিক অসুস্থতাৰ মাজতে নিশাৰ আহাৰ গ্ৰহণ কৰি তেওঁ শুই থাকে। কিন্তু পুৱতি ১৩ পৃষ্ঠাত চাওক

## বিহালীত বন্যহস্তীৰ তাণ্ডৱ ঘৰ-দুৱাৰ ভাঙি ক্ষতিসাধন

### ■ ১০ কুইন্টল ধান খাই তহিলং

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২৪ ডিচেম্বৰ ঃ** দীৰ্ঘদিন ধৰি বিহালীৰ বিভিন্ন প্ৰান্তত বন্যহস্তীয়ে চলাই আহিছে উপদ্ৰৱ। কাজিৰঙাৰ পৰা খাদ্যৰ সন্ধানত ওলাই অহা বন্যহস্তীৰ জাকে নিতৌ বিহালীৰ বিভিন্ন স্থানত উপদ্ৰৱ, খেতি-পথাৰ বিনষ্ট কৰাৰ লগতে ঘৰ-দুৱাৰ ভাঙি তহিলং কৰি আহিছে। যোৱা নিশা ৭-৩০ বজাত বিহালীৰ সমষ্টিৰ অন্তৰ্গত কমাৰ পুখুৰীৰ লোকনাথ সোণাৰীৰ ঘৰৰ ভঁৰাল ভঙাৰ লগতে মিত্ৰলাল সোণাৰীৰ ঘৰত সোমাই এটা হাতীয়ে ঘৰ-দুৱাৰ ভঙাৰ উপৰি ১০ কুইন্টল ধান তহিলং কৰে। ইফালে, ৰাইজৰ অভিযোগ, বন বিভাগক খবৰ দিয়াৰ পাছতো বহু পলমকৈ উপস্থিত হয়হি বন বিভাগৰ লোক। যাৰ বাবে এনে ঘটনা সংঘটিত হ'ল বুলি ৰাইজে অভিযোগ কৰে। আনহাতে, ক্ষতিগ্ৰস্ত দৰিদ্ৰ লোকজনক উচিত ক্ষতিপূৰণ দিবলৈ চৰকাৰৰ লগতে স্থানীয় বিধায়ক ৰঞ্জিত দত্ত আৰু বন বিভাগক দাবী জনায় ভুক্তভোগী আৰু স্থানীয় লোকে।

## নগাঁও জিলা ছাত্ৰ সন্থাৰ কলিয়াবৰ অধিবেশনৰ আয়োজন ঃ আদৰণি সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ২৪ ডিচেম্বৰ ঃ** কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ সন্থাৰ উদ্যোগত, কলিয়াবৰৰ ৰাইজৰ সহযোগত সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ চতুৰ্বিংশতি সংখ্যাক বাৰ্ষিক অধিবেশন কলিয়াবৰত অনুষ্ঠিত কৰাৰ উদ্দেশ্যে আজি কলিয়াবৰ মহাবিদ্যালয়ৰ প্ৰশাসনিক ভৱনৰ সভাগৃহত অভ্যৰ্থনা সমিতি গঠন কৰিবলৈ এখন ৰজহুৱা সভা অনুষ্ঠিত হয়। অহা ১৮ আৰু ১৯ জানুৱাৰীত অনুষ্ঠিতব্য অধিবেশন সন্দৰ্ভত কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ সন্থাৰ সভাপতি মৃগাংক শেখৰ ভৰালী হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত ৰাজহুৱা সভাত সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক কংকনজ্যোতি বৰৰাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত কলিয়াবৰ শাখা সাহিত্য সভাৰ সভাপতি হেমোধৰ হাজৰিকা, নগাঁও আঞ্চলিক সাহিত্য সভাৰ সম্পাদক মৃণাল কুমাৰ



হাজৰিকা, কলিয়াবৰ জিলা সত্ৰ মহাসভাৰ সভাপতি হিৰু প্ৰসাদ মহন্ত, কলিয়াবৰ ভানু সমিতিৰ সভাপতি দিকবীৰ কাৰ্কী, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ নামধৰ্ম সমাজৰ কলিয়াবৰ জিলা সমিতিৰ সভাপতি টংকেশ্বৰ বৰা, সম্পাদক গগন বৰা, কলিয়াবৰ প্ৰেছ ক্লাবৰ সভাপতি তপন শইকীয়া, কলিয়াবৰ জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি সত্যপ্ৰসাদ ৰাজখোৱা, অসম উন্নতি সভা, কলিয়াবৰ সমিতিৰ সভাপতি প্ৰফুল্ল বৰা, শ্ৰীমন্ত শংকৰদেৱ সংঘ কলিয়াবৰ জিলা সমিতিৰ সম্পাদক বিচিত্ৰ বৰুৱা, অসম সমবায় মৰাপাট কলৰ পৰিচালন সঞ্চালক গুণমণি গগৈ, সদৌ অসম ছাত্ৰ সন্থাৰ তথ্য সম্পাদক মৃদুল হাজৰিকা, ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য ৰন্টু শৰ্মা, সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ সভাপতি গৌৰী শংকৰ শইকীয়া, সম্পাদক অমৰজ্যোতি ফুকন, কলিয়াবৰ শাখা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক নবীন ১৩ পৃষ্ঠাত চাওক

অসম চৰকাৰ
দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগ
দিছপুৰ, গুৱাহাটী - ৬

তাৰিখ – ২৪ ডিচেম্বৰ ২০২১

স্পষ্টীকৰণ

ইং ২৩-১২-২০২১ তাৰিখে অসমৰ বিভিন্ন জিলাত অনুষ্ঠিত হোৱা নিয়োগ মেলা সমূহত ঘটা অৰাজক পৰিস্থিতিৰ বিষয়ে বিভিন্ন সংবাদ মাধ্যমত প্ৰকাশিত হোৱাত বিষয়টো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে।

এই নিয়োগ মেলা সমূহ চাকৰি প্ৰত্যাশী প্ৰাৰ্থীসকলক সুযোগ দিয়াৰ উদ্দেশ্যে তথা নিয়োগ প্ৰদানকাৰী সংস্থা আৰু প্ৰত্যাশীসকলৰ মাজত যোগসূত্ৰ স্থাপনৰ উদ্দেশ্যে আয়োজন কৰা হৈছিল। নিয়োগ মেলা সমূহ সম্পূৰ্ণ ৰূপে ব্যক্তিগত খণ্ডৰ চাকৰি প্ৰদানৰ বাবে আয়োজন কৰা হৈছিল, যাতে চাকৰি প্ৰত্যাশী নিবনুৱা প্ৰাৰ্থী সকলে নিয়োগৰ সুবিধা লাভ কৰিব পাৰে। নিয়োগমেলা সমূহ অনুষ্ঠিত কৰাৰ প্ৰাকমুহূৰ্তত প্ৰাৰ্থীসকলৰ সজাগতাৰ উদ্দেশ্যে ছপা মাধ্যমৰ যোগেদি বহুলভাৱে প্ৰচাৰ কৰা হৈছিল। চছিয়েল মিডিয়াৰ যোগেদি প্ৰচাৰ হোৱা অসত্য তথা ভুল তথ্য যে এই নিয়োগ মেলাসমূহত চৰকাৰী চাকৰি দিয়া হ'ব, তেনে পৰিপ্ৰেক্ষিতত অনাকাংক্ষিতভাৱে বহু প্ৰাৰ্থীৰ সমাগম ঘটে। এই ভুল তথ্য সম্প্ৰচাৰৰ কাৰণে, বহু প্ৰত্যাশীয়ে নিয়োগ মেলাসমূহত আহি অবাঞ্চনীয় পৰিস্থিতিৰ সন্মুখীন হয়।

নিয়োগ মেলা সমূহ সম্পূৰ্ণ পৰিকল্পিত ভাৱে তথা উপযুক্ত ব্যৱস্থাপনাৰে অনুষ্ঠিত কৰিব লাগিছিল। অনাকাংক্ষিত পৰিস্থিতি উদ্ভৱ হোৱা বাবে দুঃখিত। এই ক্ষেত্ৰত হোৱা ভুল পৰিকল্পনা আৰু কৰ্তব্যত অৱহেলা প্ৰদৰ্শন কৰা বাবে ইতিমধ্যে দুগৰাকী বিষয়াক নিলম্বিত কৰা হৈছে।

ইয়াৰ দ্বাৰা জনোৱা হয় যে, বিভাগীয়ভাৱে এটা পৰ্টেল সৃষ্টিৰ ব্যৱস্থা কৰি থকা হৈছে য'ত বিভিন্ন নিয়োগকৰ্তা/ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠান/উদ্যোগ/সংস্থা সমূহে তেখেতসকলৰ বিভিন্ন খালী থকা পদৰ বিষয়ে বিজ্ঞাপন দিব পাৰিব আৰু চাকৰি প্ৰত্যাশী প্ৰাৰ্থীসকলে অনলাইনযোগে সেই পদসমূহৰ কাৰণে পঞ্জীয়ন আৰু আবেদন কৰিব পাৰিব। উক্ত প'ৰ্টেলটো অতি সোনকালে কাৰ্যক্ষম কৰি তোলা হ'ব যাতে এনে অনাকাংক্ষিত পৰিস্থিতিৰ উদ্ভৱ নহয় আৰু চাকৰি প্ৰত্যাশী প্ৰাৰ্থীসকলে অনলাইনযোগে অতি সহজে ব্যক্তিগত খণ্ডৰ চাকৰি পোৱাৰ সুবিধা লাভ কৰে।

হানিফ নুৰানী
যুটীয়া সচিব
দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগ
দিছপুৰ, অসম

জনসংযোগ/ডিএফ/২১৫৭/২১

## মাণিকপুৰত ৰেছম বিভাগৰ প্ৰশিক্ষণ

১২ পৃষ্ঠাৰ পৰা ভাষণ প্ৰদান কৰে। সভাত হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ অধীক্ষক ৰাজীৱ নাৰায়ণ দাস, মাণিকপুৰ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া মঞ্জুশ্ৰী ঘোষ, ৰেচম অধীক্ষক প্ৰশান্ত কুমাৰ দাস, ৰেচম পৰিদৰ্শক দেৱান মোৱাজ্জেম হুছেইন আৰু মাণিকপুৰ খণ্ড উন্নয়ন কাৰ্যালয়ৰ বিষয়া হিমাংশু নাথে প্ৰশিক্ষণৰ আৰম্ভণি অনুষ্ঠানত উপস্থিত থাকি প্ৰশিক্ষাৰ্থীসকলক উৎসাহিত কৰে।

## নগাঁও জিলা ছাত্ৰ সন্থাৰ কলিয়াবৰ

১২ পৃষ্ঠাৰ পৰা বৰঠাকুৰ, সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন উপ-সভাপতি মণিমাধৱ মহন্ত, ছাত্ৰ সন্থাৰ প্ৰাক্তন বিষয়ববীয়া সৰ্বেশ্বৰ শইকীয়াক প্ৰমুখ্যে কলিয়াবৰৰ বিভিন্ন অনুষ্ঠানৰ-বিষয়ববীয়া আৰু ৰাইজে অধিবেশন সাফল্যমণ্ডিত কৰি তোলাৰ ওপৰত মত ব্যক্ত কৰে। অনুষ্ঠানতেই হিৰু প্ৰসাদ মহন্তক সভাপতি, মৃণাল কুমাৰ হাজৰিকাক কাৰ্যকৰী সভাপতি, কংকনজ্যোতি বৰুৱাক সাধাৰণ সম্পাদকৰূপে লৈ কে'বাখনো উপ-সমিতি গঠন কৰে। সভাত সমবেতসকলে জাতীয় সংগীত পৰিৱেশনৰে কাৰ্যসূচীৰ পৰিসমাপ্তি ঘটায়।

## মাধৱদেৱ বিশ্ববিদ্যালয়ৰ পদাৰ্থবিদ্যা

১২ পৃষ্ঠাৰ পৰা বিভাগৰ মুৰব্বী অধ্যাপক ড° নৰেন্দ্ৰ প্ৰসাদ মহাপাত্ৰ, ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ মুখ্য বিষয়া ড° দীপক দাসে আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকি কৃতী ছাত্ৰসকলক অভিনন্দন জনাই আৰু পদাৰ্থ বিজ্ঞান বিভাগৰ পদক্ষেপৰ শলাগ লয়। ভাষণ প্ৰসংগত বিভাগীয় মুৰব্বী দুলাল চন্দ্ৰ মহন্তই ক্ৰেডিট লাভ কৰি এই বিভাগৰ পৰা চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হ'ব লগা একোগৰাকী স্নাতকক এককালীনভাৱে পাঁচ হেজাৰ টকাকৈ তিনিবছৰৰ বাবে আৰু স্নাতকোত্তৰ মহলাৰ চূড়ান্ত পৰীক্ষাত অনুৰূপ ধৰণে সাফল্য লাভ কৰা দুগৰাকী শিক্ষাৰ্থীক ১০ হেজাৰ টকাকৈ পুৰস্কাৰ দিবলৈ মানস কৰি ইতিমধ্যে বিশ্ববিদ্যালয় কৰ্তৃপক্ষক এই সম্পৰ্কত অৱগত কৰাৰ কথা সভাত ব্যক্ত কৰে। সভাত চলিত বৰ্ষৰ বাছনি পৰীক্ষাত সফলতা লাভ কৰি স্নাতকোত্তৰ শিক্ষা গ্ৰহণৰ সুযোগ লাভ কৰা কৃতী ছাত্ৰ ক্ৰমে সুৰয কুমাৰ দত্ত, শ্যাম চন্দন বৰা, বৈকুণ্ঠ শইকীয়া আৰু পৰাগ লিগিৰাক বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে বিভাগৰ তৰফৰ পৰা নগদ ধন আগবঢ়ায়। অতিথি শিক্ষক ড° সুদীপ্ত হাজৰিকাই সভাত উপস্থিত সকলোকে শলাগ জনায়।

## দৰঙত কেন্দ্ৰীয় মন্ত্ৰী এ এন স্বামীয়ে বুজ

১২ পৃষ্ঠাৰ পৰা ভাৱেৰে কাৰ্যকৰী কৰি যাবলৈ তেওঁ অনুৰোধ জনায়। বৈঠকৰ পাছত সাংবাদিকৰে হোৱা মত-বিনিময়ৰ সময়ত কেন্দ্ৰীয় মন্ত্ৰীজনে দেশৰ অন্য প্ৰান্তৰ বিপৰীতে অসমত কু-প্ৰথাক সমাজত স্থান ল'বলৈ নিদিয়াৰ বাবে অসমৰ জনগণক ধন্যবাদ জনোৱাৰ লগতে চৰকাৰে অনুসূচীত জাতিৰ লোকসকলৰ বাবে লোৱা পদক্ষেপসমূহৰ শলাগ লয়। মন্ত্ৰীজনৰ জিলাখনলৈ চৰকাৰী ভ্ৰমণৰ অন্ত পৰাৰ আগতে তেওঁ মঙলদৈস্থিত নগৰ বালিকা বিদ্যালয়ত উপস্থিত হৈ শিক্ষানুষ্ঠানখনৰ ছাত্ৰীসকলৰ স'তে চমুকৈ মত বিনিময় কৰি একাগ্ৰতাৰে শিক্ষাগ্ৰহণ কৰি যাবলৈ পৰামৰ্শ আগবঢ়ায়। কেন্দ্ৰীয় মন্ত্ৰীজনৰ আজিৰ ভ্ৰমণৰ সময়ত তেওঁক বিভিন্ন বিভাগৰ জিলা পৰ্যায়ৰ বিষয়াসকলৰ উপৰি জিলা উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মা, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ৰমেন চন্দ্ৰ মালাকাৰ, জিলা উন্নয়ন আয়ুক্ত শুভলক্ষ্মী ডেকা, অতিৰিক্ত উপায়ুক্ত ক্ৰমে পংকজ ডেকা, সঞ্জীৱ বৰা, পল্লৱী কছাৰীৰ উপৰি মঙলদৈ সমষ্টিৰ প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাসে সংগ দিয়ে।

## ওদালগুৰিৰ নোনাই বনাঞ্চলত ধৃত তিনি

১২ পৃষ্ঠাৰ পৰা বন বিভাগক গতাই দিয়ে। ধৃত মনজয় বাগ নামৰ অভিযুক্তজন বিটিআৰৰ নোনাই ছেৰফাং পৰিষদীয় সমষ্টিৰ অন্তৰ্গত নোনাইখুঁটি ভিচিডিচিৰ সভাপতি তথা বিজেপি নেতা বুলি একাংশই অভিযোগ কৰে। ইফালে, এই সমগ্ৰ ঘটনাক গাপ দিয়াৰ চেষ্টা কৰে নোনাই ফৰেষ্ট ৰেঞ্জৰ ৰেঞ্জ বিষয়া নেত্ৰ কমল শইকীয়াই। কালি ধৃত তিনি সৰবৰাহকাৰীক আদালতত হাজিৰ কৰাৰ পূৰ্বে স্বাস্থ্য পৰীক্ষা কৰাবলৈ ওদালগুৰি অসামৰিক চিকিৎসালয়লৈ নিয়ে। চিকিৎসালয় চৌহদত সাংবাদিক উপস্থিত হৈ ধৃত লোক তিনিজন আৰু বিষয়াজনৰ পৰা ঘটনা সন্দৰ্ভত জানিব বিচৰাত বিষয়াজনে সমগ্ৰ ঘটনা গাপ দিয়াৰ চেষ্টা কৰি বিভাগীয় গোপনীয়তা থকা বুলি জনাই ৩৫ কিলোমিটাৰ দূৰত অৱস্থিত তেওঁৰ কাৰ্যালয়লৈ সাংবাদিকক মাতি পঠায়। সাংবাদিকে তেওঁৰ কাৰ্যালয়লৈ যাবলৈ মান্তি নোহোৱাত সংবাদ মাধ্যমলৈ আঙুলি টোঁৱাই সাংবাদিকে বন বিভাগৰ কথা একো নাজানে বুলি ভীতি প্ৰদৰ্শন কৰে।

## অৱসৰপ্ৰাপ্ত কনিষ্ঠ অভিযন্তা নগেন্দ্ৰ নাথ

১২ পৃষ্ঠাৰ পৰা নিশা তেওঁ হঠাৎ অসুস্থ হৈ পৰাত পৰিয়ালৰ লোকে জিএমচি হাস্পতাললৈ লৈ যায় যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। জীৱিত অৱস্থাত কলিতাৰ জন্মস্থান ঘগ্ৰাপাৰৰ বিভিন্ন অনুষ্ঠানৰ লগতে চান্দমাৰিৰ জ্যোতিনগৰ কালী মন্দিৰ, গণেশ মন্দিৰ তথা ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ লগত বিশেষভাৱে জড়িত আছিল। তেওঁৰ জন্মভূমি গলিয়াৰ শ্ৰীশ্ৰীগোপাল গোসাঁই ঘৰ নিৰ্মাণৰ ক্ষেত্ৰতো তেওঁৰ বিশেষ অৰিহণা আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ এজন পুত্ৰ বোৱাৰী, দুগৰাকী কন্যাৰ লগতে ভালেসংখ্যক আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়। বিয়লিৰ ভাগত নৱগ্ৰহ শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়।

## অহিংস স্বাধীনতা সংগ্ৰামৰ ইতিহাস

১২ পৃষ্ঠাৰ পৰা তিতাবৰৰ ঠেঙাল ভৱনৰ পৰা শিৱপ্ৰসাদ বৰুৱাৰ উদ্যোগত প্ৰকাশিত অসমৰ প্ৰথমখন বাতৰি কাকত 'দৈনিক বাতৰি'ক ব্ৰিটিছ চৰকাৰে কেনেদৰে পৃষ্ঠপোষকতা কৰি ব্ৰিটিছৰ অধীনস্থ চাহ বাগানসমূহৰ বিজ্ঞাপন প্ৰকাশ কৰিছিল সেই কথাৰ ওপৰতো ব্যাখ্যা আগবঢ়াই কয় যে শিৱ প্ৰসাদ বৰুৱাৰ সেই কাহিনীবোৰ ইচ্ছাকৃতভাৱে বুৰঞ্জীত লিপিৱদ্ধ নহ'ল। কিন্তু শেহতীয়াকৈ এনে ধৰণৰ বহু কাহিনী, অথবা স্বাধীনতা সংগ্ৰামৰ লগত জড়িত বহু ঠাই, বহু ক্ৰান্তিকাৰী দেশভক্তৰ অৱদানৰ স্বীকৃতিয়েও আজিও বুৰঞ্জীত লিখিত ৰূপত সন্নিবিষ্ট নহ'ল। কিন্তু ভাৰতীয় ইতিহাস গৱেষণা সংস্থাই 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি সমগ্ৰ দেশজুৰি বুৰঞ্জীৰ অলিখিত আৰু অস্বীকৃত তথ্যসমূহৰ ওপৰত ব্যাপক গৱেষণাৰ জৰিয়তে সেইসমূহক লিখিতৰূপ দিয়াৰ বাবে নিৰন্তৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। এই সভাতে তিতাবৰ নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক তথা শৈক্ষিক উপাধ্যক্ষ ড° গুণাৰাম নাথক গামোচা, চেলেং চাদৰ, সঁফুৰা আৰু প্ৰশস্তি পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে যোৰহাট জিলা ইতিহাস সংকলন সমিতিয়ে। বিয়লি মহাবিদ্যালয়খনৰ চেমিনাৰ হ'লত বিভিন্ন গৱেষকৰ সৰ্বমুঠ ৩৬ খন ছেমিনাৰ পত্ৰ পাঠৰ অনুষ্ঠান অনুষ্ঠিত হয়। ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা বিভিন্ন গৱেষকে উত্থাপন কৰা চেমিনাৰ পঠন শৈলীৰ অনুষ্ঠানত মুখ্য সমল ব্যক্তিৰূপে অংশ লয় ত্ৰিপুৰাৰ 'ইনষ্টিটিউট অৱ এডভান্স ষ্টাডিজ ইন এডুকেচন'ৰ সহযোগী অধ্যাপক ড° হৰধন সাহাই।

## বজালী-৮২ৰ সতীৰ্থ সন্মিলনৰ সামৰণি

১২ পৃষ্ঠাৰ পৰা সূত্ৰধাৰ, বুবুল দত্ত, হোমেশ্বৰ কলিতা, নিৰঞ্জন ডেকা, মৃণাল কুমাৰ শৰ্মাই। স্মৃতি তৰ্পণ কৰে ডালিম কুমাৰ শৰ্মা আৰু জয়ন্ত কুমাৰ শৰ্মাই। তাৰ পাছত শোক প্ৰস্তাৱ পাঠ কৰে নৱ কুমাৰ শৰ্মাই। অনুষ্ঠান পৰিচালনা কৰে দেৱল কুমাৰ শৰ্মাই। কন্দৰ্প কুমাৰ শৰ্মাৰ পৰিকল্পনাত অনুষ্ঠিত এই অনুষ্ঠানৰ মূল কাৰ্যসূচী অন্তৰংগ আলাপ আৰম্ভ হয় দিনৰ ১১ বজাত। ইয়াত সভাপতিত্ব কৰে হীৰেন তালুকদাৰে আৰু সঞ্চালনা কৰে নয়নজিৎ ডেকাই। অনুষ্ঠানটো মুকলি কৰে বিদ্যালয়খনৰ অধ্যক্ষ সঞ্জীৱ কুমাৰ তালুকদাৰে। কন্দৰ্প কুমাৰ শৰ্মাই আঁতধৰা অনুষ্ঠানৰ সতীৰ্থ সন্মিলন উপলক্ষে প্ৰকাশ কৰা সতীৰ্থপঞ্জী উন্মোচন কৰে দ্বিজেন চৌধুৰী আৰু ডাঃ চক্ৰপাণি শৰ্মাই। প্ৰতীক চিহ্ন উন্মোচন কৰে মনোজ কুমাৰ কলিতা আৰু কিশোৰ কুমাৰ দত্তই। স্মাৰক উন্মোচন কৰে দেৱব্ৰত গোস্বামী, ভবেশ চন্দ্ৰ ৰাজবংশী আৰু কনক চন্দ্ৰ ৰয়। অনুষ্ঠানত সতীৰ্থসকলে তেওঁলোকৰ স্মৃতি ৰোমন্থন কৰি প্ৰায় ৪০ বছৰৰ মূৰত সতীৰ্থসকলক লগ পাই সকলোৱে উৎফুল্লিত হয়। সতীৰ্থ সন্মিলনখন সুকলমে অনুষ্ঠিত কৰাত বিভিন্ন ধৰণে সেৱা আগবঢ়োৱা বাবে ৰীতা দেৱীক শ্ৰেষ্ঠ জনসংযোগকাৰী, নয়নজিৎ ডেকাক শ্ৰেষ্ঠ সমন্বয়ক, দেৱল কুমাৰ শৰ্মাক শ্ৰেষ্ঠ পৰামৰ্শদাতা, নৱকুমাৰ শৰ্মাক শ্ৰেষ্ঠ ব্যৱস্থাপক, কনক চন্দ্ৰ ৰয় আৰু নিৰঞ্জন ডেকাক শ্ৰেষ্ঠ সংগঠক, মনোজ কুমাৰ কলিতা আৰু ভবেশ চন্দ্ৰ ৰাজবংশীক শ্ৰেষ্ঠ কৰ্মী আৰু মুকুল শৰ্মাক শ্ৰেষ্ঠ নীৰৱ কৰ্মীৰূপে সন্মানিত কৰা হয়। সভাৰ শেষত ৰূপেন দাসৰ পৰিচালনাত অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠানত টিকেন চৌধুৰী, প্ৰদীপ দাস, কুশল চন্দ্ৰ ঠাকুৰীয়া, নিৰঞ্জন ডেকা আদিয়ে গীত-মাত পৰিবেশন কৰি সকলোকে মোহিত কৰে। সভাপতিৰ ভাষণত হীৰেন তালুকদাৰে কয় যে এই অনুষ্ঠানে আমাৰ সকলো আয়ুস বঢ়ালে আৰু ই আমাক শৈশৱলৈ লৈ গ'ল।

## নিৰ্মালীৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

১২ পৃষ্ঠাৰ পৰা ব্যৱসায়ী অপিনিতা হাজৰিকা, দেৱজিৎ বৰা, সমাজকৰ্মী প্ৰবীণ কুৰ্মী প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে। অৰুণোদয় উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বিমান শইকীয়াই উদ্বোধন কৰা মুকলি সভাত স্থানীয় গাঁওবুঢ়া আৰু স্বাস্থ্যকৰ্মীসকলক সম্বৰ্ধনা জ্ঞাপন কৰে। সভাত বিশেষভাৱে সক্ষম শিল্পী ৰঞ্জু ভৰালী পৰিৱেশিত গীতত মুগ্ধ হৈ বিধায়ক ভাস্কৰজ্যোতি বৰুৱাই শিল্পী ভৰালীক নগদ পাঁচ হেজাৰ টকা উপহাৰ দিয়ে। এই সভাতে অৰ্ধশতাধিক দৰিদ্ৰ পৰিয়ালক আৰু দিব্যাংগ ব্যক্তিক মাখন গট্টানী আৰু অপিনিতা হাজৰিকাই আগবঢ়োৱা বস্ত্ৰ প্ৰদান কৰা হয়। আনহাতে, নিৰ্মালীৰ আধৰুৱা আন্তঃগাঁথনিৰ কাম সম্পূৰ্ণ কৰিবলৈ তৎকালীন ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি বিধায়ক বৰুৱাই অৱগত কৰে। প্ৰতিষ্ঠা দিৱস উলপক্ষে অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতাৰ বিজেতাসকলক মুকলি সভাত পুৰস্কৃত কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি এটি বস্ত্ৰ বেংক মুকলি কৰা হয়। গ্ৰাম্য পৰ্যটন ক্ষেত্ৰ হিচাপে নিৰ্মালীক গঢ়িবলৈ সভাতে সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি নিৰ্মালীৰ তৰফৰ পৰা বিনয় কলিতাই জানিবলৈ দিয়ে। মুকলি সভাৰ আগে আগে নিৰ্মালীৰ বাবে উছৰ্গা কৰা গ্ৰন্থ সম্ভাৰে কাব্যশ্ৰী হাজৰিকা সোঁৱৰণী পুথিভঁৰাল উদ্বোধন কৰে কাব্যশ্ৰীৰ পিতৃ মহেন্দ্ৰ নাথ হাজৰিকাই।

## বাণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ

১২ পৃষ্ঠাৰ পৰা পৰেশ চন্দ্ৰ শৰ্মাই। ছহিদ তৰ্পণ কৰিব বজালী মহকুমাৰ ছাত্ৰ সন্থাৰ সভাপতি দামোদৰ ৰয়ে। গছপুলি ৰোপণ কৰিব আনন্দ খাটনিয়াৰে। ইয়াৰ পাছত প্ৰেক্ষাগৃহ, মঞ্চ, তোৰণ আদি উদ্‌ঘাটন কৰাৰ পাছতে সাংস্কৃতিক শোভাযাত্ৰা মুকলি কৰিব ড° কৰুণা পাঠকে। আবেলি প্ৰাক্তন আৰু বৰ্তমানৰ শিক্ষক-কৰ্মচাৰীৰ সন্মিলনৰ আৰু সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব। সন্ধিয়া বন্তি প্ৰজ্বলনেৰে প্ৰথম দিনৰ কাৰ্যসূচীৰে সামৰণি মৰা হ'ব। দ্বিতীয় দিনা চাফাই অভিযান, বন্তি প্ৰজ্বলন, গছপুলি ৰোপণ, ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ সন্মিলন আৰু সম্বৰ্ধনা অনুষ্ঠান-অনুষ্ঠিত কৰা হ'ব। আবেলি 'ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ আৰু শিক্ষাৰ্থীৰ ভৱিষ্যত' শীৰ্ষক আলোচনাচক্ৰ সঞ্চালনা কৰিব মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ মুৰব্বী মোহন দত্তই। উদ্বোধন কৰিব আনন্দৰাম বৰুৱা একাডেমীৰ ৰেক্টৰ তথা অধ্যক্ষ ড° ৰণজিৎ ডেকাই। ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মুকুন্দ শৰ্মা আৰু বিবি কিষাণ কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ চক্ৰধৰ ডেকাই ইয়াত অংশগ্ৰহণ কৰিব হয়। সন্ধিয়া বন্তি প্ৰজ্বলন আৰু সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত কৰা হ'ব। অন্তিম দিনা অনিল কুমাৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া মুকলি সভা উদ্বোধন কৰিব ভট্টদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য বিৰিঞ্চি কুমাৰ দাসে। সাহিত্যিক পেঞ্চনাৰ, সমাজকৰ্মী তথা বি, এইছ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক মুনিন্দ্ৰ নাৰায়ণ গোস্বামীয়ে স্মৃতিগ্ৰন্থখন উন্মোচন কৰিব। সভাত উপস্থিত থাকিব বিশিষ্ট সাংবাদিক হাইদৰ হুছেইন, সাহিত্যিক ড° বসন্ত কুমাৰ ভট্টাচাৰ্য, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, পাটাছাৰকুছি সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী ৰণজিৎ কুমাৰ দাস আৰু জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাকে ধৰি কে'বাগৰাকী বিশিষ্ট ব্যক্তি। সন্ধিয়া সাংস্কৃতিক সমাৰোহৰে স্বৰ্ণ জয়ন্তীৰ সামৰণি পৰিব। অনুষ্ঠানসমূহত সকলো উদ্যোক্তা আৰু ৰাইজক সহায়-সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে।

# নিশাটোৰ ভিতৰতে অবাধে গঢ়ি উঠিছে বহুতো বাসগৃহ

# তেজপুৰত বায়ুসেনাৰ ঘাটিৰ সমীপতে বেদখল



**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ২৪ ডিচেম্বৰ ঃ** তেজপুৰৰ নিকটৱৰ্তী মালিজান খেৰবাৰী অঞ্চলত থকা চৰকাৰী ভূমিত সম্প্ৰতি একাংশ বেদখলকাৰীয়ে জধে-মধে গৃহ নিৰ্মাণ কৰাক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে, তেজপুৰস্থিত বায়ুসেনা ঘাটিৰ সমীপতে থকা চৰকাৰী ভূমিত নিশাটোৰ ভিতৰতে বহুসংখ্যক লোকে গৃহ নিৰ্মাণ কৰিছে। উল্লেখ্য যে, ৰঙাপৰা বিধানসভা সমষ্টি অন্তৰ্গত তথা চাৰিদুৱাৰ ৰাজহচক্ৰ বিষয়াৰ কাৰ্যালয়ৰ অধীনস্থ অঞ্চলৰ প্ৰায় ২০০বিঘা চৰকাৰী ভূমিত যোৱা দুদিন ধৰি চলিছে এনে বেদখলৰ ঘটনা। স্থানীয় লোকে অভিযোগ কৰা অনুসৰি, নতুনকৈ অহা কে'বাশতাধিক লোকে ইতিমধ্যেই এই অঞ্চলত আশ্ৰয় লোৱাৰ লগতে ইতিমধ্যেই প্ৰায় অৰ্ধশতাধিক ঘৰ নিৰ্মাণৰ কাম আৰম্ভ কৰিছে। দিনে-নিশাই এই অঞ্চলত এইসকল অচিনাকি লোকে বাসগৃহ নিৰ্মাণৰ বিপৰীতে অঞ্চলটোলৈ সৰবৰাহ হৈছে চিমেণ্ট-লোহা আদি। এনেদৰে নিশাটোৰ ভিতৰতে লোহা চিমেণ্টৰ আমদানি হোৱাৰ সমান্তৰালভাৱে খৰতকীয়া গতিত গৃহ নিৰ্মাণ আৰম্ভ হোৱাৰ আঁৰত এই সকল বেদখলকাৰীক কোনো পক্ষই ভিতৰি সহযোগিতা কৰা বুলিও আশংকা কৰা হৈছে। উল্লেখ্য যে, বায়ুসেনা ঘাটিৰ পকী দেৱালৰ লগতে লাগি থকা এই মূল্যবান চৰকাৰী ভূমি বায়ুসেনায়ো ছাউনিৰ সম্প্ৰসাৰণৰ বাবে বিচাৰি আহিছে। শেহতীয়াকৈ তেজপুৰত প্ৰতিৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ একাধিক প্ৰকল্প তেজপুৰৰ পাৰ্শ্বৱৰ্তী অঞ্চলত স্থাপনৰো সম্ভাৱনা থকাৰ লগতে এই ক্ষেত্ৰত দেশৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে অনুমোদন জনাইছে। ইয়াৰ বাবে তেজপুৰৰ পাৰ্শ্বৱৰ্তী অঞ্চলত যথেষ্ট পৰিমাণৰ চৰকাৰী ভূমিৰ প্ৰয়োজন হ'ব আৰু এই ক্ষেত্ৰত ইতিমধ্যে প্ৰয়োজনীয় পদক্ষেপো গ্ৰহণ কৰা হৈছে। কিন্তু ইয়াৰ মাজতে সম্প্ৰতি বায়ুসেনা শিবিৰৰ কাষতে চলা এই বেদখল আৰু ক্ষিপ্ৰতাৰে গৃহ নিৰ্মাণৰ ঘটনাৰ আঁৰত গভীৰ ৰহস্য থকা বুলি অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে তেজপুৰ আৰু চাৰিদুৱাৰ ৰাজহ চক্ৰ অঞ্চলত চৰকাৰীভাৱে অধিগৃহীত হোৱা ভূমিক কেন্দ্ৰ কৰি এটা চক্ৰই ধন আত্মসাতৰ পথ ইতিমধ্যেই প্ৰশস্ত কৰিছে। চাৰিশৰীয়া পথৰ গাইড বান্ধৰ বাবে অধিগৃহীত ভূমিত নিশাটোৰ ভিতৰতে গৃহ নিৰ্মাণ কৰি পাছত সেই গৃহৰ বাবে বৃহৎ পৰিমাণৰ চৰকাৰী ধন দালালচক্ৰই হজম কৰাই নহয়, শেহতীয়াকৈ সংবাদমেলত এই বিষয়ে প্ৰকাশ পোৱাৰ পাছতো পুনৰ এনেদৰে গৃহ নিৰ্মাণ কৰা ঘটনা তেজপুৰ ৰাজহ চক্ৰ বিষয়াৰ তদন্তত পোহৰলৈ আহিছে। উল্লেখ্য যে এনে দালালচক্ৰৰ বিৰুদ্ধে চৰকাৰীভাৱে কোনোধৰণৰ কঠোৰ ব্যৱস্থা গ্ৰহণ নোহোৱাৰ উপৰি এই সকল দালালৰ পৰা আকৌ বিভিন্ন ভাবুকিৰে আন এটা পৃথক চক্ৰই ধন আত্মসাতৰ ফন্দি কৰাৰো অভিযোগ উঠিছে। উল্লেখ্য যে, অধিগৃহীত ভূমিৰ বিপৰীতে একাংশই বিভিন্ন উপায়েৰে চৰকাৰী ধন আদায় কৰিবলৈ সক্ষম হোৱাৰ বাবেই সম্প্ৰতি এনে সুযোগৰে বহুসংখ্যক লোক অপেক্ষাত থকাৰ সময়ত বায়ুসেনা শিবিৰৰ সমীপতে পুনৰ চৰকাৰী ভূমিত বেদখল আৰু গৃহ নিৰ্মাণৰ ঘটনাই আন এক ৰহস্যৰ সৃষ্টি কৰিছে।

## নগাঁও মহকুমা ছাত্ৰ সন্থাৰ বাৰ্ষিক ধিং অধিবেশনৰ লাইখুঁটা স্থাপন

**অগ্ৰদূত বাৰ্তা**

**ধিং, ২৪ ডিচেম্বৰ ঃ** সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত নগাঁও মহকুমা ছাত্ৰ সন্থাৰ বাৰ্ষিক অধিবেশনৰ লাইখুঁটা আজি মাংগলিক পৰিৱেশৰ মাজত ধিঙৰ শ্ৰীশ্ৰীজগন্নাথ মন্দিৰৰ সোণালী ক্ষেত্ৰত স্থাপন কৰাৰ হয়। ধিঙত অহা পাঁচ আৰু ছয় জানুৱাৰীত অনুষ্ঠিত হ'ব লগা অধিবেশনৰ প্ৰস্তুতি চলাইছে ধিং আঞ্চলিক ছাত্ৰ সন্থাৰ লগতে নগাঁও মহকুমা ছাত্ৰ সন্থাৰ বাৰ্ষিক অধিবেশনৰ আদৰণি সমিতিয়ে। উল্লেখ্য যে অহা পাঁচ জানুৱাৰীত ধিং আঞ্চলিক ছাত্ৰ সন্থাৰ অধিবেশন অনুষ্ঠিত হোৱাৰ লগতে ছয় জানুৱাৰীত নগাঁও মহকুমা ছাত্ৰ সন্থাৰ বাৰ্ষিক অধিবেশন অনুষ্ঠিত হ'ব। নগাঁও জিলাৰ মুঠ ১৫খন আঞ্চলিকৰ বিষয়ববীয়াৰ লগতে প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব লগা অধিবেশনতে পৰৱৰ্তী সময়ৰ বাবে নতুন সমিতি গঠন কৰা হ'ব। আনহাতে, পাঁচ জানুৱাৰীৰ পুৱা পতাকা উত্তোলনেৰে আৰম্ভ হ'বলগীয়া ধিং আঞ্চলিক ছাত্ৰ সন্থাৰ বাৰ্ষিক অধিবেশনৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ উপৰি সন্ধ্যা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। আনহাতে, ছয় জানুৱাৰীৰ পুৱা পতাকা উত্তোলন, ছহিদ তৰ্পণৰ পাছতে বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। সাংস্কৃতিক শোভাযাত্ৰাত অংশগ্ৰহণ কৰিব সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যৰ লগতে কে'বাগৰাকী জনপ্ৰিয় শিল্পীয়ে। বিয়লি প্ৰতিনিধি সভা আৰু সন্ধিয়া বিষয় বাছনি সভা অনুষ্ঠিত হ'ব। পাছত আমন্ত্ৰিত শিল্পীৰ দ্বাৰা বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। উল্লেখ্য যে অধিবেশনৰ লগত সংগতি ৰাখি মৃগাংক বৰাৰ সম্পাদনাত এখন স্মৃতিগ্ৰন্থ প্ৰকাশ পাব বুলি আদৰণি সমিতিৰ সম্পাদক মুকুল কলিতা আৰু ভাস্কৰজ্যোতি নাথে জনাইছে।

## তেজপুৰৰ গীৰ্জাত নাই পূৰ্বৰ উলহ মালহ পৰিৱেশ

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ২৪ ডিচেম্বৰ ঃ** বিশ্ব তথা দেশজুৰি খ্ৰীষ্ট ধৰ্মাৱলম্বী লোকসকলে পালন কৰিব পৱিত্ৰ বৰদিন। এই উৎসৱ পালনৰ বাবে সজাই পৰাই তোলা হৈছে গীৰ্জাসমূহ। কিন্তু এইবাৰ তেজপুৰত বৰদিনৰ প্ৰাৰ্থনাৰ বাবে গীৰ্জাসমূহ পূৰ্বৰ জাকজমকতা পৰিহাৰ কৰি কেৱল পৰিষ্কাৰ পৰিচ্ছন্নহে কৰা হৈছে। ক'ভিডসৃষ্ট পৰিৱেশৰ বাবে অধিক সমাগম আৰু জাকজমকতা পৰিহাৰ কৰি মাত্ৰ ধৰ্মীয় নীতি-নিয়ম পালনৰেই তেজপুৰত এইবাৰ পালিত হ'ব বৰদিন। নিশা গীৰ্জাসমূহত কেৱল প্ৰাৰ্থনা অনুষ্ঠানতে সীমাবদ্ধ কৰি ৰাখি অন্যান্য কাৰ্যসূচীসমূহ বাতিল কৰা বুলি উল্লেখ কৰিছে গীৰ্জা কৰ্তৃপক্ষসমূহে। কাইলৈ নিশা তেজপুৰ ৰোমান কেথলিক গীৰ্জাৰ লগতে ব্যপ্তিষ্ট মিছন হাস্পতালস্থিত গীৰ্জা, তেজপুৰ চাৰ্চ ফিল্ডত ১৮৪৭ত স্থাপিত পুৰিণ গীৰ্জা দি চাৰ্চ অৱ ইপিফেনীত বৰদিন পালনৰ প্ৰস্তুতি চলাইছে যদিও নাই পূৰ্বৰ উলহ মালহ পৰিৱেশ। একেদৰে জিলাখনৰ বিভিন্ন চাহ বাগিচাৰে ধৰি একাংশ খ্ৰীষ্ট ধৰ্মাৱলম্বী লোকে বসবাস কৰা অঞ্চলত নাই কোনো উখল মাখল পৰিৱেশ। খাদ্য সামগ্ৰীৰ মূল্যবৃদ্ধি তথা বছৰৰ উৎসৱ বুলি খ্ৰীষ্ট ধৰ্মাৱলম্বীসকলে নিজা বাসগৃহসমূহ সজাই পৰাই তোলাৰ বাবে ব্যৱহৃত ফুল, তৰা টুপি আদিৰ দামৰ বাবে থমকি ৰ'ব লগা হৈছে। ইয়াৰ মাজতে আজি নিশাৰে পৰা আৰম্ভ হ'ব পৱিত্ৰ বৰদিনৰ প্ৰাৰ্থনা। তেজপুৰৰ বিচপ হাউচত থকা গীৰ্জাৰ প্ৰাৰ্থনাৰ বাবে যুৱক-যুৱতীসকল কেৱল তথা ধৰ্মীয় গীতৰ আখৰাৰে মুখৰ কৰি তুলিছে।

**আজি পৱিত্ৰ বৰদিন**

## ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বিশেষ কাৰ্যসূচী সম্পন্ন


**বৰমা, ২৪ ডিচেম্বৰ ঃ** বাগ্‌সা জিলাৰ বৰমা মহাবিদ্যালয় প্ৰাংগণত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উদ্যোগত কালি সাংগঠনিক কাৰ্যসূচী অনুষ্ঠিত হয়। বৰমা মহাবিদ্যালয়ত নতুনকৈ ৰাষ্ট্ৰীয় সেৱা আঁচনিত অন্তৰ্ভুক্ত হোৱা ছাত্ৰ-ছাত্ৰীসকলক এনএছএছৰ বিষয়ে জ্ঞান দিয়াৰ লগতে ৰাষ্ট্ৰীয় সেৱা আঁচনি কি, ইয়াৰ দায়িত্ব, কৰ্তব্যৰ বিষয়ে জ্ঞান আগবঢ়ায়। উক্ত সভাত উপস্থিত থাকে বৰমা মহাবিদ্যালয়ৰ অধ্যক্ষ টীকেন চন্দ্ৰ দাস, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি তথা এনএছএছৰ ছাত্ৰ-ছাত্ৰী কল্যাণ সমন্বয় বিষয়া, সহকাৰী অধ্যাপক মকিবৰ ৰহমানৰ লগতে বৰমা মহাবিদ্যালয়ৰ সকলো অধ্যাপকৰ লগতে ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে?

## ধিং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান হাজৰিকালৈ 'ভৱানন্দ দত্ত সোঁৱৰণী বঁটা'

**অগ্ৰদূত বাৰ্তা**

**ধিং, ২৪ ডিচেম্বৰ ঃ** ধিং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান হাজৰিকালৈ আগবঢ়োৱা হৈছে ২০২১ৰ ভৱানন্দ দত্ত সোঁৱৰণী বঁটা। ইয়াকে লৈ উৎফুল্লিত হৈ পৰিছে মহাবিদ্যালয়খনৰ শিক্ষক গোটৰ লগতে সমূহ ছাত্ৰ-ছাত্ৰী। যোৰহাটৰ চিনামৰা মহাবিদ্যালয়ৰ 'মোহন চন্দ্ৰ অধ্যয়ন কেন্দ্ৰ'ই প্ৰতি বছৰে প্ৰদান কৰি আহিছে এই বঁটা। এতিয়ালৈকে মোহন চন্দ্ৰ অধ্যক্ষই ৬০ জনকৈ গৱেষক শিক্ষাবিদলৈ এই বঁটা আগবঢ়াইছে। আজি ধিং মহাবিদ্যালয়ৰ ৰাজনীতি বিভাগৰ প্ৰৱক্তা ৰঞ্জিত বৰদলৈৰ আণ্ডাৰষ্টেণ্ডিং পলিটিকেল থিয়ৰী শীৰ্ষক গ্ৰন্থখনি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আনুষ্ঠানিকভাৱে উন্মোচন কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° বিমান হাজৰিকাই। নতুন দিল্লীৰ গ্ল'বেল নেট পাব্লিকেছনে প্ৰকাশ কৰা এই গ্ৰন্থখনি চিবিএছইৰ স্নাতক পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰীসকলৰ সহায়ক হ'ব বুলি গ্ৰন্থখনিৰ লেখক ৰঞ্জিত বৰদলৈয়ে উল্লেখ কৰে। এই গ্ৰন্থ উন্মোচনী সভাতেই ড° বিমান হাজৰিকাক ২০২১ৰ ভৱানন্দ দত্ত সোঁৱৰণী বঁটা লাভ কৰাৰ বাবে ধিং মহাবিদ্যালয় কৰ্তৃপক্ষই সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

## চিকিৎসক সানৌ সিংহৰ বিয়োগ



**অগ্ৰদূত বাৰ্তা**

**হোজাই, ২৪ ডিচেম্বৰ ঃ** হোজাইৰ সৰবৰহী ব্যক্তি, হোজাই সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি, অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ চিকিৎসক ডাঃ সানৌ সিংহ (৮৪)ৰ আজি বিয়লি হোজাইৰ হাম হাস্পতালত মৃত্যু ঘটে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ প্ৰথম স্নাতক তথা স্বাস্থ্য বিভাগৰ অৱসৰপ্ৰাপ্ত উপ-অধীক্ষকজনৰ মৃত্যুৰ সময়ত বয়স আছিল ৮৪ বছৰ। জ্যেষ্ঠ চিকিৎসকজন দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ বিগত কিছুদিনৰ পৰা অসুস্থ হৈ আছিল। মৃত্যুৰ সময়ত তিনি পুত্ৰ আৰু এগৰাকী কন্যাক এৰি যায়। ডাঃ সিংহৰ মৃত্যুত হোজাই জিলা সাহিত্য সভাৰ সভাপতি, সম্পাদক ক্ৰমে গুণেশ্বৰ শইকীয়া আৰু অনুপ কুমাৰ বৰঠাকুৰে, মণিপুৰী সাহিত্য পৰিষদ, নগাঁও শাখা, হাম হাস্পতালৰ সঞ্চালক ডাঃ ছাইদুল ইছলাম, নৱজ্যোতি ক্লাব, অংকুৰ সংঘ, সাহিত্যিক ড° সাৰদানন্দ দেৱ গোস্বামী, প্ৰাক্তন বিধায়ক ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে, বিধায়ক ৰামকৃষ্ণ ঘোষ, প্ৰাক্তন বিধায়ক শিলাদিত্য দেৱ, হোজাই শাখা সাহিত্য সভাৰ সভাপতি ডাঃ চামচুল হক আদিয়ে শোক প্ৰকাশ কৰে।

## গুইয়াত আত্মৰাম ডেকা-সোণেশ্বৰী ডেকালৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি

**অগ্ৰদূত বাৰ্তা**

**কনিহা, ২৪ ডিচেম্বৰ ঃ** কমলপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত গুইয়া নিবাসী সৰবৰহী মহিলা সোণেশ্বৰী ডেকাৰ প্ৰথম মৃত্যু বাৰ্ষিকী উপলক্ষে গুইয়াৰ বাসগৃহ প্ৰাংগণত অনুষ্ঠিত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ধৰ্মপ্ৰাণ মহিলাগৰাকীৰ লগতে তেওঁৰ স্বামী আত্মাৰাম ডেকাক ৰাজহুৱাভাৱে শ্ৰদ্ধা জনোৱা হয়। দুপৰীয়া অনুষ্ঠিত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত সমাজকৰ্মী হলধৰ ডেকাই বন্তি প্ৰজ্বলন আৰু অৱসৰপ্ৰাপ্ত শিক্ষক ধৰ্মেশ্বৰ দাসে প্ৰয়াত আত্মৰাম ডেকা আৰু প্ৰয়াত সোণেশ্বৰী ডেকাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে। কামৰূপ জিলা সাংবাদিক সন্থাৰ সম্পাদক তৰণী চৰণ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত স্মৃতিচাৰণ সভাত দক্ষিণ ৰঙিয়া প্ৰেছ ক্লাবে প্ৰকাশ কৰা আত্মৰাম ডেকা আৰু সোণেশ্বৰী ডেকাৰ কনিষ্ঠ পুত্ৰ ভবেন দাসৰ 'হেৰাই গ'ল মায়া' নামৰ এখন সোঁৱৰণী গ্ৰন্থ উন্মোচন কৰা হয়। প্ৰেছ ক্লাবৰ সহকাৰী সম্পাদক অজন্তা চৌধুৰীয়ে আঁত ধৰা সভাত গ্ৰন্থখন উন্মোচন কৰে জলসিঞ্চন বিভাগৰ কাৰ্যবাহী অভিযন্তা মনেশ্বৰ ডেকাই। হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ জ্যোতিষ চন্দ্ৰ ডেকা, অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰাণেস্বৰ শালৈ, অৱসৰপ্ৰাপ্ত শিক্ষক মতিৰাম ডেকাসহ কে'বাগৰাকী ব্যক্তিয়ে অনুষ্ঠানত অংশগ্ৰহণ কৰে।

## দলগাঁও প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



**অগ্ৰদূত বাৰ্তা**

**দলগাঁও, ২৪ ডিচেম্বৰ ঃ** দৰঙৰ দলগাঁও প্ৰেছ ক্লাবৰ ২৩ সংখ্যক প্ৰতিষ্ঠা দিৱস যোৱা ২৩ ডিচেম্বৰত অনুষ্ঠুপীয়াকৈ অনুষ্ঠিত কৰা হয়। দলগাঁৰৰ উদীয়মান কবি-সাহিত্যিক ধীৰেণ শইকীয়াৰ পৰিচালনাত আবেলি দলগাঁৰৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান আংগিকৰ বাকৰিত অনুষ্ঠিত হয় এই কাৰ্যসূচী। দলগাঁও থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মনোৰঞ্জন গগৈয়ে কাৰ্যসূচী উদ্বোধন কৰে। দলগাঁও প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি প্ৰদীপ ঘোষ আৰু সাধাৰণ সম্পাদক আব্দুল আজিজে যুটীয়াভাৱে কেক কাটে। পাছত সাংবাদিকসকলৰ কৰ্ম আৰু দায়িত্বৰ ওপৰত বক্তব্য ৰাখে বিষয়া গগৈ, অৱসৰপ্ৰাপ্ত শিক্ষক যোগেন নাথ, সাধন মজুমদাৰ, জিলা পৰিষদৰ সদস্যা সোণপ্ৰভা শইকীয়াই। উদীয়মান যুৱক অনুপম চহৰীয়াই দলগাঁও প্ৰেছ ক্লাবৰ লগত পৰোক্ষভাৱে জড়িত থকাৰ হেতুকে বিগত সময়ৰ প্ৰেছ ক্লাৱৰ সদস্যসকলৰ ওপৰত থকা অভিজ্ঞতা ব্যাখ্যা কৰে। খাৰুপেটীয়াৰ সাংবাদিক ইমদাদুল ইছলাম, দলগাঁৰৰ আকবৰ ই জাহান, মানবেন্দ্ৰ শইকীয়াই সাংবাদিকতা জীৱনৰ তিতা-কেঁহা অভিজ্ঞতা ব্যাখ্যা কৰে। অনুষ্ঠানত কবিতা আবৃত্তি কৰে সাংবাদিক আব্দুছ ছামাদ, বিষয় শিক্ষয়িত্ৰী নুৰনেহাৰ বেগম আৰু আজিৰ পৰিচালক ধীৰেণ শইকীয়াই। সভাৰ কাৰ্যসূচীৰ মাজে মাজে শিক্ষয়িত্ৰী প্ৰিণ্টুমণি বৰা আৰু তনুস্মিতা ঘোষে গীত পৰিৱেশন কৰি কাৰ্যসূচীক অধিক জীপাল কৰি তোলে। সভাতে জ্যেষ্ঠ নাগৰিক যোগেন নাথ, সাধন মজুমদাৰ, উপেন শইকীয়া, ৰিজিনা বেগম আৰু দলগাঁও পঞ্চায়তৰ সভাপতি বিশ্বজিৎ ঘোষক ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। ইপিনে, অৱসৰপ্ৰাপ্ত শিক্ষক যোগেন নাথে নিজে লিখি উলিওৱা একোখনকৈ কিতাপ সাংবাদিকসকলৰ মাজত বিতৰণ কৰে। কাৰ্যসূচী আৰম্ভ হোৱাৰ পূৰ্বে প্ৰতিষ্ঠাপক সভাপতি অজয় চহৰীয়াৰ মৃত্যুৰ বাবে এক মিনিট সময় মৌনতা অৱলম্বন কৰি আত্মাৰ সদ্‌গতিৰ বাবে প্ৰাৰ্থনা জনোৱা হয়। উল্লেখ্য যে বৰ্তমানৰ সভাপতি পদ্মলোচন দাসে বাৰ্ধক্যজনিত কাৰণত এই কাৰ্যসূচীত উপস্থিত থাকিব নোৱাৰিলে।

## তামুলপুৰত বিটিআৰ চৰকাৰৰ স্বাস্থ্য বিভাগৰ ড্ৰাগছৰ বিৰুদ্ধে সজাগতা মটৰ চাইকেল সমদল

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ২৪ ডিচেম্বৰ ঃ** বিটিআৰ চৰকাৰৰ স্বাস্থ্য বিভাগৰ উদ্যোগত কালি তামুলপুৰত ড্ৰাগছৰ বিৰুদ্ধে সজাগতা মটৰ চাইকেল সমদল উলিওৱা হয়। মটৰ চাইকেল সমদলটো উদ্বোধন কৰে বিটিআৰৰ স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্য অৰূপ দেই। তামুলপুৰ মহকুমা সদৰৰ ঘগ্ৰাচ'কৰ পৰা আৰম্ভ কৰা এই মটৰ চাইকেল সমদলৰ অন্ত পৰে নাগ্ৰীজুলিত। সমদলটোত অংশগ্ৰহণ কৰি কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দেই কয়, 'সকলোৱে ড্ৰাগছৰ পৰা বিৰত থাকিব লাগে। ড্ৰাগছ সেৱন কৰিলে সমাজখন ধ্বংস হয়। সেয়ে আমি ড্ৰাগছ সেৱনৰ পৰা বিৰত থাকিব লাগে। যুৱ প্ৰজন্ম আমাৰ দেশৰ ভৱিষ্যৎ যিকোনো প্ৰকাৰে আমাৰ এই যুৱ প্ৰজন্মক ড্ৰাগছমুক্ত কৰি এন্ধাৰৰ পৰা আঁতৰাই আনিব লাগিব। বিশ্বৰ আটাইতকৈ অধিক যুৱক-যুৱতী থকা দেশ হৈছে ভাৰতবৰ্ষ। উঠি অহা অসমৰ যুৱ প্ৰজন্মক অনুৰোধ জনাই তেওঁ কয়, 'আমি সকলোৱে মিলি নতুন অসম গঢ় দিওঁ আহক। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মূল সপোন আৰু বিটিআৰ প্ৰধান প্ৰমোদ বড়োৰ নতুন বিটিআৰ গঢ়াৰ সপোন বাস্তৱত ৰূপায়ণ কৰিব লাগিব। তেওঁ পুনৰ কয়, 'বিজেপি চৰকাৰে ড্ৰাগছৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰিছে। ড্ৰাগছ ব্যৱসায়ৰ লগত জড়িত কোনো লোকক ক্ষমা কৰা নহ'ব। প্ৰাথমিকভাৱে আমি নগণ্য সংখ্যক লোকক ড্ৰাগছৰ কবলৰ পৰা আঁতৰাই আনিবলৈ সক্ষম হৈছো বুলিও মন্তব্য কৰে কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দেই। আজি এই মটৰ চাইকেল সমদলত উপস্থিত থাকে বিটিআৰৰ এমচিএল হেমন্ত কুমাৰ ৰাভাই কয়, হেমন্ত ৰাভাই ড্ৰাগছৰ পৰা নৱ প্ৰজন্মক দূৰত ৰাখিব লাগিব। ইয়াৰ বাবে সকলোৱে মাৰ বান্ধি ড্ৰাগছ মুক্ত এখন সমাজ গঢ়াৰ বাবে ওলাই আহিব লাগিব। আমাৰ সমাজত যাতে কোনো ধৰণৰ নিচাযুক্ত সামগ্ৰী প্ৰচলন নহয় তাৰ প্ৰতি নজৰ ৰাখিব লাখিব। আমাৰ ভৱিষ্যৎ প্ৰজন্মক ৰক্ষা কৰাৰ দায়িত্ব আমাৰ বুলি তেওঁ কয়, কোনোবা যদি ড্ৰাগছ আসক্ত আছে তেওঁক আমি ধ্বংসৰ মুখৰ পৰা উদ্ধাৰ কৰিব লাগিব। আজিৰ সজাগতা মটৰ চাইকেল সমদলত এমচিএলএ বিজিৎ গৌৰা নাৰ্জাৰী, প্ৰাক্তন কাৰ্যবাহী সদস্য দেবেন বড়ো, বাসুদেৱ উপাধ্যায়, তামুলপুৰ জিলা বিজেপিৰ সভাপতি ভিক্টৰ কুমাৰ দাস, সাধাৰণ সম্পাদক কৰণ ছেত্ৰীৰ লগতে সাতশৰো অধিক যুৱক-যুৱতী এই ড্ৰাগছ বিৰোধী মটৰ চাইকেল সমদলত অংশগ্ৰহণ কৰে।

# ধৰ্মৰ নামত ৰাজনীতি কৰা সকলৰ পৰা সমাজখনক বচাবলৈ সজাগ থাকিব লাগিব

## আলোপতি ছাত্ৰ সন্থাৰ সোণালী জয়ন্তী উপলক্ষে ন-পুৰণি ছাত্ৰ সন্মিলনী সভা



**আলোপতি, ২৪ ডিচেম্বৰ ঃ** বৰপেটা জিলাৰ দক্ষিণ প্ৰান্তৰ বৃহত্তৰ আলোপতি অঞ্চলৰ আলোপতি ছাত্ৰ সন্থাৰ সোণালী জয়ন্তী উৎসৱৰ আজি তৃতীয় দিন বিয়লি তিনি বজাত ন-পুৰণি ছাত্ৰ সন্মিলন সভা অনুষ্ঠিত হয়। আলোপতি ছাত্ৰ সন্থাৰ কাৰ্যকৰী সভাপতি আজিজুল হকৰ সভাপতিত্বত অনুষ্ঠিত ন-পুৰণি ছাত্ৰ সন্মিলনী সভাখন উদ্বোধন কৰে সন্থাৰ প্ৰাক্তন উপ-সভাপতি তথা অধ্যাপক আমজাদ হুছেইনে। উদ্‌যাপন সমিতিৰ সম্পাদক ৰফিকুল হাচানে আদৰণি ভাষণ প্ৰদান কৰা সন্মিলনী সভাখনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° অখিল ৰঞ্জন দত্তই কয় যে বৃহত্তৰ অঞ্চলটোৰ লগতে আলোপতি ছাত্ৰ সন্থাৰ উৎপীড়ন, অভিজ্ঞতাৰে পাৰ হৈ যোৱা এক ইতিহাস আছে। ইতিহাসৰ ভিত্তিত তাৰ পৰা ওলাই আহি নতুন সমাজ গঢ়াৰ প্ৰয়াস সকলোৱে চলাব লাগিব। তদুপৰি তেওঁ ধৰ্মৰ নামত ৰাজনীতি কৰাসকলৰ পৰা সমাজখনক বচাই ৰাখিবলৈ সকলোৱে সজাগ থাকিব লাগিব বুলি কয়। অনুষ্ঠানত বিশিষ্ট লেখক তথা অসম আৰক্ষীৰ ৰেলৱেৰ উপ-মহাপৰিদৰ্শক আবু ছফিয়ানে ভাষণ প্ৰদান কৰে। অনুষ্ঠানটোত আলোপতি ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি আলহাজ চুলতান আহমেদ আৰু বৰ্তমানৰ সভাপতি হান্নানুল আহমেদ ভাষণত ছাত্ৰ সন্থাৰ গঠন আৰু ইয়াৰ বিগত দিনৰ ইতিহাস ৰোমন্থন কৰি সময়ৰ সদ্ব্যৱহাৰ কৰি সমাজ আৰু দেশৰ উন্নয়নৰ হকে কাম কৰি যাবলৈ আহ্বান জনায়। তদুপৰি অনুষ্ঠানত বিষয় শিক্ষক মৌচুমী দত্ত বৰা, গৱেষক পণ্ডিত ক্ৰমে জ্যোতিষ্মান বৰুৱা, নিলাক্ষী তালুকদাৰ, সংঘমিত্ৰা দেৱ ৰয়, আলহাজ মীৰ মহম্মদ আলী, আতাউৰ ৰহমান, এম আব্দুল মজিদনুৰ আলম, আলফাজ উদ্দিন আহমেদ, গাজী ৰহমান, ৰফিকুল হাছানৰ লগতে আলোপতি ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি-সম্পাদক, বৰ্তমানৰ বিষয়ববীয়া আৰু সদস্যসকল উপস্থিত থাকে। অনুষ্ঠানটোত আলোপতিৰ আব্দুল হালিম আৰু ড° আতাউৰ ৰহমানৰ দুখন গ্ৰন্থ উন্মোচন কৰা হয়। উল্লেখ্য যে অনুষ্ঠানটোত আলোপতি ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি-সম্পাদকসকলক গামোচা আৰু মানপত্ৰৰে সম্বৰ্ধনা জনোৱা হয়।

## জামুগুৰিহাটত নগৰ সমিতিৰ নিৰ্বাচনী সভা

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২৪ ডিচেম্বৰ ঃ** চৰকাৰে ঘোষণা কৰা অনুযায়ী পৌৰসভা, নগৰ সমিতিৰ নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দলৰ মাজত আৰম্ভ হৈছে ৰাজনৈতিক কুচকাৱাজ। শোণিতপুৰ জিলাৰ চতিয়া সমষ্টিৰ অন্তৰ্গত জামুগুৰিহাটৰ নগৰ সমিতিৰ নিৰ্বাচনৰ বাবেও বিভিন্ন ৰাজনৈতিক দলৰ লগতে বিজেপিৰ নেতা-কৰ্মীসকলে আৰম্ভ কৰিছে ৰাজনৈতিক কুচ-কাৱাছ। জামুগুৰি নগৰ সমিতিৰ অন্তৰ্গত ১০টা ৱাৰ্ডত ইতিমধ্যে ৰাজনৈতিক সভা-সমিতি অনুষ্ঠিত কৰাত ব্যস্ত হৈ পৰিছে বিজেপিৰ কৰ্মকৰ্তাসকল। কালি সন্ধিয়া জামুগুৰি নগৰ সমিতিৰ এক নম্বৰ ৱাৰ্ডৰ এখন গুৰুত্বপূৰ্ণ সভা পাতলৰচুক গাঁৱৰ তৰুণ পুথিভঁৰালত অনুষ্ঠিত হয়। বুথ কমিটীৰ সভাপতি দুলাল শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাত এক নম্বৰ ৱাৰ্ড কমিটীৰ নিৰ্বাচনী পৰিচালনা কমিটীখন গঠন কৰা হয়। সভাত নদুৱাৰ মণ্ডল বিজেপিৰ সভাপতি জয়ন্ত বৰাই বিজেপিৰ সাংগঠনিক দিশৰ ওপৰত বক্তব্য প্ৰদান কৰাৰ লগতে চৰকাৰী আঁচনিসমূহৰ ব্যাখ্যা আগবঢ়ায়।

# কোচবিহাৰৰ মধুপুৰ সত্ৰত মধুপুৰ মহোৎসৱ আৰম্ভ



অগ্ৰদূত বাৰ্তা

**হাউলী, ২৪ ডিচেম্বৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ভক্তিৰসেৰে আজি মুখৰ হৈ পৰে পশ্চিমবংগৰ সমগ্ৰ কোচবিহাৰ অঞ্চল। অসমীয়া সাহিত্য-সংস্কৃতিৰ পীঠস্থান শ্ৰীমন্ত শংকৰদেৱৰ মহাপ্ৰয়াণৰ পবিত্ৰ তীৰ্থভূমি উত্তৰ বংগৰ কোচবিহাৰৰ মধুপুৰ সত্ৰত আজিৰে পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হৈছে মধুপুৰ মহোৎসৱ। মধুপুৰ সত্ৰ সমিতিৰ প্ৰচাৰ সম্পাদক যুগান্ত বায়নে জনোৱা মতে, মহাপুৰুষীয়া কৃষ্টি-সংস্কৃতি বিশ্বমুখী কৰাৰ প্ৰয়াসেৰে মধুপুৰ সত্ৰ সমিতিয়ে এই মধুপুৰ মহোৎসৱৰ আয়োজন কৰিছে। আবেলি তিনি বজাত কোচবিহাৰ আৰু মধুপুৰ সত্ৰত অসম আৰু বংগৰ বিভিন্ন প্ৰান্তৰ পৰা আহি উপস্থিত হোৱা সহস্ৰাধিক ভকত-বৈষ্ণৱসকলক আদৰণি জনোৱা হয়। অসম সত্ৰ সমিতিৰ সভাপতি তথা মধুপুৰ সত্ৰ সমিতিৰ সভাপতি জীতেন্দ্ৰ নাথ প্ৰধানী আৰু সম্পাদক কুমাৰ দীপক দাসৰ নেতৃত্বত মধুপুৰ সত্ৰৰ আশে-পাশে বাস কৰা ভকতবৈষ্ণৱসকলে ভকতক আদৰণি জনায়। সন্ধিয়া বিশিষ্ট সত্ৰীয়া সংস্কৃতিৰ গৱেষক ধনেশ্বৰ নাথৰ পৰিচালনাত ভাগৱত পাঠ আৰু ব্যাখ্যাৰ এক অভিনৱ কাৰ্যসূচী সম্পন্ন হয়। ইয়াত উত্তৰবংগৰ বিভিন্ন সত্ৰৰ সত্ৰাধিকাৰৰ উপৰি শতাধিক উত্তৰবংগৰ ভকত-বৈষ্ণৱে অংশগ্ৰহণ কৰি গুৰু দুজনাৰ কৰ্মৰাজিৰ ওপৰত এক মননশীল আলোচনাত মিলিত হয়। কাইলৈ মধুপুৰ সত্ৰত প্ৰভাত ফেৰী, সাংস্কৃতিক শোভাযাত্ৰা, থিয়নাম সমাৰোহ, স্মৰণিকা উন্মোচন, সাংস্কৃতিক অনুষ্ঠান আৰু ভাৰত চৰকাৰৰ সত্ৰীয়া কেন্দ্ৰৰ দ্বাৰা ভাওনা প্ৰদৰ্শন কৰা হ'ব। উল্লেখ্য যে উত্তৰবংগৰ সত্ৰসমূহৰ লগতে বৰপেটা সত্ৰ, সুন্দৰীদিয়া সত্ৰ, সত্ৰশাল সত্ৰ, জিনকাটা সত্ৰ, গুৱাহাটী, বিজনী, হাউলী আদি অঞ্চলৰ বিভিন্ন সত্ৰ তথা নামঘৰৰ ভকত-বৈষ্ণৱসকল মধুপুৰ সত্ৰত উপস্থিত হৈছে।


# চৰকাৰী আঁচনিৰ সহায়ত দৰিদ্ৰ মহিলাও হ'ল গাড়ীৰ গৰাকী

## ■ বৰপেটা জিলাৰ বহৰিত মালবাহী অট'ভান বিতৰণ

বিশেষ সংবাদদাতা

**বৰপেটা, ২৪ ডিচেম্বৰ ঃ** বৰপেটা জিলাৰ চক্‌চকা আৰু সৰুক্ষেত্ৰীৰ পাছত আজি চেঙা উন্নয়ন খণ্ডৰ অধীনতো এগৰাকী হিতাধিকাৰীয়ে কেন্দ্ৰীয় চৰকাৰৰ 'আজীৱিকা গ্ৰামীণ এক্সপ্ৰেছ যোজনা'ৰ অধীনত সুদবিহীন ঋণত এখন সৰু মালবাহী গাড়ী লাভ কৰিবলৈ সক্ষম হৈছে। বহৰিৰ আৰোহন মণ্ডল সংগঠনে 'আজীৱিকা গ্ৰামীণ এক্সপ্ৰেছ যোজনা'ৰ ক'ভিড সাহাৰ্য আচনিৰ অধীনত লাভ কৰা ৩.৫০ লাখ টকাৰ এককালীন অনুদানৰ ধনেৰে চৌধুৰীপাৰাৰ শ্ৰীকৃষ্ণ আত্মসহায়ক গোটৰ সদস্যা হিমাশ্ৰী ৰায়চৌধুৰীক এখন মালবাহী অট'ভান অৰ্পণ কৰা হয়। এই উপলক্ষে নিজ বহৰিত থকা আৰোহন মণ্ডল সংগঠনৰ কাৰ্যালয় চৌহদত অনুষ্ঠিত এখন ৰাজহুৱা সভাত জিলা পৰিষদৰ উপ-মুখ্যকাৰ্যবাহী বিষয়া চিত্তৰঞ্জন ডেকাই গাড়ীখন হস্তান্তৰ কৰে। এই উপলক্ষে তেওঁ এই আঁচনিৰ সুবিধা লৈ হিতাধিকাৰীসকলক ভালদৰে সংস্থাপিত হোৱাৰ প্ৰয়াস চলাবলৈ আহ্বান জনায়। তেওঁ পৰ্যায়ক্ৰমে জিলাখনৰ আটাইবোৰ উন্নয়ন খণ্ডতে এনে আঁচনি গ্ৰহণ কৰা হ'ব বুলি জানিবলৈ দিয়ে। চেঙা উন্নয়ন খণ্ডৰ প্ৰকল্প প্ৰৱন্ধক সৌৰভ দাসে আঁতধৰা সভাৰ আৰম্ভণিতে ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ জিলা প্ৰকল্প প্ৰৱন্ধক সুমিত প্ৰসাদ দাসে আঁচনিখনৰ বিষয়ে বুজাই কয়। সভাত চেঙাৰ খণ্ড উন্নয়ন বিষয়া লাচিত দাস আৰু তাৰাবাৰী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰাজীৱ নেওগ, বহৰি গাঁও পঞ্চায়তৰ সভাপতি পূৰ্ণ দাস আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। উল্লেখ্য যে এই আঁচনিৰ অধীনত ইতিপূৰ্বে বৰপেটা জিলাৰ যথাক্ৰমে চক্‌চকা আৰু সৰুক্ষেত্ৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত চিনাকি আৰু ত্ৰিদেৱী মণ্ডল পৰ্যায়ৰ সংগঠনে লাভ কৰা অনুদানেৰে দুগৰাকী দৰিদ্ৰ হিতাধিকাৰীয়ে দুখন মালবাহী গাড়ীৰ গৰাকী হ'বলৈ সক্ষম হৈছে।

## কাকৈজানাত বাহনৰ খুন্দাত পুনৰ মৃত্যু সোণালী বান্দৰ



অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ২৪ ডিচেম্বৰ ঃ** বঙাইগাঁও আইভেলী বন সংমণ্ডল তথা অভয়াপুৰী আঞ্চলিক বন বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত কাকৈজানাত পুনৰ দুষ্প্ৰাপ্য সোণালী বান্দৰ এটা বাহনৰ খুন্দাত মৃত্যু হোৱা ঘটনাই ব্যথিত কৰি তুলিছে সচেতন লোকক। আজি পুৱাৰ ভাগতে কাকৈজানা পাহাৰৰ পৰা খাদ্যৰ সন্ধানত নামি অহা সোণালী বান্দৰটোৱে আহোতে ওচৰৰে যোৱা ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত বাহনৰ খুন্দাত মৃত্যু হয়। পাছত বন বিভাগে মৃত সোণালী বান্দৰটো চমজি লৈ মৰণোত্তৰ পৰীক্ষা কৰাৰ পাছত আঞ্চলিক বন বিষয়া কাৰ্যালয়ৰ চৌহদত পুতি থয়। উল্লেখ্য যে কাকৈজানা পাহাৰত থকা সোণালী বান্দৰ চাবলৈ দূৰ-দূৰণিৰ পৰা তথা বহিঃৰাজ্যৰ পৰা বহু পৰ্যটকৰ আগমন হয়। কিন্তু পাহাৰখনত খাদ্যৰ সংকটে দেখা দিয়াত সোণালী বান্দৰৰ জাক জনবসতি অঞ্চললৈ খাদ্যৰ সন্ধানত নামি অহাৰ ফলতেই যান বাহনৰ খুন্দাত তথা বিদ্যুৎস্পৃষ্ট হৈ ইতিমধ্যে বহুকেইটা সোণালী বান্দৰৰ মৃত্যু হৈছে যদিও কাণসাৰ নাই বিভাগীয় কৰ্তৃপক্ষৰ।

## অসম কৃষি বিশ্ববিদ্যালয়ৰ ৰাষ্ট্ৰীয় কৃষক দিৱস উদ্‌যাপন

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ২৪ ডিচেম্বৰ ঃ** অসম কৃষি বিশ্ববিদ্যালয় যোৰহাটৰ সম্প্ৰসাৰণ শিক্ষা বিভাগে যোৰহাটৰ নকছাৰীৰ হাজৰিকা গাঁৱত যোৱা ২৩ ডিচেম্বৰত ৰাষ্ট্ৰীয় কৃষক দিৱস উদ্‌যাপন কৰে। এই উপলক্ষে গাঁওখনত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয় আৰু এই সভাত দেশৰ পঞ্চমগৰাকী প্ৰধানমন্ত্ৰী চৌধুৰী চৰণসিঙৰ দেশৰ কৃষিক্ষেত্ৰলৈ অৱদান স্মৰণ কৰি তেওঁৰ জন্মদিনত এই দিৱস উদ্‌যাপনৰ বিষয়ে আলোকপাত কৰা হয়। অসম তথা ভাৰতবৰ্ষৰ অৰ্থনীতিত কৃষকৰ ভূমিকা আৰু কৰণীয় সম্পৰ্কে বক্তব্য ৰখা হয়।

# মৰিগাঁও উপায়ুক্ত কাৰ্যালয়ত ৰাষ্ট্ৰীয় ভোটাৰ দিৱস উদ্‌যাপনৰ প্ৰস্তুতি সভা

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২৪ ডিচেম্বৰ ঃ** মৰিগাঁও জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি অহা ২৫ জানুৱাৰীত ৰাষ্ট্ৰীয় ভোটাৰ দিৱস উদ্‌যাপন উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ প্ৰস্তুতি সম্পৰ্কে এখন সভা অনুষ্ঠিত হয়। স্কুল আৰু মহাবিদ্যালয় বিলাকত ছাত্ৰ-ছাত্ৰীসকলক লৈ ভোটাৰ স্বাক্ষৰতা ক্লাব আৰু 'ভোটাৰ সজাগতা ফৰাম' আৰু মহাবিদ্যালয়-বিশ্ববিদ্যালয়বোৰত ছাত্ৰ-ছাত্ৰীসকলক লৈ কেমপাচ এম্বেছাডৰ নিয়োগ কৰি ভৱিষ্যতৰ ভোটাৰসকলৰ মাজত সজাগতা সৃষ্টিৰ উদ্যোগ গ্ৰহণৰ লগতে 'সজাগ ভোটাৰ প্ৰতিযোগিতা' শীৰ্ষক ফুটবল, নৃত্য আৰু সংগীত প্ৰতিযোগিতা তিনিওটা শিতানতে চলি থাকিব আৰু চূড়ান্ত বিজয়ী প্ৰতিযোগীক ৰাজ্যিক ভিত্তিত পুৰস্কৃত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সভাত অতিৰিক্ত উপায়ুক্ত অৰুন্ধতী নৰহ মিপুন, নিৰ্বাচনী বিষয়া দ্বীপময় ঠাকুৰীয়া, বিভিন্ন শিক্ষানুষ্ঠানৰ শিক্ষক, কৰ্মচাৰী আৰু বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলো উপস্থিত থাকে বুলি জিলা তথ্য আৰু জনসংযোগ বিষয়াই সংবাদ মাধ্যমৰ আগত জানিবলৈ দিয়ে।









*অনুশীলনৰ মাজতে বিশ্ৰাম শ্ৰেয়াছ আয়াৰ-মহম্মদ ছিৰাজৰ।*

# প্ৰথম টেষ্টত ৰাহানেৰ স্থান অনিশ্চয়তাত

## ১৩শ মিটাৰ উচ্চতাত পাঁচ বলাৰ খেলোৱাৰ ইংগিত ৰাহুলৰ ঃ প্ৰতিদ্বন্দ্বিতাত শ্ৰেয়াছ-হনুমা

**নিউজ ব্যুৰ'**
**চেঞ্চুৰিয়ন, ২৪ ডিচেম্বৰ ঃ** ফৰ্মৰ স'তে সংগ্ৰাম কৰি থকা অজিংক্য ৰাহানেৰ দক্ষিণ আফ্ৰিকাৰ বিপক্ষে প্ৰথম টেষ্টত খেলাৰ সম্ভাৱনা অতিশয় ক্ষীণ। আজি এই সম্ভাৱনা ব্যক্ত কৰিলে ভাৰতীয় দলৰ নতুন সহ অধিনায়ক কে এল ৰাহুলে। দেওবাৰৰ পৰা চেঞ্চুৰিয়নত আৰম্ভ হ'ব শৃংখলাৰ প্ৰথম টেষ্ট। উক্ত টেষ্টত ভাৰতে পাঁচজন বলাৰেৰে খেলাৰ ইংগিত দিলে ৰাহুলে।



আজি এক ভাৰ্চুৱেল সাক্ষাৎকাৰত ৰাহুলে কয়, 'অধিকাংশ দলেই পাঁচজন বলাৰেৰে খেলিবলৈ আৰম্ভ কৰিছে। সকলোৰে ২০টা উইকেট দখল কৰিব বিচাৰে। তেতিয়াহে টেষ্টত জয়লাভ সম্ভৱ। আমিও সেই চেষ্টাই কৰিছো আৰু এই পৰ্যন্ত ভাৰতৰ বাহিৰত খেলা সকলো টেষ্টতে এই কৌশলে আমাক সাহায্য কৰিছে। তদুপৰি পাঁচজন বলাৰ থাকিলে কাৰো ওপৰত বেছি চাপ নপৰে।' উল্লেখ্য যে আৰু দুটা কাৰকৰ পৰা ভাৰতে পাঁচ বলাৰেৰে টেষ্টখনত অৱতীৰ্ণ হোৱাৰ সম্ভাৱনা আছে। প্ৰথমে, অধিনায়ক বিৰাট কোহলিয়ে বিদেশত সদায় পাঁচজন বলাৰৰ পোষকতা কৰি আহিছে। দ্বিতীয়তে, চেঞ্চুৰিয়ানৰ ষ্টেডিয়াম সাগৰপৃষ্ঠৰ পৰা ১৩শ মিটাৰ উচ্চতাত অৱস্থিত। ফলত উচ্চ চাপৰ বাবে বলাৰসকল সহজে ভাগৰুৱা হৈ পৰাৰ আশংকা থাকে।

ভাৰতে যদিহে পাঁচজন বলাৰ মূল একাদশত অন্তৰ্ভুক্ত কৰে, তেন্তে পাঁচজন বিশেষজ্ঞ বেটাৰেৰে খেলিব লাগিব। প্ৰথম চাৰিটা স্থানত ৰাহুল, মায়ংক আগৰৱাল, চেটেশ্বৰ পূজাৰা আৰু অধিনায়ক কোহলি নিশ্চিত। পঞ্চম স্থানৰ বাবে ৰাহানেৰ স'তে প্ৰতিদ্বন্দ্বিতাত আছে শ্ৰেয়াছ আয়াৰ আৰু হনুমা বিহাৰী। নিউজিলেণ্ডৰ বিপক্ষে অভিষেকতে দুৰ্দান্ত শতকেৰে দৃষ্টি আকৰ্ষণ কৰিছে শ্ৰেয়াছে। সকলোৰে তেওঁৰ পক্ষতে মত দিছে। আনহাতে, ভাৰত 'এ' দলৰ হৈ সদ্যসমাপ্ত দক্ষিণ আফ্ৰিকা ভ্ৰমণত বিহাৰীয়ে সুন্দৰ প্ৰদৰ্শন আগবঢ়াইছে। সেয়ে ৰাণৰ বাবে সংগ্ৰাম কৰি থকা ৰাহানেৰ স্থান এই পৰ্যন্ত অনিশ্চিত হৈ আছে। উল্লেখ্য যে চেঞ্চুৰিয়ানৰ উইকেটত প্ৰচণ্ড গতি আৰু বাউন্স আছে। ভাৰতীয় দলো সেই বিষয়ত অৱগত। সেয়ে ভাৰতে পাঁচ বলাৰ খেলাৰে চাৰিজন ফাষ্টবলাৰ থাকিব পাৰে। সেই ক্ষেত্ৰত আঘাতপ্ৰাপ্ত ৰবীন্দ্ৰ জাদেজাৰ অনুপস্থিতিত বেটিঙত দক্ষতা থকা শাৰ্দুল ঠাকুৰে মূল একাদশত সুযোগ পোৱাৰ সম্ভাৱনা অধিক।



## প্ৰিমিয়াৰ আন্তঃক্লাব ক্ৰিকেট

# ৰেডিয়েল ছেমিফাইনেলত

**অগ্ৰদূত বাৰ্তা**
**বেৰেজীয়া, ২৪ ডিচেম্বৰ ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা অসম ক্ৰিকেট সন্থাৰ চতুৰ্থ অসম প্ৰিমিয়াৰ আন্তঃক্লাব ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ খেলত ৰেডিয়েল ক্লাবে শ্বাইন'ছ প্লেয়াৰ্ছক ১০৩ ৰাণত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জনৰে নিজ গ্ৰুপত শীৰ্ষস্থান লাভ কৰি ছেমিফাইনেলত উপনীত হৈছে। এ এন কিড'ৱাই ট্ৰফী (ক্লাষ্টাৰ-১)ৰ অধীনত আয়োজিত এই প্ৰতিযোগিতাৰ খেলখনত ৰেডিয়েলে পোনতে বেট ধৰি ৰাজ বৰাৰ ৭৩, নৱজিৎ ঘোষৰ ৬১, শুভন পালৰ ৫০ আৰু নিক দাসৰ ২৭ ৰাণৰ উল্লেখনীয় অৱদানৰে ৪০ অভাৰত আঠ উইকেট হেৰুৱাই ২৬৬ ৰাণ সংগ্ৰহ কৰে। বলিঙত শ্বাইন'ছ প্লেয়াৰ্ছৰ হৈ ময়ূৰজ্যোতি বৰাই তিনিটা, শিৰম অশোক যাদৰে দুটা, বিৰাজ বৰা, চিৰঞ্জীৱ কৌশিক আৰু বিদেশব্ৰত দত্তই এটাকৈ উইকেট পায়। প্ৰত্যুত্তৰত শ্বাইন'ছ প্লেয়াৰ্ছ দলে বেট ধৰি ময়ূৰজ্যোতি বৰাৰ ৪০, দেৱজ্যোতি গোস্বামীৰ ৩৪, বিদেশব্ৰত দত্তৰ ১৮, বিশাল গোস্বামীৰ অপৰাজিত ১৬ আৰু শিৰম হাজৰিকাৰ ১২ ৰাণৰ উল্লেখনীয় বৰঙণি সত্বেও ৪০ অভাৰত নটা উইকেটৰ বিনিময়ত ১৬৩ ৰাণহে সংগ্ৰহ কৰিবলৈ সক্ষম হয়। বলিঙত ৰেডিয়েলৰ বিশাল দাস আৰু ৰাজ বৰাই দুটাকৈ, অৰ্পণ দত্ত, ঋতুৰাজ বৰুৱা, নীলদীপ্ত কাশ্যপ, শুভন পাল আৰু প্ৰাণজিত বৰাই এটাকৈ উইকেট দখল কৰে। খেলৰ অন্তত প্ৰাক্তন খেলুৱৈ অৰ্পণ দাসে ৰেডিয়েলৰ ৰাজ বৰাক 'মেন অব দ্য মেচ'ৰ বঁটা বিতৰণ কৰে। সেই অনুষ্ঠানত নগাঁও ক্ৰীড়া সংস্থাৰ বিষয়ববীয়া অসীম কুমাৰ ভাৱাল, সমীৰ হাজৰিকা, দেৱজিত দাস, ডি জে গোস্বামী আদি উপস্থিত থাকে।

## নন্দ বৰা-ৰুবুল হাজৰিকা সোঁৱৰণী ফুটবল

# মৰিয়নি টাউন ক্লাব ফাইনেলত

**অগ্ৰদূত বাৰ্তা**
**মৰিয়নি, ২৪ ডিচেম্বৰ ঃ** মৰিয়নি ক্ৰীড়া সন্থাৰ উদ্যোগত স্থানীয় বাপুজী ষ্টেডিয়ামত চলি থকা দ্বিতীয় বাৰ্ষিক নন্দ বৰা আৰু ৰুবুল হাজৰিকা সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে মৰিয়নি টাউন ক্লাবে। আজি অনুষ্ঠিত দ্বিতীয়খন ছেমিফাইনেলত টাউনে উদয়ন সংঘক ৩-০ গ'লত পৰাজিত কৰে। খেলৰ প্ৰথম ১৫ মিনিটতে তিনিটাকৈ গ'ল হজম কৰি বেকফুটলৈ যোৱা নাছিল উদয়ন। বৰঞ্চ উদয়নে টাউনৰ বিপক্ষেও আক্ৰমণ চলাই যায়। দুয়োটা দলে ছুটি ছুটি পাছেৰে বিপক্ষৰ ৰক্ষণ বিভাগক ব্যতিব্যস্ত কৰি তোলে। তুলনামূলকভাৱে আৰম্ভণিতে টাউন ক্লাবে উদয়নৰ ওপৰত উপৰ্যুপৰি আক্ৰমণ চলায়। যাৰ ফলত খেলৰ ১১ মিনিটতে টাউনে প্ৰথমটো সফলতা লাভ কৰে। এক সংঘবদ্ধ আক্ৰমণৰ পৰা বল পাই দলৰ নিৰ্ভৰযোগ্য ষ্ট্ৰাইকাৰ ৰাজীৱ কৰ্মকাৰে প্ৰথমটো গ'ল দি দলক আগুৱাই নিয়ে। ইয়াৰ তিনি মিনিটৰ পিছতে আন এটা গ'ল দিয়ে টাউনে। বিশ্বজিত উৰাঙে লোৱা শ্বটত পোনে পোনে গৈ বলে নেটত আশ্ৰয় লয়গৈ । তাৰ দুই মিনিটৰ পিছত তৃতীয়টো গ'লৰ মুখ দেখে টাউনে। চন্দন নেওগে বাওঁ দিশৰ পৰা আক্ৰমণ চলাই দৰ্শনীয় শ্বটেৰে গ'ল দি ব্যৱধান ৩-০লৈ বৃদ্ধি কৰে। গ'ল পৰিশোধৰ বাবে উদয়নে আপ্ৰাণ চেষ্টা চলাই যদিও টাউনৰ ৰক্ষণ বিভাগক ভেদিব নোৱাৰিলে। আনহাতে, খেলৰ বাকী সময়ছোৱাত টাউনে আৰু গ'লৰ ব্যৱধান বৃদ্ধি কৰিব নোৱাৰিলে। দুয়োটা দলেই আজি আক্ৰমণ-প্ৰত্যাক্ৰমণেৰে সুন্দৰ খেল উপহাৰ দিয়ে। খেলত ৰেফাৰী ৰাজীৱ কৰ্মকাৰক সহায় কৰে সহকাৰী নিত্যৰঞ্জন ফুকন, দেবু গোৱালা আৰু চতুৰ্থ ৰেফাৰী বাবুল দেৱে। টাউনৰ ৰাজীৱে আজিৰ খেলৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান অৰ্জন কৰে। ২৬ ডিচেম্বৰৰ ফাইনেলত মৰিয়নি টাউন ক্লাবৰ বিৰুদ্ধে নকছাৰী একাদশ অৱতীৰ্ণ হ'ব।

# চিকিৎসালয়ৰ পৰা মুক্ত পেলে

**নিউজ ব্যুৰ'**
**ছাও পাওল', ২৪ ডিচেম্বৰ ঃ** সম্পূৰ্ণ দুসপ্তাহ হাস্পতালত থকাৰ পাছত নিজগৃহলৈ গ'ল 'ক'লা মুকুতা' পেলে। ক'লন টিউমাৰৰ বাবে কেম'থেৰাপী লৈ থকা সৰ্বকালৰ শ্ৰেষ্ঠ ফুটবলাৰজন সম্প্ৰতি সুস্থ বুলি চিকিৎসালয় সূত্ৰই জনাইছে। ৮১ বছৰীয়া ব্ৰাজিলৰ কিংবদন্তি ফুটবলাৰজনৰ চাৰি ছেপ্টেম্বৰত অস্ত্ৰোপচাৰ হৈছিল আৰু এমাহৰ পাছত চিকিৎসালয়ৰ পৰা মুক্তি পাইছিল। বিগত দুসপ্তাহৰ পূৰ্বে কেম'থেৰাপী লোৱাৰ বাবে পেলেক পুনৰ হাস্পতালত ভৰ্তি কৰোৱা হৈছিল।

## নগাবন্ধাত প্ৰাইজমানি ক্ৰিকেট

# ধৰমতুলৰ অগ্ৰগতি অৰ্জন

**অগ্ৰদূত বাৰ্তা**
**বেৰেজীয়া, ২৪ ডিচেম্বৰ ঃ** মৰিগাঁও জিলাৰ নগাবন্ধা বজাৰ সমিতিৰ উদ্যোগত নগাবন্ধাত চলি থকা ২৩সংখ্যক সদৌ অসম প্ৰাইজমানি ক্ৰিকেটত ধৰমতুল আঞ্চলিক ক্ৰিকেট ক্লাবে অগ্ৰগতি অৰ্জন কৰিছে। আজিৰ খেলত ধৰমতুলে ডাঙৰীয়াগাঁও বগৰীবাৰী আঞ্চলিক ক্ৰিকেট দলক ১০ উইকেটত পৰাজিত কৰে। প্ৰথমে বেটিং কৰি ডাঙৰীয়াগাঁও বগৰীবাৰীয়ে ১৫ অভাৰত চাৰি উইকেটৰ বিনিময়ত ৯০ ৰাণ সংগ্ৰহ কৰে। দলৰ হৈ আটাবুৰ ৰহমানে ২৪ আৰু ৰিংকু আহমেদে ২১ ৰাণ কৰে। ধৰমতুলৰ হৰি, জান, মাণ্টা, অমিত আৰু বাবুৱে এটাকৈ উইকেট দখল কৰে। ইফালে, সহজ লক্ষ্য আগত লৈ ধৰমতুলে কোনো উইকেট নেহেৰুৱাকৈ ৫.২ অভাৰতে বিজয় অৰ্জন কৰে। সুমন শইকীয়াই ৬২ আৰু অমিত চন্দ্ৰ কোঁৱৰে ২৮ ৰাণত অপৰাজিত হৈ ৰয়। কাইলৈ শ'লমাৰী মিকিৰগাঁও যুৱক সংঘই মৰিগাঁৱৰ ৰেকিব ইলেভেনৰ বিপক্ষে খেলিব বুলি আয়োজক সমিতিৰ মুখ্য প্ৰচাৰ সম্পাদক নেকিবুৰ ৰহমান ছিদ্দিকীয়ে জনাইছে।


*দীৰ্ঘদিনে বেটত নাই শতৰাণ, অনুশীলনৰ পৰত মুখ্য প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড়ৰ শৰণাপন্ন বিৰাট কোহলি।*

# তেজপুৰত আন্তঃক্লাব টাইকোৱানড' আৰম্ভ

## প্ৰথম বাৰ্ষিক প্ৰতিযোগিতাত পাঁচ শতাধিক খেলুৱৈৰ অংশগ্ৰহণ



**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ২৪ ডিচেম্বৰ ঃ** আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে প্ৰথম বাৰ্ষিক জিলাভিত্তিক ২০২১ বৰ্ষৰ আন্তঃক্লাব মুকলি টাইকোৱানড' চেম্পিয়নশ্বিপ অনুষ্ঠিত হৈছে তেজপুৰৰ হেম বৰুৱা ভৱনত। শোণিতপুৰ জিলা এমেছাৰ টাইকোৱানড' একাডেমীৰ উদ্যোগত আৰু শোণিতপুৰ জিলা টাইকোৱানড' সন্থাৰ সহযোগত ল'ৰা আৰু ছোৱালিৰ দুয়োটা শাখাত ছিনিয়ৰ আৰু জুনিয়ৰ অনুসৰি কে'বাটাও গ্ৰুপত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনত জিলাখনৰ বিভিন্ন প্ৰান্তৰ ১০টাৰো অধিক টাইকোৱানড' ক্লাবৰ পৰা পাঁচ শতাধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। তেজপুৰৰ বিশিষ্ট ব্যক্তি ভুৱন গোস্বামীয়ে প্ৰতিযোগিতাখন উদ্বোধন কৰে।

উল্লেখ্য যে টাইকোৱানড'ৰ পঞ্চম ডান ব্লেক বেল্টধাৰী তেজপুৰৰ সূৰ্য কুমাৰ নাথে মুখ্য ৰেফাৰীৰূপে পৰিচালনা কৰা প্ৰতিযোগিতাখন টাইকোৱানড'ৰ পুমচে আৰু ফাইটিং বিভাগত অনুষ্ঠিত হৈছে। আজি আঠ বছৰৰ তলৰ পুমচে বিভাগত ছোৱালীৰ শাখাত দৃষ্টি কাশ্যপে সোণৰ, ধ্ৰুৱী দুগৰে ৰূপৰ আৰু হৃদয়াক্ষি গোপে ব্ৰঞ্জৰ পদক, আঠ বছৰৰ তলৰ ল'ৰাৰ শাখাত শ্ৰীয়ান ডামে সোণৰ, প্ৰকিত দত্তই ৰূপ আৰু নিশান মণ্ডল, আয়ান খানে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। আনহাতে, আঠ বছৰৰ তলৰ ফাইটিং ইভেণ্টৰ ল'ৰাৰ শাখাত অনছ ৰাণাই সোণৰ, শৈকত ধামে ৰূপৰ আৰু স্বপ্নীলৰাজ ভূঞা, অৰিজিত শৰ্মা বৰুৱাই ব্ৰঞ্জৰ পদক লাভ কৰে। ইফালে, আঠ বছৰ বয়সৰ শাখাৰ প্ৰতিযোগিতাত উদীপ্ত বৈশ্যই সোণৰ, আয়ান বেনাৰ্জীয়ে ৰূপ, আৰৱ পাল আৰু বিহান কুমাৰ ভূঞাই ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়।

# সফলতাৰ বাবে দ্ৰাৱিড়ক কৃতিত্ব প্ৰদান মায়ংকৰ

**নিউজ ব্যুৰ'**
**চেঞ্চুৰিয়ান, ২৪ ডিচেম্বৰ ঃ** ইংলণ্ডৰ বিপক্ষে প্ৰথম টেষ্টত আঘাত পাই দলৰ বাহিৰ হৈছিল মায়ংক আগৰৱাল। তাতে ৰাণৰ অভাৱৰ বাবে দলত স্থানো অনিশ্চিত হৈ পৰিছিল। তেনে পৰিস্থিতিত নিউজিলেণ্ডৰ বিপক্ষে প্ৰত্যাৱৰ্তন ঘটাই দুৰ্দান্ত শতৰাণেৰে দলত স্থান নিগাজি কৰিলে অপেনাৰজনে। ফৰ্মলৈ প্ৰত্যাৱৰ্তনৰ বাবে অৱশ্যে প্ৰধান প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড়কে কৃতিত্ব প্ৰদান কৰিলে মায়ংকে। দলৰ সহ অধিনায়ক তথা ঘনিষ্ঠ বন্ধু কে এল ৰাহুলৰ স'তে হোৱা এক বাৰ্তালাপত মায়ংকে কয়, 'নতুনকৈ আৰম্ভ কৰিছো বুলি নকওঁ। বিগত এটা বছৰ নিজৰ মানসিকতা ঠিক কৰোতেই পাৰ হৈছে। কি বস্তুৱে মোৰ ক্ষেত্ৰত কাম কৰিছে বা কোনটোৱে কৰা নাই, সেয়া ঠিক কৰিছিলো।' ইয়াৰ পাছতে অপেনাৰজন মুখ্য প্ৰশিক্ষক দ্ৰাৱিড়ৰ প্ৰশংসাত পঞ্চমুখ হৈ পৰে। মায়ংকে কয়, 'তেওঁ এনে এজন লোক যি সকলোৰে আগতে নিজক বুজিবলৈ আৰু নিজৰ মনত বুজিবলৈ কয়। যদি সেয়া কৰিব পাৰো, তেন্তে অধিকাংশ সফল হোৱাৰ সম্ভাৱনা বৃদ্ধি পায়। তেওঁ এনে এজন লোক, যি সঠিক প্ৰস্তুতি লোৱাত সকলোতকৈ বেছি গুৰুত্ব দিয়ে।'

# অভয়াপুৰীত সৰ্বভাৰতীয় বেডমিণ্টন

**অগ্ৰদূত বাৰ্তা,**
**অভয়াপুৰী, ২৪ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰীত কছমছ ক্লাবৰ উদ্যোগত সৰ্বভাৰতীয় ভিত্তিত আজিৰে পৰা দিবা-নৈশ বেডমিণ্টন প্ৰতিযোগিতা আৰম্ভ হৈছে। তিনিটা শাখাত ক্ৰমে ল'ৰাৰ আন্তঃবিদ্যালয় ১৬ বছৰ অনূৰ্দ্ধ একক, পুৰুষৰ মুকলি দ্বৈত আৰু পুৰুষৰ প্ৰবীণ দ্বৈত বেডমিণ্টন প্ৰতিযোগিতাখন কছমছক্লাবৰ সভাপতি উৎপল চন্দ্ৰ নাথৰ পতাকা উত্তোলন, প্ৰাক্তন বিধায়ক ভূপেন ৰায়ৰ দ্বাৰা দ্বাৰ মুকলি, সুদক্ষ খেলুৱৈ ৰাণী ব্ৰহ্মৰ দ্বাৰা বন্তি প্ৰজ্বলনেৰে উদ্বোধন কৰা হয় । প্ৰতিযোগিতাখনত অসমৰ বাহিৰেও পশ্চিমবংগ, অৰুণাচল, মেঘালয়ৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা বুলি ক্লাবৰ কাৰ্যকৰী সভাপতি উপেন বৰুৱাই জনাইছে।


*ভাৰতৰ বিপক্ষে টেষ্টৰ বাবে অনুশীলনৰ পৰত সতীৰ্থৰ স'তে দক্ষিণ আফ্ৰিকাৰ ফাষ্টবলাৰ কাছিগ' ৰাবাদা।*

# দুলীয়াজান ক্ৰিকেট একাডেমিৰ অগ্ৰগতি

**অগ্ৰদূত বাৰ্তা**
**নাহৰকটীয়া, ২৪ ডিচেম্বৰ ঃ** নাহৰকটীয়া ক্ৰীড়া সন্থাৰ ষ্টেডিয়ামত চলি থকা অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি অনুষ্ঠিত খেলত দুলীয়াজান ক্ৰিকেট একাডেমীয়ে ষ্ট্ৰাইকাৰ ইলেভেনক দুই উইকেটত পৰাজিত কৰি সম্পূৰ্ণ পইণ্ট লাভ কৰিছে । ষ্ট্ৰাইকাৰ ইলেভেনে প্ৰথমে বেট কৰি নিৰ্ধাৰিত ৩৫ অভাৰত সাতটা উইকেট হেৰুৱাই ২০৪ ৰাণ কৰে। ষ্ট্ৰাইকাৰৰ হৈ অংকিত যাদৱে ৭৫টা বলত চাৰিটা চাৰিৰে ৫৪ ৰাণ, চিন্তামণি কোঁৱৰে ৫৩টা বলত এটা ছয় আৰু ছটা চাৰিৰে ৪৭ ৰাণ আৰু সুমিত দেৱে ২৫টা বলত দুটা ছয় আৰু তিনিটা চাৰিৰে ৩৪ ৰাণ কৰে। দুলীয়াজান ক্ৰিকেট একাডেমীৰ হৈ তৰুণ মেছে ২৫ ৰাণত তিনিটা আৰু সুজিৎ যাদৱে ২৫ ৰাণত দুটা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত দুলীয়াজান ক্ৰিকেট একাডেমীয়ে বেট কৰিবলৈ আহিয়ে প্ৰত্যাহ্বানৰ সন্মুখীন হয়। তেওঁলোকে প্ৰথমটো অভাৰতে কোনো নোহোৱাকৈ প্ৰথমটো উইকেট হেৰুৱায়। ইয়াৰ পাছতে আৰু দুটা উইকেট হেৰুৱাই মাত্ৰ ১.৪ অভাৰতে চাৰি ৰাণতে তিনিটাকৈ উইকেটৰ পতন হোৱাত বিপদত কৰে। অৱশ্যে চতুৰ্থ উইকেটত মানৱজ্যোতি বৰ্মন আৰু ৰাকেশ প্ৰসাদে দৃঢ়তাৰে ১১ অভাৰ খেলি ৯২ ৰাণৰ বৰঙণি যোগায়। ইয়াৰ পাছত সুজিতে উইকেটলৈ আহি ৪০টা বলত তিনিটা ছয় আৰু তিনিটা চাৰিৰে অপৰাজিতভাৱে ৫১ ৰাণ কৰি দলক জয়ৰ দিশত আগবঢ়ায় নিয়ে। অৱশেষত দুলীয়াজান ক্ৰিকেট একাডেমীয়ে ৩২.৫ অভাৰত আঠটা উইকেট হেৰুৱাই ২০৫ ৰাণ কৰি বিজয় অৰ্জন কৰিবলৈ সক্ষম হয়। ষ্ট্ৰাইকাৰ ইলেভেনৰ অংকিত যাদৱ, বিশাল শ্বাহ আৰু ৰাজা ৱাৰ্ছিয়ে দুটাক উইকেট লাভ কৰে।

# ছেমিত বকো

**ছয়গাঁও, ২৪ ডিচেম্বৰ ঃ** বকো এফ চিয়ে বনগাঁও ক্ৰীড়া সন্থাৰ খেলপথাৰত চলি থকা দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ অনন্ত দাস সোঁৱৰণী 'এ' ডিভিজন আন্তঃক্লাব লীগ ফুটবলৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। গ্ৰুপ 'এ'ৰ আজিৰ খেলত বকোৱে বনগাঁও এফ চিৰ স'তে গ'ল শূন্যভাৱে ড্ৰ খেলে। অৱশ্যে গ্ৰুপৰ পইণ্টৰ ভিত্তিত বকোৱে লীগত শীৰ্ষস্থান অধিকাৰ কৰি ছেমিফাইনেললৈ উন্নীত হয়।

# সকলো ধৰণৰ ক্ৰিকেটক বিদায় জনালে হৰভজনে

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৪ ডিচেম্বৰ ঃ** সকলো ধৰণৰ ক্ৰিকেটৰ পৰা অৱসৰ গ্ৰহণ কৰিলে তাৰকা অফস্পীনাৰ হৰভজন সিঙে। আজি টুইটযোগে হৰভজনে হৈ কথা সদৰী কৰে। টুইটত একালৰ বিতৰ্কপ্ৰৱণ অফস্পীনাৰজনে লিখিছে, 'সকলো ভাল বস্তুৰে এদিন সমাপ্তি থাকে। আজি মই এনে এবিধ খেলক বিদায় জনালো, যি মোক জীৱনত সকলোখিনি দিছে। ২৩ বছৰৰ এই দীঘলীয়া যাত্ৰাক যিসকলে সুন্দৰ আৰু স্মৰণীয় কৰি ৰাখিছে, তেওঁলোক সকলোকে ধন্যবাদ।' ১৯৯৮ত ভাৰতৰ জাতীয় দলৰ হৈ অভিষেক ঘটোৱা হৰভজন আছিল এসময়ত ভাৰতীয় দলৰ বহু বিজয়ৰ কৰ্ণধাৰ। বিশেষকৈ ২০০১ত ঘৰৰ মাটিত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ভাৰতৰ টেষ্ট শৃংখলা জয়ত তেওঁ প্ৰধান ভূমিকা পালন কৰিছিল। বিগত কিছু বছৰ তেওঁ জাতীয় দলত নাছিল যদিও আইপিএলত খেল অব্যাহত ৰাখিছিল। বৰ্ণময় ক্ৰিকেট কেৰিয়াৰত হৰভজন একাধিকবাৰ প্ৰৱল বিতৰ্কতো জড়িত হৈছে। ২০০৭-০৮ৰ অষ্ট্ৰেলিয়া ভ্ৰমণত এণ্ড্ৰু ছাইমণ্ডছৰ স'তে 'মাংকী গেট' আৰু ২০০৮ত আইপিএলৰ মেচত এছ শ্ৰীশান্তক চৰ মৰা ঘটনা বহু চৰ্চিত আছিল। টেষ্টত ভাৰতৰ হৈ সৰ্বাধিক উইকেট দখলৰ ক্ষেত্ৰত তাৰকা অফস্পীনাৰজন চতুৰ্থ স্থানত আছে। ১০৩খন টেষ্টত তেওঁ দখল কৰিছে ৪১৭টা উইকেট। ইয়াৰ উপৰি ২৩৬খন এদিনীয়া আন্তৰ্জাতিকত ২৬৯টা, ২৮খন আন্তৰ্জাতিক টি-২০ মেচত ২৫টা আৰু আইপিএলৰ বিভিন্ন দলৰ হৈ ১৬৩খন মেচত তেওঁ ১৫০টা উইকেট দখল কৰিছিল।



# ৰোহিতক অধিনায়ক নিৰ্বাচনৰ পক্ষত শাস্ত্ৰী

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৪ ডিচেম্বৰ ঃ** ভাৰতীয় ক্ৰিকেট দলৰ সদ্য প্ৰাক্তন মুখ্য প্ৰশিক্ষক ৰবি শাস্ত্ৰী আৰু টেষ্ট অধিনায়ক বিৰাট কোহলিৰ মাজৰ ঘনিষ্ঠতা সৰ্বত্ৰে জনাজাত। অৱশ্যে ভাৰতীয় ক্ৰিকেটৰ শেহতীয়া অধিনায়ক-বিতৰ্কত বিচিচিআইৰ পক্ষ ল'লে শাস্ত্ৰীয়ে। এক সাক্ষাৎকাৰত প্ৰাক্তন অলৰাউণ্ডাৰজনে মন্তব্য কৰিছে যে বগা বলৰ দুটা সংস্কৰণৰ বাবে দুজন অধিনায়ক ৰখাৰ কোনো যুক্তি নাই। উল্লেখ্য যে কোহলিয়ে টি-২০ দলৰ নেতৃত্ব ত্যাগ কৰাৰ পাছতে ৰোহিত শৰ্মাক উক্ত দায়িত্ব অৰ্পণ কৰা হয়। ইয়াৰ পাছতে বিচিচিআইৰ সিদ্ধান্ত মৰ্মে নিৰ্বাচক মণ্ডলীয়ে কোহলিক এদিনীয়া দলৰ নেতৃত্বৰ পৰা অপসাৰণ কৰি ৰোহিতক দায়িত্ব দিয়ে। এই বিতৰ্কই শেহতীয়াকৈ ভাৰতীয় ক্ৰিকেটত ধুমুহাৰ সৃষ্টি কৰি আছে। ইয়াৰ মাজতে নিজৰ মত ব্যক্ত কৰি শাস্ত্ৰীয়ে সাক্ষাৎকাৰত কয় যে অধিনায়ক পৰিৱৰ্তনৰ বিষয়টো ব'ৰ্ডে সতৰ্কতাৰে পৰিচালনা কৰাৰ থল আছিল। যদিও বগা বলৰ ক্ৰিকেটৰ নেতৃত্ব প্ৰসংগত ব'ৰ্ডৰ কোনো ভুল নাই। শাস্ত্ৰীয়ে কয়, 'বগা বলৰ ক্ৰিকেটত এজন অধিনায়কেই থকা উচিত। ৰোহিত শৰ্মা টি-২০ দলৰ অধিনায়ক, গতিকে তেঁৱেই বগা বলৰ অধিনায়ক হোৱা উচিত।' অৱশ্যে শাস্ত্ৰীয়ে লগতে স্পষ্ট কৰি দিয়ে যে টেষ্ট দলৰ অধিনায়কৰূপে কোহলিক আঁতৰ কৰাৰ প্ৰশ্নই উঠিব নোৱাৰে।



# শক্তিক হৰুৱাই চেম্পিয়ন শান্তিপুৰ

**অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ২৪ ডিচেম্বৰ ঃ** মঙলদৈ শান্তিপুৰ সংঘই অসম প্ৰিমিয়াৰ লীগ ক্ৰিকেটৰ মঙলদৈ লেগৰ চেম্পিয়নশ্বিপ অৰ্জন কৰিছে। মঙলদৈ ষ্টেডিয়ামত হোৱা প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত হোৱা ফাইনেলত শান্তিপুৰে শক্তি সংঘক ছয় উইকেটত পৰাজিত কৰে। প্ৰথমে বেটিং কৰি শক্তি সংঘই ৪০ অভাৰত নটা উইকেট হেৰুৱাই ২২০ ৰাণ কৰে। দলৰ হৈ গৌৰৱ ঠাকুৰীয়াই ৬৬, শশাংক বৰাই ২৮, বিকি ৰজকে ২৫, নৌছাদ আলী আৰু উৎপল গয়াৰীয়ে ২৪ ৰাণকৈ বৰঙণি আগবঢ়ায়। মুকুট কলিতাই তিনিটা আৰু ভাস্কৰ বৰ্মনে দুটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত শান্তিপুৰ সংঘই ৩৯ অভাৰত চাৰিটা উইকেটৰ বিনিময়ত লক্ষ্য অতিক্ৰম কৰে। দলৰ অতুল সিঙে অপৰাজিতভাৱে ১০৫, বিশাল মগৰে ৫৬ আৰু মুকুট কলিতাই ৩১ ৰাণৰ অৱদান আগবঢ়ায়। আম্পায়াৰদ্বয় আছিল জ্যোতিপ্ৰসাদ সিং আৰু অলকেশ শৰ্মা। খেলৰ সামৰণিত চেম্পিয়ন দলক ট্ৰফী প্ৰদান কৰে দৰং জিলা পৰিষদৰ কাৰ্যবাহী অভিযন্তা ভৱেন বৰ্মন আৰু বিশিষ্ট ক্ৰীড়া সংগঠক প্ৰতাপ বৰদলৈ, ৰাণাৰ্ছ আপ দলক বঁটা প্ৰদান কৰে মঙলদৈ ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক অনুপম ডেকাই। 'মেন অৱ দ্য মেচ'ৰ লগতে 'মেন অৱ দ্য ছিৰিজ'ৰ বঁটা লাভ কৰে শান্তিপুৰ সংঘৰ অতুল সিঙে। আনহাতে, প্ৰতিযোগিতাত উন্নত খেল প্ৰদৰ্শন কৰা অতুল সিং আৰু বিশাল মগৰক নগদ পাঁচ হেজাৰকৈ টকা আগবঢ়ায় মঙলদৈ ক্ৰীড়া সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক হিমাঞ্জন শৰ্মাই। আনহাতে, উক্ত অনুষ্ঠানতে চেলেঞ্জাৰ ট্ৰফী ক্ৰিকেটত স্থান লাভ কৰা মঙলদৈৰ জীয়ৰী জিন্টিমণি কলিতাক এখন ক্ৰিকেট বেট উপহাৰ দিয়ে সাধাৰণ সম্পাদক অনুপম ডেকাই।


## শ্ৰেষ্ঠ খেলুৱৈ অতুল সিং ঃ জিন্টিমণি কলিতাক বেট উপহাৰ

## বিলাসনন্দন চ'ৰা



# বাঘ আৰু উন্নতি

**মাজে**-সময়ে এনে কিছুমান ডাইলগ ভাহি আহে, যিবোৰে মনত গভীৰ ৰেখাপাত কৰি যায়। আশা কৰা হৈছিল যে এইবাৰ ইউপিৰ ইলেকছন জমিব, গতিকে ইয়াত কিছুমান ভাল ভাল সংলাপ শুনিবলৈ পোৱা যাব। এইটো বেলেগ কথা যে ভোটৰ টাইমৰ ভোটাৰৰ লগত পতা আলাপবোৰকে সংলাপ বুলি প্ৰচাৰ কৰা হয় আৰু ভোটৰ পাছত সেই সংলাপকে প্ৰলাপ বুলি পাহৰি যোৱা যায়। তথাপি ভোটৰ টাইমত এইবোৰ শুনি ভাল লাগে, যেনেকৈ চাৰ্কাছৰ টাইমত জোকাৰৰ বহুৰালিবোৰ চাই ভাল লাগে, যদিও সেইবোৰ চাৰ্কাছৰ জাতত নপৰে। কিন্তু আচৰিত কথা যে এইবাৰ ইউপিত বৰ বিশেষ সংলাপ শুনিবলৈ পোৱা নাই। অথচ বেংগলৰ ইলেকছনত এক চে বড়কৰ এক সংলাপ শুনিবলৈ পোৱা গৈছিল। তেন্তে ইউপিত নাই কিয়? হয়তো বেংগলৰ এক্সপেৰীয়েন্সেই শিকাইছে যে বৰ বেছি লম্বা লম্বা সংলাপ এৰিব নালাগে। ভোটৰ পাছত যেতিয়া সেয়া বিলাপত পৰিণত হয়, তেতিয়া কাৰোৰে লগত আলাপ কৰিব পৰা অৱস্থা হৈ নাথাকে। সেইকাৰণে চাগে এইবাৰ ইউপিত লম্বা লম্বা সংলাপৰ সলনি লম্বা লম্বা ভিজুৱেলছ প্ৰদৰ্শনত বেছি মনোযোগ দিয়া হৈছে। গংগাস্নান! কম লম্বা ভিজুৱেল আছিল নেকি? মন্দিৰ উদ্বোধন! কম লম্বা প্ৰগ্ৰাম আছিল নেকি? সেইবোৰৰ ভিজুৱেলবোৰ লম্বা লম্বাকৈ দেখুৱায়েইতো আমাৰ মিউট চেনেলবোৰে প্ৰমাণ কৰিবলৈ প্ৰয়াস কৰি আহিছে যে সৰকা বিকাছৰ গ্ৰাফডাল কিমান লম্বা। ইমান লম্বা যে সৰকা বিকাছৰ ব্ৰেণ্ড এম্বেছাদৰ অমিতাভ বচ্চনক পতাৰ কথাও চিন্তা-চৰ্চা কৰা হৈছিল। অমিতাভে 'না' কৰি ডাইলগ দিলে—'মেৰে পাছ জয়া হে!' জয়া অখিলেশী এম পি। গতিকে বেয়া কথা হ'ব। খং উঠি গ'ল। লগালগ বহুৰাণীৰ ওপৰত ই ডি জাপি দিয়া হ'ল। এই ই ডি, আই টি, চি বি আই— এইবোৰক লৈ আজি-কালি কোনো প্ৰব্লেম নাই। দোকানৰ পৰা ছাবি দিয়া পুতলা কিছুমান কিনি দিয়ক আৰু আটাইৰে পিঠিত লেবেলবোৰ লগাই দিয়ক—ই ডি, আই টি, চি বি আই! তাৰপাছত ছাবিবোৰ পকাই থাকক, সেইবোৰে ঘূৰি ঘূৰি আপোনাৰ ইচ্ছা আৰু ধান্দা দুয়োটাই পূৰণ কৰি গৈ থাকিব। এই পুতলাবোৰৰ চালচলন চাই চাই অৱশ্যে দুই-এক চকুচৰহাই প্ৰশ্নও কৰে—চৰকা বিকাছ নে চৰকা চৰ্বনাছ? লগে লগে আৰু এখন লেবেল আনি প্ৰশ্নকৰ্তাৰ পিঠিত আঠা লগাই দিয়া হয়। লেবেলখনত লিখা থাকে—দেছদ্ৰোহী!



এইবাৰ অতীৰ চুন্দৰ ডাইলগ এটা শুনা গ'ল আমাৰ ষ্টেটৰ ৰহাৰ পৰাই। ডাইলগটো এনেধৰণৰ—বাঘ চাবলৈ হাবি, উন্নতি চাবলৈ গেৰুৱা হ'বি। ইয়াত বাঘৰ লগত উন্নতিৰ তুলনা কৰা হৈছে। যিয়ে এই কাম কৰিছে, সি বহু মাথা মাৰি কৰিছে। বাহ্যিক দৃষ্টিত চাবলৈ গ'লে বাঘ আৰু উন্নতিৰ কোনো তুলনা নহয়। কিন্তু এতিয়া যিবোৰ উন্নতি হ'বলৈ ধৰিছে, তাক নিশ্চিতভাৱে বাঘৰ লগত তুলনা কৰিব পাৰি। বাঘ হাবিত থাকে, জংঘলত থাকে, গছ-গছনিৰ আঁৰত লুকাই থাকে। সহজতে কোনেও তাক নেদেখে। একেদৰে আজি-কালিৰ উন্নতিৰ ফাইলবোৰো ৰজা-মহাৰজাৰ আলমিৰাৰ লকাৰত লুকাই থাকে। যাৰ উন্নতি হ'ব, সিও ক'ব নোৱাৰে যে কেইদিনমান পাছতে তাৰ উন্নতি হ'ব। কোনেনো ক'ব পাৰিছিল যে হঠাতে ইণ্ডিয়া স্বচ্ছ হৈ যাব, ব্লেকমানি অদৃশ্য হৈ যাব, সৰ মালবস্তু মেড ইন্ ইণ্ডিয়া হ'ব? বাঘে বৰ মনে মনে ওলাই আহে। ওচৰ-পাঁজৰৰ জীৱ-জন্তুৱেও গম নাপায় যে বাঘ আহিছে। একেদৰে আজি-কালিৰ উন্নতিও হোৱা বুলি কোনেও খবৰ নাপায়। সাগৰৰ পাৰত কান্ধত জাবৰৰ বস্তা লৈ উঠা ফটোখন দেখিলেহে গম পায় যে সঁচাই ইণ্ডিয়া চাফা হৈছে। চাইনাৰ এয়াৰপ'ৰ্টটোকে ইউপিৰ এয়াৰপোৰ্ট বুলি প্ৰচাৰ কৰি দিয়া ফটোখন দেখিলেহে গম পোৱা যায় যে চাইনাৰ সমানে আমাৰো উন্নতি হৈছে। বেছি ভোকত থাকিলে বাঘৰ মুখেদি বিকট আৱাজ কৰি ঘৰ্ ঘৰ্ শব্দ ওলায়। এই শব্দ শুনিহে গম পোৱা যায় যে বাঘ আহিছে। একেদৰে খোল-তাল-শংখ-ঘণ্টাৰ শব্দবোৰ ঢংঢংকৈ বাজিলেহে প্ৰজাগণ নিশ্চিত হয় যে সঁচাই উন্নতি হৈছে। বাঘে যেতিয়া কোনো এটা চিকাৰ দেখে, তাক বহু সময় চাই থাকে। তাৰপাছত চিকাৰটো ধৰিবলৈ এফালৰ পৰা সৰ মহটিয়াই লৈ যায়। চিকাৰটো নধৰালৈকে সি দৌৰিবলৈ নেৰে। একেদৰে উন্নতিৰ জখলাডালো দীঘল কৰি লৈ যোৱা হয়। সন্মুখত পৰা গছ-গছনি, হাবি-বননি, প্ৰতিবাদী-দেছদ্ৰোহী সৰকে মহটিয়াই জখলাডাল দীঘল হৈ গৈ থাকে। পাছত ধুমধামেৰে সেইডাল সবাতোকৈ দীঘল জখলা বুলি কৈ উন্মোচন কৰা হয় আৰু বেচি দিয়া হয়। যেনেকৈ পেট ভৰি যোৱাৰ পাছত চিকাৰৰ বাকীখিনি বেলেগক খাবলৈ দি থৈ যায় বাঘে।

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

# এটা শৰীৰতে বাস দুই মানৱৰ

## একেলগেই চৰকাৰী চাকৰিও পালে ভ্ৰাতৃদ্বয়ে





এটা শৰীৰতে দুজন মানুহ। এনে উদাহৰণ বহু আছে যদিও স্বাভাৱিকভাৱেই ফুৰা-চকা কৰা, চৰকাৰী চাকৰি পোৱা আদি সততে দেখা নাযায়।

নিউজ ব্যুৰ'

**অমৃতসৰ, ২৪ ডিচেম্বৰ ঃ** এটা শৰীৰতে দুজন মানুহ। এনে উদাহৰণ বহু আছে যদিও স্বাভাৱিকভাৱেই ফুৰা-চকা কৰা, চৰকাৰী চাকৰি পোৱা আদি সততে দেখা নাযায়। তেনে এক ব্যতিক্ৰমী উদাহৰণ দেখা গ'ল পঞ্জাৱৰ দুই ভ্ৰাতৃ ছোহনা আৰু মোহনাৰ ক্ষেত্ৰত। অমৃতসৰৰ বাসিন্দাই এই দুই ভ্ৰাতৃয়ে প্ৰবল শাৰীৰিক প্ৰতিকূলতাকো নেওচি লাভ কৰিলে চৰকাৰী চাকৰি। বহু লোকেই প্ৰেৰণা লাভ কৰিব পাৰে তেওঁলোকৰ জীৱনৰ পৰা।

১৯ বছৰৰ ছোহনা আৰু মোহনাই যোৱা ২০ ডিচেম্বৰত পঞ্জাৱৰ ৰাজ্যিক বিদ্যুৎ কৰ্প'ৰেচনৰ চাকৰিত নিযুক্তি লাভ কৰে। দৰমহা ২০ হেজাৰ টকা। শৈশৱৰ পৰাই দুই ভ্ৰাতৃ পঢ়া-শুনাত ভাল আছিল।

স্কুলৰ শিক্ষা সাং কৰি দুয়ো ইঞ্জিনীয়াৰিঙত ডিপ্ল'মা কৰিছিল। তেতিয়াৰ পৰাই দুয়ো বিদ্যুৎ বিভাগটোৰ দৃষ্টিত আছিল। শিক্ষা সমাপ্ত হোৱাৰ লগে লগে ৰাজ্যখনৰ বিদ্যুৎ বিভাগে তেওঁলোকক চাকৰিত নিযুক্তি দিয়ে।

বিদ্যুৎ বিভাগৰ উচ্চপদস্থ বিষয়া ৰবীন্দ্ৰ কুমাৰে এই সন্দৰ্ভত কয়, 'ছোহনা আৰু মোহনাই বৈদ্যুতিক যন্ত্ৰাংশ চোৱাচিতা কৰিব। তেওঁলোকৰ অভিজ্ঞতাৰ ভিত্তিতেই এই কামত নিযুক্তি দিয়া হৈছে।' পঞ্জাৱ চৰকাৰক ধন্যবাদ জনাই দুই ভ্ৰাতৃয়ে কয়, 'চাকৰি লাভ কৰি আমি অত্যন্ত আনন্দিত আৰু এই সুযোগ দিয়া বাবে পঞ্জাৱ চৰকাৰক ধন্যবাদ জনাইছো।'

২০০৩ত নতুন দিল্লীত ছোহনা আৰু মোহনাৰ জন্ম হয়। জন্মৰ পৰাই দুয়োৰে মূৰ, হাত, মেৰুদণ্ড আৰু হৃৎপিণ্ড পৃথক যদিও শৰীৰৰ তলৰ অংশ এটাই। জন্মৰ পাছতে পিতৃ-মাতৃয়ে তেওঁলোকক পৰিত্যাগ কৰে। দিল্লী এইমছৰ চিকিৎসকে অস্ত্ৰোপচাৰ কৰি দুয়োৰে শৰীৰ পৃথক কৰাৰ চেষ্টা কৰিছিল।

অৱশ্যে শাৰীৰিক জটিলতাৰ কাৰণে সেয়া সম্ভৱ নহ'ল। ইয়াৰ পাছৰ পৰা দুয়ো সেইদৰেই ডাঙৰ-দীঘল হয়। স্কুলৰ শিক্ষা সাং কৰি ডিপ্ল'মা অৰ্জন কৰে। অৱশেষত লাভ কৰিলে চৰকাৰী চাকৰি। শাৰীৰিক প্ৰতিবন্ধকতাক নেওচি যে আগবাঢ়ি যাব পাৰি, সেয়াই দেখুৱাই দিলে ছোহনা আৰু মোহনাই।

# মৰিয়নিত নাহৰফুটুকীৰ মৃতদেহ উদ্ধাৰ



অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ২৪ ডিচেম্বৰ ঃ** মৰিয়নিৰ বনাঞ্চলিক বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত চৈকটা চাহ বাগিচাৰ ঢেকিয়াজুলি অঞ্চলত আজি এটা নাহৰফুটুকীৰ মৃতদেহ উদ্ধাৰ হয়। এখন ক্ষুদ্ৰ চাহ বাগিচাৰ মাজত নাহৰফুটুকীটো মৃত অৱস্থাত প্ৰত্যক্ষ কৰে স্থানীয় ৰাইজে বন বিভাগক খবৰ দিয়ে। পাছত মৰিয়নিৰ বনাঞ্চলিক বিষয়া ঘটনাস্থলীত উপস্থিত হৈ নাহৰফুটুকীটোৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ অন্তত শেষকৃত্য সম্পন্ন কৰে। বন বিভাগৰ সূত্ৰ মতে, মতা নাহৰফুটুকীটোৰ বয়স আঠ বছৰ। নাহৰফুটুকীটোৰ দেহত থকা আঘাতলৈ চাই দুটা নাহৰফুটুকীৰ মাজত হোৱা যুঁজত ইয়াৰ মৃত্যু হৈছে বুলি বন বিভাগে সন্দেহ প্ৰকাশ কৰিছে।

# জাগুন পথাৰ পাইপ দলঙত দুই যুৱকৰ মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**দুলীয়াজান, ২৪ ডিচেম্বৰ ঃ** দুলীয়াজান আৰক্ষী থানাৰ অন্তৰ্গত জাগুন পথাৰ পাইপ দলঙৰ সমীপত আজি পুৱা দুই বালি শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ হয়। পুৱা প্ৰত্যক্ষ দৰ্শীয়ে দলঙৰ সমীপত এজন লোকৰ মৃতদেহ আৰু কাষত আন এজন আঘাতপ্ৰাপ্ত যুৱকক প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে। আৰক্ষীয়ে গুৰুতৰভাৱে আহত যুৱকজনক অইলৰ চিকিৎসালয়ত ভৰ্তি কৰায় যদিও দিনৰ প্ৰায় ১২ বজাত তাতে মৃত্যু হয়। নিহত যুৱক দুজনক নাহৰকটীয়া বাড়ধাৰী গাঁৱৰ ৰাজু ৰাজপুত (১৯) আৰু টিংখাঙৰ সমৰ কৰ্মকাৰ (২৫) বুলি চিনাক্ত কৰা হৈছে। আৰক্ষীয়ে জনোৱা মতে, বালি গাড়ীৰ শ্ৰমিকৰূপে কাম কৰা যুৱক দুজনক নিশা কোনো বাহনে খুন্দিয়াই পেলাই থৈ যায়।

# তিনিচুকীয়াত পুৱতি নিশা বলেৰ'ৰ পৰা গো-মাংস উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ২৪ ডিচেম্বৰ ঃ** ৰাজ্যত গো-হত্যা বন্ধ কৰিবলৈ বদ্ধপৰিকৰ চৰকাৰে বিধানসভাত গো-সুৰক্ষা বিধেয়কৰ সংশোধনী গৃহীত কৰাৰ সময়তে আজি তিনিচুকীয়া চহৰৰ হিজুগুৰিত আৰক্ষীয়ে এখন বলেৰ' বাহনৰ পৰা গো-মাংস উদ্ধাৰ কৰাক কেন্দ্ৰ কৰি উত্তেজনাৰ সৃষ্টি হৈছে। প্ৰাপ্ত তথ্য অনুসৰি পুৱতি নিশা হিজুগুৰি আৰক্ষীয়ে বাহনৰ তালাচী অভিযান চলাই থকাৰ সময়তে এ-এছ-২৩-ডব্লিউ-৯০৮০ নম্বৰৰ বলেৰ' বাহনখন ৰ'বলৈ সংকেত দিয়ে। কিন্তু বাহনখনে সংকেত অমান্য কৰি তীব্ৰ গতিৰে পানীতোলা দিশে পলায়নৰ চেষ্টা চলায়। আৰক্ষীয়ে বাহনখন অনুসৰণ কৰি নাতিদূৰৰ চাৰাৰভাটিৰ সমীপত পৰিত্যক্ত অৱস্থাত উদ্ধাৰ কৰে যদিও বাহনখনৰ আৰোহীয়ে ইতিমধ্যে পলায়ন কৰে। পাছত বাহনখনত তালাচী চলাই আৰক্ষীয়ে বেগ আৰু পলিথিনত ভৰাই থোৱা বৃহৎ পৰিমাণৰ সন্দেহজনক গো-মাংস উদ্ধাৰ কৰে। হিজুগুৰি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া দীপক ছেত্ৰীয়ে সদৰী কৰা মতে, বাহনখন হিজুগুৰি আজৰ নগৰৰ বাসিন্দা জাফৰ খানৰ নামত পঞ্জীয়নভুক্ত হৈ আছে। জিলাখনৰ বৰহাপজান আৰু মাৰ্ঘেৰিটাৰ পৰা তিনিচুকীয়ালৈ প্ৰায়ে গো-মাংসৰ সৰবৰাহ হৈ থকা বুলি লাভ কৰা তথ্যৰ ভিত্তিত যোৱা নিশাৰে পৰা তালাচী অভিযান চলাইছিল। ইফালে, তিনিচুকীয়া চহৰতে গো-মাংসৰ সৰবৰাহৰ তথ্য পোহৰলৈ অহাত ইয়াত জড়িতসকলক শীঘ্ৰে আটক কৰিবলৈ দাবী জনাইছে বজৰং দলে।


# ডবকাত পাঁচ কোটিৰ মূল্যৰ হেৰইন জব্দ ঃ গ্ৰেপ্তাৰ দুই

অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ২৪ ডিচেম্বৰ ঃ** ৰাজ্যৰ সৰ্বত্ৰে সৰ্বগ্ৰাসী ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত থকাৰ সময়ত হোজাই জিলাৰ ডবকা আৰক্ষীৰ অভিযানত জব্দ হৈছে আনুমানিক পাঁচ কোটি টকা বজাৰ মূল্যৰ নিষিদ্ধ হেৰ'ইন। হোজাই জিলা আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থই জানিবলৈ দিয়া মতে, নগালেণ্ডৰ ডিমাপুৰৰ পৰা এখন ব্যক্তিগত বাহনৰ জৰিয়তে এটা চক্ৰই হেৰ'ইন সৰবৰাহ কৰি থকাৰ তথ্য এক বিশেষ সূত্ৰৰ পৰা লাভ কৰে। সেই মতে, আৰক্ষী অধীক্ষকজনে ডবকা আৰক্ষীক সষ্টম হৈ থাকিবলৈ নিৰ্দেশ দিয়ে। আৰক্ষী অধীক্ষকৰ নিৰ্দেশত ডবকা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অমৃত কুমাৰ সিঙে যোৱা নিশা ৰাষ্ট্ৰীয় পথত অভিযান চলাই এ-এছ-১০-ই-৪০৭৮ নম্বৰৰ বলেনো গাড়ী এখন জব্দ কৰে। আৰক্ষীয়ে গাড়ীখন জব্দ কৰি তন্নতন্নকৈ পৰীক্ষা কৰে যদিও হেৰ'ইনখিনিৰ কোনো সন্ধান পোৱাত ব্যৰ্থ হয়। এটা সময়ত গাড়ীখনৰ বডিৰ তলত এটা পৃথক চেম্বাৰ থকা দেখি সেইটো খোলাৰ লগে লগে ৰহস্য উদ্‌ঘাটন হয়। গাড়ীখনৰ গোপন চেম্বাৰৰ পৰা ৬১টা প্লাষ্টিকৰ বাকচ ভৰ্তি নিষিদ্ধ হেৰ'ইনখিনি জব্দ কৰিবলৈ সক্ষম হয়। ৭৭০ গ্ৰাম ওজনৰ হেৰ'ইনখিনি জব্দ কৰাৰ লগতে গাড়ীখনত থকা দুজন ব্যক্তিক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা ড্ৰাগছ সৰবৰাহকাৰী দুজন হৈছে ক্ৰমে মহম্মদ ইমৰান আৰু মুকেশ বৰ্মন। দুয়োৰে প্ৰকৃত ঘৰ বিহাৰত যদিও বৰ্তমান স্থায়ীভাৱে বাস কৰে নগালেণ্ডৰ ডিমাপুৰত। নিষিদ্ধ হেৰ'ইনখিনি ডিমাপুৰৰ পৰা ঘাইপথেৰে ডবকা হৈ শিলচৰৰ পৰা আগৰতলালৈ সৰবৰাহৰ চেষ্টা কৰিছিল দুয়ো। অৱশ্যে আৰক্ষীয়ে ড্ৰাগছ সৰবৰাহকাৰীৰ উদ্দেশ্য সফল হ'ব নিদিলে। হোজাই জিলা আৰক্ষীয়ে দুয়োজন লোকক এনডিপিএছ আইনৰ অধীনত গ্ৰেপ্তাৰ কৰি জেৰা অব্যাহত ৰাখিছে।




# থলুৱা খাদ্য সম্ভাৰৰ ৰেষ্টুৰেণ্ট দুই শিক্ষিত মহিলাৰ



অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ২৪ ডিচেম্বৰ ঃ** দুগৰাকী উদ্যমী মহিলা গীতাঞ্জলি মহন্ত আৰু শিখাৰাণী তৰালী গগৈৰ যুটীয়া উদ্যোগত গঢ়ি উঠিছে 'হৰাইযন কুইজীন' শীৰ্ষক এখন আটকধুনীয়া পৰিপাটি ৰেষ্টুৰেণ্ট। উত্তৰ লখিমপুৰ কলেজ চাৰিআলি, কলেজৰ দুই নম্বৰ গেটৰ সন্মুখত খেলমাটি অৱস্থিত হৰাইযনৰ অৰ্থ হ'ল দূৰ দিগন্ত ব্যাপী যোৱা আৰু কুইজীনৰ অৰ্থ হ'ল ৰন্ধন শৈলী। এটি সুন্দৰ অৰ্থৱহ নামকৰণেৰে 'হৰাইযন কুইজীন'ৰ আৰম্ভ হৈছিল। চলিত বৰ্ষৰ ২৫ মাৰ্চত। ক'ভিডসৃষ্ট তলাবন্ধৰ মাজতো হাৰ নমনা মনৰ মাজত পুহি ৰখা সপোনক বাস্তৱ ৰূপ দিয়াৰ প্ৰচেষ্টাত অকণমানো অৱমাননা কৰা নাই উদ্যমী মহিলা দুগৰাকীয়ে। হৰাইযনৰ স্বত্বাধিকাৰ গীতাঞ্জলি মহন্ত বৃত্তিত এগৰাকী অধিবক্তা আৰু শিখাৰাণী ভৰালী গগৈ এগৰাকী চৰকাৰী ধাত্ৰী। ৰেষ্টুৰেণ্টখনৰ স্বত্বাধিকাৰ মহন্তই 'হৰাইযন কুইজীন' আৰম্ভ কৰাৰ মূল উদ্দেশ্য কি বুলি সোধা এক প্ৰশ্নৰ উত্তৰত কয়, 'মহিলাসকলে নিজৰ ব্যৱসায়ৰ উপৰি ৰেষ্টুৰেণ্ট খুলিও এক নিদৰ্শন দেখুওৱাব পাৰি লগতে আন ১০গৰাকী মহিলাক স্বাৱলম্বন কৰিব পাৰি এই উদ্দেশ্যে লৈয়ে হৰাইযন কুইজীনৰ জন্ম বুলি সদৰী কৰে।

উল্লেখ্য যে 'হৰাইযন কুইজীন'ৰ দুজন পুৰুষ-কৰ্মচাৰীৰ বাহিৰে বাকী সকলো মহিলা কৰ্মচাৰী। অসম আৰ্হিত বাঁহ- বেতেৰে এক সুন্দৰ শৈলীত নিৰ্মাণ কৰা 'হৰাইযন কুইজীন'ত অসমীয়া পৰম্পৰাগত খাদ্য মাটিমাহ খাৰৰ পৰা খাৰলি, কলপছলালৈকে মজুত থকাৰ উপৰি অন্যান্য খাদ্য সম্ভাৰো গ্ৰাহকৰ পছন্দ অনুযায়ী পোৱা যায়। 'হৰাইযন কুইজীন'ৰ পৰিপন্থী সু-শৃংখলাবদ্ধতাই উত্তৰ লখিমপুৰ মহাবিদ্যালয়, লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আকৰ্ষণৰ কেন্দুবিন্দু হৈ পৰিছে। তদুপৰি লখিমপুৰ কেন্দ্ৰীয় বিদ্যালয়ৰ কে'বাটাও অনুষ্ঠানো ইতিমধ্যে ৰেষ্টুৰেণ্টখনত অনুষ্ঠিত হৈছে বুলি সদৰী কৰে। অনায়াসে ১৫ খনৰো অধিক গাড়ী পাৰ্কিং কৰিব পৰাৰ সুব্যৱস্থা থকা 'হৰাইযন কুইজীন'ত উত্তৰ লখিমপুৰৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱক থাকিব পৰা পৰিৱেশত গঢ়ি তোলা হ'ব বুলি স্বত্বাধিকাৰদ্বয়ে জানিবলৈ দিয়ে।



স্মৰ্তব্য যে 'হৰাইযন কুইজীন'ৰ স্বত্বাধিকাৰ গীতাঞ্জলি মহন্তৰ স্বামী জিতেন মহন্ত আৰু শিখাৰাণী ভৰালী গগৈৰ স্বামী সূৰ্য কুমাৰ গগৈয়ে 'হৰাইযন'ৰ উদ্যোগ লোৱাৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে সঁহাৰি জনোৱাত উদ্যমী মহিলা দুগৰাকী এই ক্ষেত্ৰত আগবাঢ়িবলৈ দুগুণে উৎসাহিত হৈছে বুলি সদৰী কৰে।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com